ষষ্ঠদশ অসম বিধানসভাৰ

বাজেট অধিবেশন

কাৰ্যবিৱৰণী (অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

তাৰিখঃ ১৩/০৭/২০২৬ সোমবাৰ

আজি ইংৰাজী ১৩-০৭-২০২৬ তাৰিখে সোমবাৰৰ ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষ শ্ৰী ৰণজিৎ কুমাৰ দাস মহোদয়ৰ অধ্যক্ষতাত ষষ্ঠদশ অসম বিধান সভাৰ বাজেট অধিৱেশনৰ কাৰ্য্যসূচী আৰম্ভ হয়।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ১০১ মাননীয় সদস্য ড° মৃদুল কুমাৰ দত্ত।

এতিয়া মন্ত্ৰী শ্ৰীমতী নীলিমা দেৱী,

**শ্ৰীমতী নীলিমা দেৱী, পশুপালন, মীন মন্ত্ৰীঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**ড° মৃদুল কুমাৰ দত্ত, দেৰগাঁও, গোলাঘাটঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দেৰগাঁও সমষ্টিৰ অন্তৰ্গত হাটিয়েখোৱা পশু চিকিৎসালয়ৰ সন্দৰ্ভত দুষাৰ ক'বলৈ আগবাঢ়িছো আপোনাৰ জৰিয়তে। আমি সকলোৱে জানো পশু ধনৰ স্বাস্থ্যৰ বিকাশ গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নৰ কাৰণে এটা অপৰিহাৰ্য্য এটা বিষয়। এতিয়া মোৰ প্ৰশ্নটো হ'ল দেৰগাওঁ সমষ্টিৰ অন্তৰ্গত হাটিয়েখোৱা ৰাজ্যিক পশু চিকিৎসালয়ত কিমানজন পশু চিকিৎসক আছে আৰু দ্বিতীয় প্ৰশ্নটো হ'ল এই চিকিৎসালয়ৰ কোনোবা পশু চিকিৎসক Directorate of Veterinary Dipartment, Chenikuthi ত Attach হৈ আছে নেকি ? যদি আছে কিমান বছৰৰ পৰা তাত Attach হৈ আছে আৰু তেওঁক হাটিয়েখোৱালৈ back কৰাৰ চৰকাৰৰ কিবা পৰিকল্পনা আছে নে, নে আন বিকল্প কোনো ব্যৱস্থা আছে। কাৰণ তেখেতে দীৰ্ঘদিন ধৰি কৰ্ম ক্ষেত্ৰত অনুপস্থিত আছে যাৰ ফলত আমি পশু ধনৰ বিভিন্ন ধৰণৰ চিকিৎসা কৰাত বিফল হৈছো আৰু সেই অঞ্চলত বিভিন্ন ধৰণৰ

গাহৰি ফাৰ্ম আছে। আন ধৰণৰ কৃষি খণ্ডৰ লগত জড়িত পশু ধন আছে আৰু তেখেত নোহোৱাৰ বাবে vaccination ৰ পৰা আদি কৰি সকলো কাম বৰ্তমান বন্ধ হৈ আছে। সেয়েহে মই আমাৰ বিভাগীয় মন্ত্ৰীক এই ক্ষেত্ৰত তেখেতৰ পৰা মই এই কথা কেইটা জানিব বিচাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী**।**

**শ্ৰীমতী নীলিমা দেৱী, ( পশুপালন, মীন মন্ত্ৰী )**ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন কৰ্তালৈ মই ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতৰ যিটো প্ৰথম প্ৰশ্ন দেৰগাওঁ সমষ্টিৰ হাটিয়েখোৱা পশু চিকিৎসালয়ত বৰ্তমান এজন পশু চিকিৎসক কৰ্মৰত অৱস্থাত আছে আৰু দ্বিতীয় প্ৰশ্নটো বৰ্তমান  চিকিৎসালয় খনৰ কোনো বিষয়া Directorate of Veterinary Department, Chenikuthi ত Attach হৈ থকা নাই আৰু যিটো তেওঁ এটা লগত প্ৰশ্ন আনিছে attachment ত থাকি কাম কৰি আছিল বুলি সেই ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা লোৱা হৈছে আৰু যিটো পদ খালী আছে আমি অতি শীঘ্ৰে সেই পদটো  পূৰণ কৰাৰ ব্যৱস্থা হাতত ল'ম।

**মাননীয় অধ্যক্ষঃ** Supplementary.

**ড° মৃদুল কুমাৰ দত্ত, দেৰগাঁও, গোলাঘাটঃ** সেই চিকিৎসক গৰাকীৰ মই নাম প্ৰকাশ কৰিব বিচৰা নাই। দীৰ্ঘদিন ধৰি তেখেত কৰ্মস্থলীত অনুপস্থিত আছে আৰু তেখেত কেনেকৈ ইমান দীৰ্ঘদিন ধৰি অনুপস্থিত থাকিব পাৰে চৰকাৰী কাৰ্য্যালয় এটাত, এইটো এটা চিন্তনীয় বিষয়। তেখেতৰ ওপৰত বিভাগীয় কি ব্যৱস্থা লৈছে সেইটো মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** ১ মিনিট সময় ৰ'ব। চৰকাৰৰ পৰা কৈছে যে তেনেকুৱাকৈ কোনো বেলেগ স্থানত কাম কৰি থকা নাই। আপুনি কৈছে যে কাম কৰি আছে, গতিকে নামটো প্ৰকাশ কৰক, তেতিয়া চৰকাৰে তেওঁৰ ওপৰত বিহিত ব্যৱস্থা ল'ব পাৰিব।

**ড° মৃদুল কুমাৰ দত্ত, দেৰগাঁও, গোলাঘাটঃ** মাননীয় অধ্যক্ষ মই যিটো খবৰ পাওঁ যে তেখেতৰ ওপৰত বিহিত ব্যৱস্থা লোৱা হৈছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে তেতিয়াহ'লে হৈছে।

**শ্ৰীমতী নীলিমা দেৱী, পশুপালন, মীন মন্ত্ৰীঃ** হয়, অধ্যক্ষ মহোদয় আমাৰ ইতিমধ্যে ১৩৭ টা Veterinary Doctor ৰ বিজ্ঞাপন ওলাব । আমি সেইখিনি ইতিমধ্যে লোকসেৱা আয়োগলৈ প্ৰেৰণ কৰিছো। অতি শীঘ্ৰে সেইটোৰ বিজ্ঞাপন ওলোৱাৰ পিছত সেইখিনি পদ পূৰণ কৰাৰ কাৰণে ব্যৱস্থা হাতত লোৱা হ'ব।

**মাননীয় অধ্যক্ষঃ** পৰৱৰ্ত্তী প্ৰশ্ন নং ১০২, শ্ৰী ৰমাকান্ত দেউৰী।

তেখেত অনুপস্থিত।

এতিয়া পৰৱৰ্ত্তী প্ৰশ্ন নং ১০৩, মৌলানা বদৰুদ্দিন আজমল।

তেখেত অনুপস্থিত।

এতিয়া পৰৱৰ্ত্তী প্ৰশ্ন নং ১০৪, শ্ৰী ধীৰাজ গোৱালা।

**শ্ৰী ধীৰাজ গোৱালা, তিতাবৰঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ যিটো প্ৰশ্ন আছিল সেইটো ইতিমধ্যে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ পাইছো । প্ৰশ্নটো আছিল অসম মালা -২ ৰ অধীনত আমাৰ যিটো কাকডোঙাৰ পৰা দেৰেৰাপাৰা চাৰিআলিলৈ যি পথৰ নিৰ্মাণৰ কাম চলি আছে । উক্ত পথত আচলতে তিতাবৰ যিখন মূল চহৰখনৰ মাজেৰে ধোদৰআলি পথটো গৈছে আৰু অসম মালা -২ ৰ অধীনত পথটো নিৰ্মাণ হৈ আছে। ধোদৰ আলি তিতাবৰ চহৰৰ পথটো ঠেক হোৱাৰ বাবে অত্যন্ত বেছি যান-জটৰ সমস্যা তাত আছে আৰু চহৰখনত কোনো পাৰ্কিঙৰ ব্যৱস্থা নাই। যিহেতু ইয়াৰ অধীনত কোনো land acquisition নাই তাৰ বাবে পথটো বহল কৰিব পৰা কোনো ব্যৱস্থা নাই বুলি ইতিমধ্যে গড়কাপ্তানী বিভাগে জনাইছে। কিন্তু পথটো যদি বহল নহয় তাত যান-জটৰ যিটো মূল সমস্যা, সেয়া কেতিয়াও সমাধান নহয় আৰু যাৰ কাৰণে

তাত বৰ্তমান সৰ্বসাধাৰণ ৰাইজ যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। অত্যন্ত ঠেক পথ , তাত কোনো পাৰ্কিং নাই আৰু যাৰ কাৰণে উক্ত পথটো বহল কৰি চহৰখনত যাতে যান-বাহন চলাচল কৰিব পৰাকৈ প্ৰয়োজনীয় এটা পথ যিমান বহল হ'ব লাগে তাৰ কিবা ব্যৱস্থা কৰিব পাৰিব নেকি মই সেই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো  আৰু লগতে যিটো চিনামৰাৰ পৰা তিতাবৰ চাৰিআলি হৈ পানীখাইটিলৈ যোৱা যিটো গড়আলিমূৰ পথ, উক্ত পথটোত আচলতে যথেষ্ট দূৰ্ঘটনাও ঘটিছে আৰু অত্যন্ত ঠেক পথ। গতিকে সেই পথটো 2 lane যুক্ত কৰিব পৰা যাব নেকি মই সেই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া অসম মালা-২.০ ত আমি এটা সিদ্ধান্ত লৈছিলো যে  land acquisition ৰ কাৰণে আমি টকা আৱন্টন নকৰো । কেতিয়াবা কি হয়  land acquisition cost টো ৰাস্তাটো নিৰ্মাণতকৈ টকাটো বেছি হৈ যায়, land acquisition cost টো দিয়াৰ ব্যৱস্থা অসম মালা ১.০ ত আছিল। গতিকে আমি এনেকুৱা সিদ্ধান্ত লৈছিলো যে যিটো ৰাস্তাত traffic enough থাকিব, য'তে ত'তে অসম মালা, ভাৰত মালাৰ ৰাস্তা এটা বনাব নোৱাৰি অধ্যক্ষ ডাঙৰীয়া, তাত যদি adequate traffic নাথাকে যথেষ্ট যান-বাহন অহা-যোৱা নকৰে, তেতিয়া আমি অসম মালা ২.০ ত বা অসম মালা ৩.০ ত ল'ব নোৱাৰো । কিন্তু মই আকৌ কৈছো আমি এতিয়া যি সিদ্ধান্ত লৈছো অসম মালা ২.০ ত আমি land acquisition cost নিদিওঁ, যিটো ৰাস্তাত traffic বেছি বা  য'ত traffic ৰে সৈতে অহা-যোৱা কৰে তাত অসম মালাৰ ৰাস্তা ল'ম, কিন্তু আমি land acquisition cost নিদিওঁ । গতিকে অধ্যক্ষ ডাঙৰীয়া মাননীয় সদস্য গৰাকীয়ে যি কেইটা ৰাস্তাৰ কথা কৈছে  তাত যদি এই criteria কেইটা পৰে আকৌ কৈছো তাত enough adequate traffic থাকিব লাগিব । মানে যান-বাহনৰ এটা সংখ্যা থাকে, সিমানখিনি যান-বাহন উক্ত পথেৰে অহা-যোৱা কৰিব লাগিব আৰু যদি land acquisition কৰিব নালাগে তেতিয়া আমি অসম মালাত এই ৰাস্তাবিলাক ধৰিব পাৰিম। তিতাবৰ চহৰত অধ্যক্ষ ডাঙৰীয়া

land acquisition কৰি দোকান ভাঙি ৰাস্তা বহল যে কৰিব পৰা যাব সেইটো মোৰ মতে অলপ কষ্টকৰ হ'ব। মাননীয় সদস্য গৰাকী সেই সমষ্টিৰ বিধায়ক, তেখেতে মোতকৈ বেছি জানিব। যদি পৰৱৰ্তী সময়ত কোনোবাই মাটি এৰি দিয়ে বেলেগ আঁচনিত যাব লাগিব কিন্তু অসম মালাৰ অধীনত মই আকৌ কৈছো , যিহেতু আমি সিদ্ধান্ত লৈ থৈছো অসম মালা ২.০ ত বা পৰৱৰ্ত্তী সময়ত অসম মালা ২.৩ ত আমি land acquisition cost নিদিওঁ, গতিকে তাৰ অধীনত এইটো কাম কৰিব পৰা নাযাব।

**শ্ৰী ধীৰাজ গোৱালা, ( তিতাবৰ ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে যিটো সমস্যাৰ কথা মই কৈছো তাত যেতিয়া আমাৰ পৰীক্ষা হয়, ল'ৰা-ছোৱালী বিলাকে সেই পৰীক্ষাৰ কাৰণে যেতিয়া যাবলগীয়া হয়, সেই পথটোত ইমানেই যান-জট হয় আচলতে এজন ছাত্ৰইও সময়মতে পৰীক্ষা কেন্দ্ৰত উপস্থিত হ'ব নোৱাৰে আৰু আপুনি বিশ্বাস কৰক ১০বছৰ বা ২০ বছৰ পিছত সেই ৰাস্তাটোত বেছি সমস্যা হ'ব। তাত কোনো পাৰ্কিং নাই অত্যন্ত ঠেক পথ। মই মাননীয় মন্ত্ৰী মহোদয়ক যিহেতু সমস্যাটো জটিল, যদি তাত পথটো বহল কৰিব পৰা কোনো ব্যৱস্থা নাই উপপথ নিৰ্মাণ কৰি হ'লেও, সেই যান-জঁটৰ সমস্যাটোৰ সমাধান কৰাৰ কিবা ব্যৱস্থা কৰাটো মই ভাৱো অত্যন্ত প্ৰয়োজন। সেয়েহে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ পৰা  সমাধান এটা বিচাৰিছো।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া মই স্বীকাৰ কৰিছো সমস্যাটো গুৰুতৰ। মই তিতাবৰলৈ বহুত বাৰ গৈছো বা থাকিছো, গতিকে তিতাবৰ চহৰ বা আশে-পাশে ৰাস্তাবোৰ বহুত ঠেক। গতিকে এইটো নিশ্চয়কৈ কৰিব লাগে কিন্তু উপপথ নিৰ্মাণ কৰাটোৱে ভৱিষ্যতে আমি এটা সিদ্ধান্ত ল'ব লাগিব। চহৰত land acquisition কৰাটো যেনেকৈ গুৱাহাটীত অধ্যক্ষ ডাঙৰীয়া সম্ভৱ নহয়, টাউনত বা চিটিত land acquisition কৰালে মানুহে নিদিয়ে। বহু দিন আগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই গুৱাহাটী ক্লাবত উৰণীয়া সেঁতু বনাবলৈ চেষ্টা কৰিছিল। মানুহে বিৰোধিতা কৰিছিল। গতিকে এই সমস্যা বহু সময়তে দেখা যায়। কিন্তু উপ-পথ নিৰ্মাণ কৰাৰ আমাৰ পৰিকল্পনা

নিশ্চয়কৈ থাকিব। এই ক্ষেত্ৰত বিধায়ক ডাঙৰীয়াৰ পৰা আমি পৰামৰ্শ বিচাৰিম ভৱিষ্যতে উপপথ বা ওচৰেৰে ৰাস্তাৰে গৈ সেই ৰাস্তাটোৰ যান-বাহনৰ সংখ্যা কমাব পাৰি নেকি তাৰ বাবে আমি নিশ্চয়কৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ :** প্ৰশ্ন নং- ১০৫, ড° জয়প্ৰকাশ দাস।

**শ্ৰী পীযুষ হাজৰিকা ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ) :** মাননীয় অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**ড° জয়প্ৰকাশ দাস (নাওবৈচা) :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই দিয়া উত্তৰ পঢ়িছো। কিন্তু মই জানিব বিচাৰিছো যে এতিয়াৰ নাওবৈচা সমষ্টি আৰু আগৰ লক্ষিমপুৰ সমষ্টিৰ KB Road মানে কমলাবাৰী পথটো কমালাবাৰী সত্ৰৰ লগত সংযোগ হোৱা এটা পথ আৰু এইটো বৃটিছৰ দিনৰে পথ। আগতে আমাৰ এই অঞ্চল বা মাজুলীৰ বাবে অহা-যোৱা কৰা পথ এইটোৱে আছিল। এই পথটো বহল কৰি মাজুলীৰ লগত সংযোগ কৰিব পৰাকৈ এখন দলং নিৰ্মাণ কৰি আমাৰ এই অঞ্চলটোক উপকৃত কৰাৰ কিবা পৰিকল্পনা আছে নেকি মই মাননীয় মন্ত্ৰী গৰাকীৰ পৰা জানিব বিচাৰিছো। লগতে আমাৰ নাওবৈচা সমষ্টিত এখনেই মডেল হস্পিতাল আছে আৰু সেইখন মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে বৰ্তমানৰ Parliamentary Secretariat বিভাগৰ মন্ত্ৰীয়েও পৰিদৰ্শন কৰিছিল। হস্পিতাললৈ যোৱা পথছোৱা এতিয়াও বোকাময় হৈ আছে। সেইকাৰণে এই পথটো নিৰ্মাণ কৰাৰ বাবে কিবা পৰিকল্পনা আছে নেকি মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ :** Parliamentary Affairs Minister.

**শ্ৰী পীযুষ হাজৰিকা ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ) :** সন্মানীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কে বি ৰোডৰ কথা কৈছে সেই পথটো ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় ঘাইপথ হিচাপে ঘোষণা কৰাৰ In- Principle Approval ইতিমধ্যে হৈ গৈছে। গতিকে In- Principle Approval যিহেতু হৈছে ভৱিষ্যতে এই ৰাস্তাটো NHAI য়ে কৰিব আৰু সেই ক্ষেত্ৰত অসম চৰকাৰৰ ফালৰ পৰা কৰিবলৈ অসুবিধা হ'ব। যোৱা ১০ টা বছৰত আমাৰ চৰকাৰখনে সকলোতকৈ

বেছি গুৰুত্ব দিছিলো communication ত বা পথ নিৰ্মাণত। অসমৰ পথ নিৰ্মাণ এতিয়া এটা বিপ্লৱ। শত্ৰুৱেও স্বীকাৰ কৰিব যে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যতকৈ অসমৰ ৰাস্তা-ঘাটৰ অৱস্থা অত্যন্ত ভাল। গতিকে এই ক্ষেত্ৰত আমি থমকি ৰোৱা নাই, থমকি নৰওঁ। মাননীয় সদস্য ডাঙৰীয়াই তেওঁলোকৰ সমষ্টিৰ মডেল হস্পিতালখনলৈ যোৱা যিটো ৰাস্তাৰ কথা কৈছে পৰৱৰ্তী সময়ত সেই কামটো পুঁজি সাপেক্ষে কৰিবলৈ আমি নিশ্চয়কৈ চেষ্টা কৰিম।

**ড° জয়প্ৰকাশ দাস (নাওবৈচা) :** মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা কথা জানিব খুজিছো যে নাওবৈচা সমষ্টিৰ বিভিন্ন প্ৰান্তত বিশেষকৈ নদীৰ মাজৰ যিবোৰ ৰাস্তা আছে সেইবোৰৰ অৱস্থা ভাল নহয়। লগতে সোণাপুৰ, বিএনপি, পাভ আৰু খাৰকাটিৰ যিখন ৰঙানদীৰ দুয়োপাৰৰ মথাউৰি, এই মথাউৰিৰ দুয়োপাৰে ৰাস্তা পকীকৰণৰ বিশেষকৈ পোত্তাবিলৰ পৰা বকনীয়ালৈ, আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কিছুদিনৰ আগতে গৈ কৈ আহিছিল যে খাৰকাটি দলঙৰ পৰা নগৰগাঁও, পকাবাৰী হৈ চেঙামাৰীলৈ- মথাউৰিৰ ওপৰৰ এই কেইটা ৰাস্তা পকীকৰণৰ কিবা পদক্ষেপ চৰকাৰে ল'ব নেকি ? লগতে বালিটিকাৰ পৰা বৰচলা হৈ পাণধোৱালৈ আৰু পূৱ তোলাহী- বালি গাঁৱৰ পৰা দফলা কটালৈ, এই দুটা ৰাস্তা খুব জৰাজীৰ্ণ হৈ আছে। এই ৰাস্তা দুটাৰ বাবেও চৰকাৰে যদি কিবা ব্যৱস্থা লয় তেনেহ'লে নথৈ আনন্দিত হ'ম।

**মাননীয় অধ্যক্ষ :** Hon'ble Minister.

**শ্ৰী পীযুষ হাজৰিকা ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ) :** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, যোৱা ৫ বছৰত আমাৰ চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত ১০০০ কিমি মথাউৰি পকীকৰণ কৰিছিল। মথাউৰি পকীকৰণৰ এই প্ৰক্ৰিয়াটোত সমগ্ৰ অসমৰ গাঁৱৰ মানুহক খুব বেছি লাভান্বিত কৰিছিল। পৰৱৰ্তী সময়তো এই আঁচনিখন নিশ্চয়কৈ আগুৱাই লৈ যোৱা হ'ব। মই আকৌ কৈছো যে যোৱা ৫ বছৰত বিশেষকৈ অসমৰ ৰাস্তা-ঘাটৰ উন্নয়নে নতুন গতি লাভ কৰিছিল আৰু সেই গতি আমি অব্যাহত ৰাখিম। গতিকে মাননীয় সদস্য

গৰাকীয়ে তেখেতৰ নাওবৈচা সমষ্টি কেন্দ্ৰীক যি কেইটা প্ৰশ্নৰ অৱতাৰণা কৰিছে, সেই সমূহত আমি কাম কৰিবলৈ নিশ্চয়কৈ প্ৰয়াস কৰিম।

**মাননীয় অধ্যক্ষ :** Next, Question No. 106. Dr. Asif Md. Nazar.

**শ্ৰী পীযুষ হাজৰিকা ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ) :** মাননীয় অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**ডা: আছিফ ম: নাজাৰ (লাহৰীঘাট) :** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ পাইছো, কিন্তু ইয়াত লিখা আছে যে ১৪ টা পথ আৰু ৮ খন দলঙৰ কাম ঠিকাদাৰে নিৰ্দ্ধাৰিত সময়ত সম্পূৰ্ণ কৰিব পৰা নাই। মোৰ সমষ্টিত এতিয়াও ২০১৬-১৭ চনৰে দলঙৰ কাম পৰি আছে, সম্পূৰ্ণ হোৱা নাই। যেতিয়া ঠিকাদাৰক সোধা হয় তেওঁলোকে বিভিন্ন অজুহাত দেখুৱায়। ফলিহামাৰিত ৰিশভ জৈন নামৰ contractor এজনে  কাম কৰি আছে, তেখেতে কিবা এটা অসুবিধা পোৱাৰ পিছতো মোক জনোৱা নাছিল।  মই নিজে ফোন কৰি সুধিব লগীয়া হৈছে যে যদি কিবা অসুবিধা হৈছে তেনেহ'লে মোক জনাওঁক, মই সহায় কৰিম। তাৰপিছতো তেখেতে কেৱল কৈ থাকে যে থলুৱা মানুহখিনিৰ অসুবিধা। মই তেওঁক এখন চিঠি লিখি দিবলৈ কৈছিলো কিন্তু আজিলৈকে দিয়া নাই। ইয়াৰ উপৰিও উত্তৰত লিখা হৈছে যে defective liability period ৰ মৰিগাঁৱত মাত্ৰ ১১ টা ৰাস্তা আছে। পাতেকীবৰি সত্ৰৰ পৰা গৰিয়াবৰিলৈ যিটো পথ আছে সেইটো এতিয়াও সম্পূৰ্ণ হোৱা নাই, সম্পূৰ্ণ হোৱাৰ পিছত আকৌ ভাঙি গ'ল, তাৰ মেৰামতি কৰা নহ'ল। মই contractor ক ফোন কৰোতে তেওঁ কাম নকৰো বুলি ক'লে। তাৰপিছত মই ইঞ্জিনিয়াৰ, SDO ক সেই বিষয়ে জনালো, এতিয়ালৈকে কোনো উত্তৰ পোৱা নাই। গতিকে মই মন্ত্ৰী ডাঙৰীয়াক ইয়াৰ ওপৰত বিহীত ব্যৱস্থা ল'বলৈ অনুৰোধ জনালো আৰু তাৰ লগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো অনুৰোধ জনাব বিচাৰিছো যে যেতিয়া ব্ৰীজবোৰ দিয়ে, ব্ৰীজবোৰ দিয়াৰ পিছত তাৰ approach বোৰ নাথাকে আৰু contractor বা engineer ক সেই বিষয়ে সুধিলে কয় যে estimate ত approach নাই। গোটেইবোৰ ব্ৰীজৰে একেই অৱস্থা। Approach নাই বাবে যান-বাহন যাব নোৱাৰে, মানুহে অ'ট লৈ

গ'লেও পৰি যায়। এইবোৰ সমস্যাৰ বিষয়ে জনাই মানুহে মোক ফোন, মেচেজ কৰি থাকে, কিন্তু মই তাৰ কোনো উত্তৰ দিব নোৱাৰো।

**মাননীয় অধ্যক্ষ :** Hon'ble Minister.

**শ্ৰী পীযুষ হাজৰিকা ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ) :** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য ডা: আছিফ  মহম্মদ নাঝাৰ ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি যদি লিখিত ভাৱে আমাক দিয়ে নিশ্চয়কৈ আমি তাৰ ওপৰত বিহীত ব্যৱস্থা ল'ম আৰু য'ত - য'ত কাম অসম্পূৰ্ণ হৈ আছে কেনেকৈ তাক সোনকালে সম্পূৰ্ণ কৰিব পাৰি আৰু যদি কোনোবা ঠিকাদাৰে গাফিলতি কৰিছে তেওঁৰ বিৰুদ্ধেও action লোৱা হ'ব।

**ডা: আছিফ মহম্মদ নাঝাৰ (লাহৰীঘাট) :** মন্ত্ৰী মহোদয়, approach বোৰ যে নবনাই .......

**শ্ৰী পীযুষ হাজৰিকা ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ) :** আপুনি গোটেইখিনি specifically লিখি আমাক দিয়ক, এটা নোট বনাই আমি নিশ্চয়কৈ এই বিষয়টোৰ ওপৰত ভালদৰে  চিন্তা-চৰ্চা কৰিম।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** ছাৰ, এটা protest কৰিব লগীয়া আছে। জনজাতীয় নেতা প্ৰণৱ দলে আৰু আদিত্য ৰাভাক গ্ৰেপ্তাৰ কৰা হৈছে। এইবোৰ বন্ধ হ'ব লাগে, তেওঁলোকক মুক্তি দিব লাগে। সেই কাৰণে মই প্ৰতিবাদ কৰিছো।

**মাননীয় অধ্যক্ষ :** এতিয়া Question Hour চলি আছে। আপুনি disturb নকৰিব।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) :** ছাৰ, আমাৰ সমষ্টিৰো প্ৰশ্ন আছে ........

................( সদনত হুলস্থূলীয়া পৰিৱেশ)..............

**মাননীয় অধ্যক্ষ :** Please, Question Hour ত disturb নকৰিব।

................( সদনত হুলস্থূলীয়া পৰিৱেশ)..............

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** ছাৰ, সদন ত্যাগ কৰিছো।

**মাননীয় অধ্যক্ষ :** Supplementary- Maheswar Baro.

**শ্ৰী মহেশ্বৰ বড়ো (ভেৰগাঁও) :** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰখনে যথেষ্টখিনি ৰাস্তা-দলং নিৰ্মাণৰ কাম কৰি আছে যিটো খুব প্ৰশংসনীয়। এতিয়া মোৰ প্ৰশ্নটো হ'ল যে- ১০-১৫ বছৰ আগতে 'প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা'ৰ অধীনত আমাৰ যিবোৰ ৰাস্তা নিৰ্মাণ কৰা হৈছিল এতিয়া সেইবোৰ ভাঙি চূৰমাৰ হৈ গৈছে, যাতায়াতৰ বাবে বৰ অসুবিধা। গতিকে এই ৰাস্তাবোৰৰ maintenance ৰ কাৰণে চৰকাৰে বিহীত ব্যৱস্থা ল'ব নেকি মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ :** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী,সংসদীয় পৰিক্ৰমা ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ যিখিনি বক্তব্য তাৰ ওপৰত আমি গুৰুত্বসহকাৰে কাম কৰিম। তেখেতকো মই এখন লিখিত আকাৰে দিবলৈ অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ :** এতিয়া দ্বিতীয় পৰিপূৰক প্ৰশ্ন। মাননীয় সদস্য আবুল কালাম ৰছিদ আলম ডাঙৰীয়াই ক'ব।

**শ্ৰী আবুল কালাম ৰছিদ আলম, বিধায়ক (পূব গোৱালপাৰা) :** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিতো মৰনৈ শিঙিমাৰী ব্ৰীজ, শিংৰামাৰী বালাপাৰা ব্ৰীজ, নয়াপাৰা বহুতী ব্ৰীজসমূহে ২০১৭-১৮ চনতে কাম পাইছে । কিন্তু এতিয়ালৈকে কামখিনি শেষ কৰিব নোৱাৰিলে । মাননীয় মুখ্যমন্ত্ৰী মহোদয় হয়তো ইয়াত আছে। মই ক'ব বিচাৰিছো যে গোৱালপাৰাৰ যিটো প্ৰৱেশ পথ, শ'লমাৰীৰ পৰা গোৱালপাৰালৈ অহা পথটো খুব জৰাজীৰ্ণ অৱস্থাত আছে। গতিকে সেইটো অসম মালাৰ আঁচনিত অন্তৰ্ভূক্ত কৰি four lane or two lane ৰ ব্যৱস্থা কৰিব নেকি ?

**মাননীয় অধ্যক্ষ :** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, সাংসদীয় পৰিক্ৰমা ইত্যাদি ):** মাননীয় অধ্যক্ষ মহোদয়, দলং সম্পৰ্কীয় যদি specific প্ৰশ্ন আনে, তেতিয়া আমাৰ ক'বলৈ অলপ সুবিধা হয়। মই বহুতো উত্তৰ আগতেও দিছো। আমি দেখিবলৈ পাওঁ যে ক'ৰবাত

ভূমি অধিগ্ৰহণৰ সমস্যা হয়, ক'ৰবাত alignment আদিৰ বিভিন্ন সমস্যা হয়। আমি যদি একেবাৰে কৈ দিওঁ যে ঠিকাদাৰজন বেয়া বা বিভাগে গুৰুত্ব দিয়া নাই, এনেকুৱা ধৰণৰ জেনেৰেল বাৰ্তা যাব নালাগে। এতিয়া মাননীয় সদস্য আচিফ মহম্মদ নাঝাৰ ডাঙৰীয়াইও specific প্ৰশ্ন অনা নাই। Specific প্ৰশ্ন আনিলে আমি খবৰ ল'ব পাৰো যে সেইখন ব্ৰীজৰ কাম কিয় হোৱা নাই ? ক'ৰবাত আমাৰ সমষ্টিতো এনেকুৱা সমস্যা হয়। কিছুমান ক্ষেত্ৰত ঠিকাদাৰে গাফিলতি কৰে। এইটো একেবাৰে ১০০ শতাংশই সত্য । কিন্তু সকলো ঠিকাদাৰে গাফিলতি নকৰে । মই আগতেও কৈছো যে কেতিয়াবা ভূমি অধিগ্ৰহণৰ সমস্যা হয় । কিছুমান ক্ষেত্ৰত কাৰিকৰী সমস্যাও দেখা যায় । ক'ৰবাত well এটা বহুৱাৰ পিছত সেইটো বেয়া হৈ যায়। এনেকুৱা ধৰণৰ বিভিন্ন সমস্যাৰ সৃষ্টি হয়। সেয়েহে specific প্ৰশ্ন আনিলে আমাৰ ক'বলৈ সুবিধা হয় । যিহেতু এই প্ৰশ্নকেইটাৰ specifically নাই। কোনোবাই যদি এখন নিৰ্দ্দিষ্ট ব্ৰীজ কিয় ইমান দিনলৈ হোৱা নাই এনেকুৱা ধৰণৰ specific প্ৰশ্ন আনে তেনে ক্ষেত্ৰত আমাৰ উত্তৰ দিবলৈ সুবিধা হয়। কোনোবাই যদি specifically কয় আমি নিশ্চয় এই দলং কেইখনৰ খবৰ লম আৰু চেষ্টা কৰিম। তেখেতে যিটো ৰাস্তাৰ কথা কৈছে, সেই ক্ষেত্ৰত মই পুনৰ কৈছো যে অসম মালাৰ ৰাস্তা যেতিয়া আমি কৰো তাৰ কিছুমান specification থাকে যে ৰাস্তাটোত যান-বাহন কিমান চলে, ৰাস্তাটোত ভূমি অধিগ্ৰহণ আছে নেকি ? আকৌ কৈছো আমি অসম মালাৰ-১ ত বাদ দি ভূমি অধিগ্ৰহণ কৰা নাই। ভূমি অধিগ্ৰহণ থাকিলে কৰিব পৰা নাযায়। গতিকে ভূমি অধিগ্ৰহণৰ সমস্যা যদি নাথাকে, তাত যদি adequate traffic থাকে তেন্তে পৰৱৰ্তী সময়ত আমি পৰ্য্যায়ক্ৰমে অসম মালাৰ কাম চলাই থাকিম। মই কেৱল গোৱালপাৰাৰ ক্ষেত্ৰত কোৱা নাই, মই সকলো সদস্যকে ক'বলৈ বিচাৰিছো যে য'ত গুৰুত্ব আছে আমি তাত অসম মালাৰ অধীনত কাম কৰি থাকিম । ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** পৰৱৰ্তী প্ৰশ্ন ১০৭। মাননীয় সদস্য প্ৰকাশ চন্দ্ৰ দাস।

**শ্ৰী বিশ্বজিৎ দৈমাৰী, ( মন্ত্ৰী, হস্ততাঁত বস্ত্ৰ আৰু ৰেচম ইত্যাদি ) :** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী প্ৰকাশ চন্দ্ৰ দাস, (হাজো-শুৱালকুছি) :** মাননীয় অধ্যক্ষ মহোদয়, শুৱালকুছিৰ পাট-মুগা বস্ত্ৰ শিল্প আমাৰ অসমৰ এটা স্বাভিমান আৰু এই পাট-মুগা বস্ত্ৰ শিল্পটো আৰু উন্নত পৰ্য্যায়লৈ নিয়াৰ বাবে যথেষ্ট কৰণীয় আছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৰাষ্ট্ৰীয় হস্ততাঁত উন্নয়নৰ অধীনত এটা মেগা ক্লাষ্টাৰ আঁচনি ৰূপায়ণ কৰিছে। ইয়াৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো। বৰ্তমান কেঁচা সূঁতাৰ দাম যথেষ্ট বৃদ্ধি হৈছে আৰু ইতিমধ্যে আমাৰ শিপিনী সকলে আৰ্টফেডৰ জৰিয়তে ২০ শতাংশ আৰু নেশ্যনেল হেণ্ডলুম ডেভলপমেণ্ট কৰ্পোৰেশ্যনৰ পৰা ১৫ শতাংশ ৰেহাই মূল্যত কেঁচা সূঁতাৰ যোগান ধৰা হৈছে। শিপিনী সকলক কিছু সকাহ দিয়াৰ বাবে এই ৰেহাই মূল্য ১৫ শতাংশ আৰু ২০ শতাংশ পৰা ৫০ শতাংশলৈ বৃদ্ধি কৰিব পাৰিব নেকি ? এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ :** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী বিশ্বজিৎ দৈমাৰী, ( মন্ত্ৰী, হস্ততাঁত বস্ত্ৰ আৰু ৰেচম ইত্যাদি ) :** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় সদস্যজনৰ উত্তৰটো দিবলৈ বিচাৰিছো। আমাৰ শুৱালকুছিত যি পাট-মুগাৰ শিপিনী আছে বা যিখিনি উৎপাদন হৈ আছে তাত সহায় আগবঢ়াবৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ উদ্যোগত ইতিমধ্যে ৰেহাই মূল্যত সূঁতাৰ ভঁড়াল কৰা হৈছে বুলি তেখেতে ইতিমধ্যে কৈছে। মাননীয় শিপিনী গৰাকীয়ে সূতাৰ মূল্য বহুখিনি বাঢ়ি যোৱাৰ বাবে আমাৰ সদস্য সকলৰ বিভিন্ন সমস্যাৰ সৃষ্টি হৈছে বুলি কৈছে। এই কথাটো একেবাৰে সত্য। সেইকাৰণে আমাৰ বিভাগৰ ফালৰ পৰা কেনেকৈ আমাৰ শিপিনীসকলক শ্ৰমৰ উচিত মূল্য দিব পৰা যায় তাৰ বাবে মুগাৰ উৎপাদন বঢ়োৱাৰ বাবে চিন্তা-চৰ্চ্চা কৰা হৈছে। মাননীয় সদস্য গৰাকীয়ে যিটো কথা

কৈছে সেইটো নহ'লেও অন্য দিশেৰে হ'লেও আমাৰ শিপিনীসকলক সহায় কৰিবৰ বাবে ব্যৱস্থা লম আৰু তেখেতে কোৱা কথাটো বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ :** এতিয়া পৰিপূৰক প্ৰশ্ন। মাননীয় সদস্য প্ৰকাশ চন্দ্ৰ দাস ডাঙৰীয়া।

**শ্ৰী প্ৰকাশ চন্দ্ৰ দাস, (হাজো-শুৱালকুছি) :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ জৰিয়তে মই জানিব বিচাৰিছো যে, শুৱালকুছিৰ পাট-মুগাৰ বস্ত্ৰ উদ্যোগটো যাৰ বিষয়ে মহামানৱ মহাত্মা গান্ধী ডাঙৰীয়াই তেখেতৰ ভ্ৰমণ কালত যথেষ্ট প্ৰশংসা কৰিছিল আৰু শুৱালকুছিৰ শিপিনীয়ে কাপোৰত সপোন ৰচিব পাৰে বুলি কৈছিল। কিন্তু বৰ্তমান এই উদ্যোগটোৰ বিশেষকৈ বহাগ মাহৰ পিছত প্ৰায় ছয় মাহ সময় শিপিনী সকলে যিখিনি কাপোৰ উৎপাদন কৰে, সেইখিনি বিক্ৰী কৰাত যথেষ্ট সমস্যা হয়। সেইখিনি সময়তে কিছুমান অসাধু ব্যৱসায়ীয়ে শিপিনীসকলৰ সেই উৎপাদিত বস্ত্ৰসমূহ অতি কম দামত ক্ৰয় কৰে বা শিপিনীসকলে বিক্ৰী কৰিবলৈ বাধ্য হয় আৰু অতি লোকচানৰ সন্মুখীন হয়। এই ক্ষেত্ৰত চৰকাৰীভাৱে এটা যদি বস্ত্ৰ বেংক মুকলি কৰি শিপিনী সকলৰ সেই বিপদৰ সময়ত সেই বস্ত্ৰসমূহ ক্ৰয় কৰি চৰকাৰীভাৱে যদি সেই বস্ত্ৰসমূহ বিক্ৰী কৰাৰ ব্যৱস্থা কৰে তেন্তে শিপিনীসকল নিশ্চিতভাৱে উপকৃত হ'ব। ইয়াৰ লগতে আৰু এটা সমস্যা হৈছে যে কিছু বহিঃৰাজ্যৰ অসাধু ব্যৱসায়ীয়ে এই শুৱালকুছিৰ মেখেলা চাদৰৰ হুবহু নকল কৰি বাহিৰত কাপোৰ প্ৰস্তুত কৰে অথচ সেইবোৰ ৰাজ্যত মেখেলা-চাদৰ কোনেও নিপিন্ধে। তথাপিও তাত শুৱালকুছিৰ মেখেলা-চাদৰৰ হুবহু নকল মেখেলা চাদৰ প্ৰস্তুত কৰি বজাৰত বিক্ৰী কৰে। যাৰ কাৰণে এই বস্ত্ৰ উদ্যোগটো যথেষ্ট ক্ষতিৰ সন্মুখীন হ'বলগীয়া হয় আৰু শিপিনীসকল ইয়াৰ ভুক্তভোগী হ'বলগীয়া হয়। সেয়েহে মই মাননীয় মন্ত্ৰী মহোদয়ৰ জৰিয়তে বিচাৰিছো যে, শুৱালকুছিৰ পাট-মুগাৰ মেখেলা-চাদৰৰ কাপোৰত GI Tag ৰ ব্যৱস্থা কৰি অসাধু ব্যৱসায়ীক ব্যৱসায় কৰাৰ পৰা ৰোধ কৰাৰ লগতে শুৱালকুছিৰ মেখেলা-চাদৰক Global Market লৈ যাব পৰা কৈ ইয়াৰ এটা সক্ৰিয়তা বজায় ৰখাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব

পৰাকৈ GI Tag ৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব নেকি ? এইখিনি কথা মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী বিশ্বজিৎ দৈমাৰী, ( মন্ত্ৰী, হস্ততাঁত বস্ত্ৰ আৰু ৰেচম ইত্যাদি ) :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱা গোটেই কথাখিনি আমি বিভাগীয়ভাৱে অৱগত আৰু ইয়াৰ ওপৰত আমি চৰ্চ্চা কৰি আছো  আৰু আগৰ পৰাই আমি এইখিনি কৰিবৰ বাবে যিমান পাৰো চেষ্টা কৰি আছো । আমাৰ শিপিনীসকল বৰ্তমান পাৰ্ট টাইম ধৰণৰ হৈ গ'ল । ইয়াৰ এটা কাৰণ হ'ল যে তেওঁলোক কেৱল কাপোৰ বৈয়েই চলিব নোৱাৰে। তাৰ কাৰণে তেওঁলোকে বেছি টকা পোৱা কামসমূহ কৰিব খুজে আৰু এটা হ'ল যে আমাৰ বজাৰত যিখিনি কাপোৰ আছে মুগা পাতৰে হওঁক বা অন্যান্য য়ে হওঁক সেইবোৰ আমি যেনেকৈ সাধৰণ ভাৱে সকলো ক্ষেত্ৰতে ব্যৱহাৰ কৰিব পাৰো, তেনেকুৱা ধৰণে আমি সেই পৰ্য্যায়লৈকে লৈ যাব পৰা নাই Production টো যে ডাঙৰ বজাৰটো পাবলৈ হ'লেও আমাৰ Production available হ'ব লাগিব। এটাটো হ'ল আমাক বিভিন্ন কামতো ব্যৱহাৰ যোগ্য হ'ব লাগিব কাপোৰ বিলাক। ইয়াৰ কাৰণে শুৱালকুছিত সেইবোৰৰ বাবে মানে ট্ৰেইনিংৰ ব্যৱস্থা আৰু আপোনাৰ সুতাৰ ভৰাল কৰি তাত কোৱালিটি থকা সুতা বিলাক মানে আপোনাৰ যোগান ধৰা, যাতে সুতাৰ কাৰণে আমাৰ উচিত মূল্য বোৱনি পাব পাৰে। কাৰণ যদি সুতাৰ quality ঠিক নহয় তেতিয়াহ'লে সেইটো মাৰ্কেটত দাম নাপায়। কিন্তু বোৱনি সকলৰ যিটো শ্ৰম, এই শ্ৰমটো মানে দামী সুতা আৰু কম দামী সুতা হ'লেও একেই হয়। তাৰ কাৰণে এই মূল্যবিলাকো আমি মূল্যাঙ্কন কৰি আছোঁ, কেনেকুৱা হ'লে তেওঁলোকক উচিত মূল্য দি আৰু বাকী আমি গ্ৰাহক বিলাকৰো পচন্দ হোৱাকৈ, সুবিধা হোৱাকৈ আমি কেনেকৈ কাম কৰিব পাৰোঁ, মেখেলা চাদৰৰ বজাৰ আমাৰ লিমিটেড কিন্তু মেখলা চাদৰৰ বাহিৰেও আমাৰ মানুহখিনি থান হিচাপে কাপোৰ কেনেকৈ বোৱাব পাৰোঁ, সেইখিনি আমি কৰিব লাগিব। তাৰ কাৰণে গোটেই ব্যৱস্থা শুৱালকুছিত মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ইনিচিয়েটিভত অলৰেডী মানে কৰা হৈছে।

কিন্তু আমি সেই লাইনটোত আমাৰ শিপিনী সকলকো উৎসাহিত কৰিব লাগিব। বাহিৰৰ পৰা যিখিনি কাপোৰ-কানি অনাৰ কথা কৈছে এইটো অসমৰ কাৰণে বহুত ভয়ানক এটা স্থিতি আনিছে, এই কথা আমি সকলোৱেই জানোঁ আৰু ইয়াৰ ওপৰত একছন টাইম টু টাইম লৈ থকা হৈছে কিন্তু তাত কিছু আমাৰ সুৰুঙা আছে। সুৰুঙাটো হ'ল যেতিয়া আইনগত ভাবে মানে সেইটো প্ৰমাণ দিব লাগে তেতিয়া হ'লে প্ৰমাণ দিবলৈ আমাৰ কিছুমান মানে টেষ্টিঙৰ প্ৰমাণপত্ৰৰ অসুবিধা হয়। চি এছ বিৰ লগত আমি চেন্ট্ৰেল ছিল্ক ব'ৰ্ডৰ লগত এতিয়া কমিউনিকেট কৰিছোঁ, যে তেওঁলোকে এটা চাৰ্টিফাইড কৰাৰ ব্যৱস্থাটো যিটো আগতে অলপ টেকনিকেল প্ৰব্লেম হৈছিলে, গতিকে সেইখিনি কেতিয়াবা ন্যায় সংগত ভাৱে আমি প্ৰমাণ কৰিবলগীয়া হয়। বাকী সেইখিনি কৰাৰ কাৰণে আমি ব্যৱস্থা লৈ থাকিম তথাপিও আৰু মই ভাবো সেইটো নিশ্চিতভাৱে আমি সফল হ'ব পাৰিম। গতিকে সন্মানীয় সদস্য ডাঙৰীয়াই যিখিনি কথা কৈছে তেওঁ স্থানীয় বিধায়কও হয়। তেখেতৰ লগত কথা পাতি যিখিনি ফিডবেক পাওঁ, সেইটোলৈ আমি শুৱালকুছিৰ বাবে ব্যৱস্থা লম।

**মাননীয় অধ্যক্ষ**ঃ ধন্যবাদ৷ পৰৱৰ্তী প্ৰশ্ন ১০৮ ওৱাজেদ আলী চৌধুৰী৷

**শ্ৰী পীযুষ হাজৰিকা,(মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে৷

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন কৰিছিলোঁ, তাৰ উত্তৰ আমি পাইছোঁ। বিশেষ সুধিবলগীয়া একো নাই। কিন্তু এইটোৱেই সুধিব বিচাৰিছোঁ যে আমাৰ বাতৰি কাকত বিলাকত যিটো বিজ্ঞাপন দিয়া হয়, সেই ক্ষেত্ৰত সকলোকে সমান ভাৱে দিয়া হয়? নে চাৰ্কুলাৰ ভিত্তিত দিয়া হয়?

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অলপ বস্তুটো জটিল। আমি যদি খুব বেছি strict কৰোঁ, তেতিয়া পেপাৰৰ মালিক বিলাকে বেয়া পাব। গতিকে আপুনি যদি কয় strict কৰিব লাগে, strict কৰি দিম। অধ্যক্ষ

ডাঙৰীয়া, আমাক যিয়ে কয় যে কিমান চাৰ্কুলেচন, আমি সাধাৰণতে অসমত কেইটামান ক্লাছ কৰি দিওঁ। কেইখনমান ৫খন, ৬খন ৭খন মই নাম নকওঁ তেওঁলোকে বেছি চলে বুলি সকলোৱে জানে, সকলোৱে তেওঁলোকক দাবীও কৰে। কেইটামান টি ভি ৰ টি আৰ পি থাকে অধ্যক্ষ ডাঙৰীয়া। যদি মাজে মাজে বন্ধ হৈ যায়, কিন্তু পেপাৰৰ যিটো এ বি চি কয়, সেইটোও কিমান প্ৰকৃতাৰ্থত সঁচা সেইটো মোৰো মই ৫ বছৰ ডি আই পি আৰ বিভাগৰ মন্ত্ৰী আছিলোঁ, কিন্তু বহুত strictly ফলো কৰা নাই অধ্যক্ষ ডাঙৰীয়া, সেইটো সঁচা কথা। যদি মাননীয় সদস্যগৰাকীয়ে কয় এই ক্ষেত্ৰত আমি strict হ'ব লাগে, strict হৈ যাম। তেতিয়া হয়তো আমি যেনেকৈ দি আছোঁ, তেনেকৈ নাপাব। আমি যদি একদম specifically এ বি চিৰ ওপৰত যাওঁ, পেপাৰৰ যি চাৰ্কুলেচনৰ ওপৰত যাওঁ। তেতিয়া হয়তো যোৱা ৫ বছৰত যেনেকৈ দিলে তেনেকৈ নাপাব। গতিকে মাননীয় সদস্যগৰাকীৰ পৰা মই পৰামৰ্শ বিচাৰিছোঁ। তেনেকৈ আমি খুব কঠোৰ হ'ব লাগিব, নে অলপ মাজে মাজে চলাই থাকিব লাগিব?

**মাননীয় অধ্যক্ষঃ** Supplementary.

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ভাবো এইটো টি আৰ পিৰ ভিত্তিত বিজ্ঞাপনখিনি দিলে ভাল হয় নেকি?

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, পেপাৰটো টি আৰ পি ত নহয়। পেপাৰটো এ বি চি হয়। টি আৰ পিটো টি ভিত হয়। অধ্যক্ষ ডাঙৰীয়া, তেখেত যিহেতু বিধানসভাৰ বিৰোধী দলৰ দলপতি তেখেতৰ কথাখিনি নিশ্চয়কৈ গুৰুত্ব দিম। আপুনি টি ভি ৰ ক্ষেত্ৰত টি আৰ পি কৈছে, সম্পূৰ্ণ মানিম আমি। মানি ল'লো। পেপাৰৰ ক্ষেত্ৰত কি ক'ব, আপোনাৰ পৰা পৰামৰ্শ বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** পেপাৰৰ ক্ষেত্ৰত কি, চাৰ্কুলেচনৰ আধাৰত হ'ব?

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাৰ্কুলেচনৰ আধাৰত দিলে ভাল হয়।

**শ্ৰী পীযুষ হাজৰিকা,মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, ঠিক আছে। যিহেতু তেখেত আকৌ কৈছোঁ বিৰোধী দলৰ দলপতি তেখেতৰ উপদেশটো আমি মানিম। আমি খুব strict হ'ম। চাৰ্কুলেচনৰ ওপৰত আমি নিশ্চয়কৈ গুৰুত্ব দিম আৰু ভৱিষ্যতে বিজ্ঞাপন দিম৷

**মাননীয় অধ্যক্ষঃ** এইখিনিতে মই চৰকাৰক এটা অনুৰোধ জনাব বিচাৰিছোঁ। বিভিন্ন জিলাৰ পৰা সাপ্তাহিক কাকতবোৰ ওলায় তাতো যাতে মাজে মাজে এড দিয়ে, নহলে কাৰণ অৰুণোদয়তো তেনেকৈ নোলাইছিলে সাপ্তাহিক সমূহতো তেনেকৈ নোলাই থাকে। সাপ্তাহিক বোৰতো যাতে এড দিয়ে।

**শ্ৰী পিযুষ হাজৰিকা,মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, যথেষ্টখিনি দিয়া হয়।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, ধন্যবাদ৷ পৰৱৰ্তী প্ৰশ্ন ১০৯, শ্ৰী অৰূপ কুমাৰ দে।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী অৰূপ কুমাৰ দে, (বিজনী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ পাইছোঁ আৰু উত্তৰ মই satisfied হৈছোঁ। ভাল লাগিছে উত্তৰটো পাই। মোৰ প্ৰশ্নটো আছিল যে, আমাৰ চৰকাৰৰ আগতে এটা সংকল্প লৈছিল প্ৰতিজ্ঞাবদ্ধ হৈছিল যে অসমৰ য'ত বিভিন্ন প্ৰান্তত বাহৰ দলং থাকিব সেই বাহৰ দলং পকীকৰণ কৰিব। সেইমতে আমাৰ সাধাৰণ ৰাইজৰ এই চৰকাৰৰ প্ৰতি এক বিৰাট আস্থা আৰু বিশ্বাস যে এই চৰকাৰৰ সময়ত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত গোটেই নতুন এক অসম গঢ়ি উঠিব। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দায়িত্ব লোৱাৰ পিছত কেৱল যাতায়াতৰ আন্তঃগাঁথনি উন্নয়ন হোৱা নাই, বহু বিভাগত উন্নয়ন হৈছে আৰু আগন্তুক দিনত বহু হ'ব। মোৰ যি কেইটা বাহৰ দলং বিজনী

সমষ্টিৰ সাধাৰণ ৰাইজে ভুগি আছে, মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম, সময় সাপেক্ষে পুঁজি সাপেক্ষে আৰু পৰিকল্পনাৰ আধাৰত এই বাহৰ দলং কেইটা sanction কৰি দি গ্ৰাম্য জীৱনত সাধাৰণ ৰাইজৰ potentiality ব্যৱস্থা কৰো মোৰ বিশ্বাস মোৰ আস্থা যে আমাৰ চৰকাৰৰ সময়ত বাহৰ দলং এনেই নাথাকে পকীকৰণ হ'ব। মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছে, মই বিচাৰিছিলোঁ যে কেইটা বাহৰ দলং এতিয়ালৈকে বিজনী বিধানসভা সমষ্টিত আছে। মন্ত্ৰী ডাঙৰীয়াই যি উত্তৰ দিছে I am fully satisfied and I once again request to our Hon'ble Minister that as per his convenience budget সময়মতে যাতে sanction কৰি দিয়ে আৰু বিজনী বাসী ৰাইজৰ মুখত এক হাঁহিৰ জিলিঙনি আনে। ধন্যবাদ।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বাহৰ দলংৰ ক্ষেত্ৰত অকণমান আমাৰ ডিপাৰ্টমেণ্টৰ second thought আছে। অধ্যক্ষ ডাঙৰীয়া, সাধাৰণতে অসমত এতিয়া কাঠৰ দলং একেবাৰে কম। কৰবাত এখন দুখন আছে নেকি, মেক্সিমাম নাই। কব গলে আমি যোৱা ১০ বছৰত এখন এখন কাঠৰ দলং পকীকৰণ কৰিছোঁ। তাৰ মাজেতে অধ্যক্ষ ডাঙৰীয়া তেখেতৰ সমষ্টিত যথেষ্ট বাহৰ দলং আছে। কিন্তু বাহৰ দলংৰ এটা অধ্যক্ষ ডাঙৰীয়া দুবিধা আছে। কিয় অধ্যক্ষ ডাঙৰীয়া আমি কি কৰোঁ সাধাৰণতে কি দেখো আধা কিলোমিটাৰ দূৰত এখন দলং আছে কংক্ৰিট দলং আছে বা এক কিলোমিটাৰ দূৰত এখন দলং আছে। এক কিলোমিটাৰ দূৰলৈকে মানুহ নাযায়। গতিকে ঘৰৰ সন্মুখত স্থানীয় ৰাইজে সেইখিনি কাৰণ স্থানীয় ৰাইজে এখন বাহৰ দলং দি লয়। কিন্তু অধ্যক্ষ ডাঙৰীয়া তেনেকৈ প্ৰত্যেকখন বাহৰ দলংক আমি পকীকৰণ কৰিব নোৱাৰোঁ। আপুনি অধ্যক্ষ ডাঙৰীয়া কথাটো চাগে ধৰিব পাৰিছে কি কৈছোঁ। তাৰমানে আমি ৩০০ মিটাৰ, ৪০০ মিটাৰ দূৰত এখন দলং আছে তালৈকে আমি নাযাও। মোৰ ঘৰৰ সন্মুখত আমি আমাৰ গাঁৱৰ মানুহ কেইজনে মিলি এখন বাহৰ দলং দি ল'লো। গতিকে বাহৰ দলংৰ importance টো কিমান অকমান চিন্তা কৰিবলগীয়া বিষয় অধ্যক্ষ ডাঙৰীয়া। কিন্তু তেখেতৰ তাতে আমি নিশ্চয়কৈ চিন্তা কৰিম যদি বাহৰ দলং কমাব পাৰি, কিন্তু বাহৰ দলং শেষ কৰিব

নোৱাৰোঁ অধ্যক্ষ ডাঙৰীয়া। কাৰণ বাহৰ দলং নিজে নিজে কৰিলে মই ২ কিলোমিটাৰলৈ নাযাওঁ, মই ১ কিলোমিটাৰলৈ নাযাওঁ, মই আধা কিলোমিটাৰ খোজ কাঢ়ি কিয় যাম? গতিকে একেদিনাই বাহৰ দলংৰ সেইফালে পাৰ হৈ যাম। কিন্তু তথাপিও অধ্যক্ষ ডাঙৰীয়া মাননীয় সদস্য গৰাকীয়ে যি প্ৰশ্নৰ অৱতাৰণা কৰিছে তেখেতৰ সমষ্টিত পকী দলং বনাই বাহৰ দলং কৰিব পাৰে নেকি আমি চেষ্টা চলাম। কিন্তু আকৌ কৈছোঁ বাহৰ দলং আমিটো বেন কৰিব নোৱাৰোঁ, বাহৰ দলং নিজে নিজে বনাই লয়। গতিকে বাহৰ দলং নিজে বনালে তাতে কিমান দলংৰ প্ৰয়োজনীয়তা আছে সেই বিষয়ে আমি অকমান চিন্তা চৰ্চা কৰিব লাগিব।

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰশ্ন নং ১১০। মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মাজিয়াত ৰখা হৈছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰটো মই পাইছো আৰু উত্তৰটোক লৈ মই সন্তুষ্ট। কিন্তু মোৰ প্ৰথম প্ৰশ্ন যিটো আছিলে, অসম-নাগালেণ্ডৰ সীমান্তক লৈ, মৰিয়নী সমষ্টিৰ অন্তৰ্গত Ramkham আৰু Mogroi ত, temporary BOP থকা বুলি চৰকাৰ অৱগত বুলি কৈছে আৰু বিহিত ব্যৱস্থাও লৈছে। মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ জনাওঁ। তেখেতে BOP ৰ ক্ষেত্ৰত তৎপৰতা ল'লে। মোৰ প্ৰশ্ন হ'ল যে, অসম-অৰুণাচলৰ সীমা সমস্যা যেনেতেনে নিষ্পত্তি কৰাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেবিনেট কমিটি গঠন কৰিও আজি এটা শান্তিৰ পৰিৱেশ অনাৰ ক্ষেত্ৰত এটা উদ্যোগ ল'লে, অসম-নাগালেণ্ডৰ ক্ষেত্ৰতো উদ্যোগ লোৱাৰ বিবেচনা কৰিছে নেকি ? লগতে মোৰ আৰু এটা প্ৰশ্ন যে Ramkham ৰ BOP ইয়াত permanently বনালে বুলি কৈছে, কিন্তু বনোৱা নাই। মই কেইদিনমান আগত তাত চাই আহিছো সেই কাৰণে আজি প্ৰশ্নটো উত্থাপন কৰিলো। এইটো বনোৱা বুলি তথ্য কেনেকৈ দিলে ? সেইটো মই ধৰিব পৰা নাই। কিন্তু মই অনুৰোধ জনাইছো যাতে সেই temporary

BOP কেইটা permanent BOP লৈ কেতিয়া ৰূপান্তৰিত কৰিব বা কেতিয়া ব্যৱস্থা গ্ৰহণ কৰিব ?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ এটা ব্যক্তিগত চিন্তা ধাৰা, মই চৰকাৰৰ ফালৰ পৰা কোৱা নাই ব্যক্তিগতভাৱেহে কৈছো । গতিকে যদি কিবা ভুল হয় মই আগতীয়াকৈ ক্ষমা বিচাৰিছো । মাননীয় অধ্যক্ষ মহোদয়, আমি বিধানসভাত এনেকুৱা কিছুমান আলোচনা কৰো, যেনে- ভাৰত, অসম -নাগালেণ্ডৰ সীমাৰ কাজিয়াৰ কথা আৰু কেতিয়াবা এনেকুৱা লাগে যেন ভাৰত পাকিস্তানৰ যুদ্ধ লাগি থকাৰ কথাহে যেন আলোচনা কৰি আছোঁ। অসম আৰু নাগালেণ্ড ভাৰতৰ অংগ ৰাজ্য । সেইয়েহে আমি বহু কথা কওঁতে আৰু আলোচনা কৰোতে ভাৰি চিন্তা কৰিব লাগে বুলি মই অনুভৱ কৰো । কেইদিন মানৰ আগতে এগৰাকী সন্মানীয় সদস্যই কৈছিল যে নগাই আহি আমুক তামুকে কৰিলে । মই তেতিয়া কৈছিলো যে নগা শব্দটো ক'লে বেয়া, কেইজন মান নগা দুৰ্বৃত্তয় কৰিছে । মাননীয় অধ্যক্ষ মহোদয়, আমি যদি সদায় অসম আৰু নাগালেণ্ডৰ কাজিয়া কথা আলোচনা কৰো তেতিয়া তাতেও মানুহখিনিয়ে আমাক বেয়া পায় আৰু আমাৰো মানুহখিনিয়ে তেওঁলোকক বেয়া পায় এনেকুৱা এটা পৰিৱেশ সৃষ্ট হয়। গতিকে খুব চিন্তা কৰি আমি এই বিষয়টোত আগবাঢ়িছো । মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত আলাপ আলোচনাৰে বিভিন্ন সময়ত কাম কৰা আমি দেখিছো আৰু পৰৱৰ্তী সময়টো কৰি থকা যাব । আকৌ কৈছো নাগালেণ্ড ভাৰতৰ অংগ ৰাজ্য আৰু অসম ভাৰতৰ অংগ ৰাজ্য । গতিকে বহু বেছি কাজিয়া পেচাল কৰি এই সমস্য আমি সমাধান কৰিব নোৱাৰো। কিন্তু এটা কথা নিশ্চয়কৈ ক'ম যে অসমৰ মাটি কোনেও ল'ব নোৱাৰে, এই ক্ষেত্ৰত অসম চৰকাৰ দৃঢ় । মাননীয় সদস্যই যি কেইটা BOPৰ কথা কৈছে সেই কেইটা BOP আমি পৰৱৰ্তী সময়ত যিমান পাৰো সোনকালে বনাব'লে চেষ্টা কৰিম।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নীঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় আৰু শেষ supplementary হ'ল যে Ramkham ৰ যিটো BOP , সেই BOP টোত ২০১৪-১৫ বৰ্ষত এটা ঘটনাৰ পৰিপেক্ষিতত সেই সময়ত স্থানীয় চাহ বাগানৰ শ্ৰমিকৰ এটা পৰিয়ালক আমি অনুৰোধ জনাই temporary কৈ BOPটো স্থাপন কৰিছিলো যদিও ceiling surplus মাটি আছিল। সেই পৰিয়ালটোৰ মানুহ এতিয়া অসুখত পৰিছে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যাতে এই BOP য'ত বৰ্তমান স্থাপনৰ কাম চলি আছে, তাতে তেওঁক যাতে কিবা ক্ষতিপূৰণ চৰকাৰৰ ফালৰ পৰা দিয়া হয় এইটোৰ ওপৰত কিবা বিবেচনা কৰিব নেকি ?

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীৰ লগত আলোচনা কৰি এটা উচিত সিদ্ধান্ত ল'ম।

**মাননীয় অধ্যক্ষঃ** পৰৱৰ্তী প্ৰশ্ন নং ১১১। জাকাৰিয়া আহমেদ।

**(মাননীয় সদস্য জাকাৰিয়া আহমেদ ডাঙৰীয়া সদনত অনুপস্থিত থাকে )**

**মাননীয় অধ্যক্ষঃ** পৰৱৰ্তী প্ৰশ্ন নং ১১২। শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰী ৰামেশ্বৰ তেলী, ( মন্ত্ৰী, চাহ জনজাতি আৰু আদিবাসী কল্যাণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মাজিয়া দাখিল কৰা হৈছে।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, সোণাৰিঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ক মই অৱগত কৰিব বিচাৰিছো আৰু তেখেতৰ পৰা জানিব বিচাৰিছো যে, আমাৰ সোণাৰি সমষ্টিত বহু কেইখন সৰু-ডাঙৰ চাহ বাগিছা আছে। গতিকে এই চাহ বাগিছা সমূহত জনজাতি আৰু আদিবাসী লোক সকলৰৰ কাৰণে আৰ্থ সামাজিকভাৱে যিখিনি কাম কৰিছে আমাৰ বিগত চৰকাৰখনৰ মাননীয় মুখ্যন্ত্ৰী মহোদয়ৰ নেতৃত্বত বহুখিনি শৈক্ষিক দিশত কাম কৰিছে। যেনে শিক্ষা বৃত্তি, দক্ষতা বিকাশ, স্ব-

নিয়োজন, গৃহ নিৰ্মাণ, স্বাস্থ্য সেৱা বাগিছা লাইনৰ পথ নিৰ্মাণ, বিশুদ্ধ খোৱা পানীকে ধৰি বহুখিনি কাম কৰা হৈছে। যিখিনি সময়ৰ তুলনাত যথেষ্টখিনি যে হ'ল এইখিনি সকলোৱে স্বীকাৰ কৰিব। কিন্তু তাৰ মাজতো আৰু কিছুমান কাম কৰিবলগীয়া আছিল, যিবিলাক কামে সামূহিক ভৱন নিৰ্মাণকে ধৰি আৰু ভালেখিনি কাম কৰিবলগীয়া আছে , যেনে- শিক্ষাৰ ক্ষেত্ৰত, নিবনুৱা যুৱক - যুৱতী সকলক কেনেধৰণে কৰ্ম সংস্থাপন দিব পাৰি বিশেষকৈ আদিবাসী আৰু চাহ জনগোষ্ঠী যুৱক-যুৱতী সকলক । এই ক্ষেত্ৰত আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ে তেওঁলোকৰ শৈক্ষিক দিশৰ প্ৰয়োজনসমূহ পূৰণ কৰাৰ বাবে কিবা পদক্ষেপ লৈছে নেকি ? তাত বহুখিনি চাহ বাগান থকাৰ কাৰণে তাত আমাৰ মহাপ্ৰভু জগন্নাথ মন্দিৰ কিছুমান নিৰ্মাণ কৰিবলগীয়া আছে বহুকেইখন বাগানত। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এইখিনি দিব পৰা ব্যৱস্থা আছে নেকি ?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী please reply.

**শ্ৰী ৰামেশ্বৰ তেলী, (মন্ত্ৰী, চাহ জনজাতি আৰু আদিবাসী কল্যাণ ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়াই তিনিটা প্ৰশ্ন কৰিছিল, তাৰ বিতং তথ্য ইতিমধ্যে দাখিল কৰা হৈছে আৰু তেখেতে সুধিছে যে তেওঁৰ সমষ্টি সোণাৰিত সৰু-বৰ চাহ বাগিচা কেইখন আছে আৰু আমি ইতিমধ্যে কৈছো যে এই বিভাগটো চাহ জনজাতি আদিবাসী বিভাগত নপৰে, তথাপিও মই ক'ব বিচাৰিছোঁ যে ৪৮ খন সৰু-বৰ চাহ বাগিচা আছে তেওঁৰ সমষ্টিত । তেখেতে কৈছে যে চাহ জনগোষ্ঠী বা আদিবাসীসকলৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে বহুত কাম কৰিছে এই চৰকাৰখনে। হয়, এইটো স্বীকাৰ কৰিবই লাগিব । ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া মুখ্যমন্ত্ৰী হোৱাৰ পিছত, চাহ জনজাতি আদিবাসীসকলৰ কাৰণে যথেষ্ট আঁচনি লৈছে আৰু উন্নয়নমূলক কামবিলাক কৰি থকা হৈছে। ইতিমধ্যে মই কৈছোঁ যে চাহ জনজাতি আদিবাসীসকলৰ বহুত কেইটা আঁচনি ইতিমধ্যে চলি আছে। সেই আঁচনিৰ যোগেদি ইতিমধ্যে আমাৰ চাহ জনগোষ্ঠী বা আদিবাসীসকল উপকৃত হৈছে। মই ইতিমধ্যে কৈছো যে চাহ

জনজাতি আদিবাসীসকলৰ বাবে সোণাৰি সমষ্টিত সামাজিক, শৈক্ষিক আৰু আৰ্থিক উন্নয়নৰ বাবে বিগত তিনিটা বৰ্ষত ৰূপায়ণ কৰা আঁচনিসমূহ ইতিমধ্যে তেখেতক মই দাখিল কৰিছোঁ। তথাপিও মই এই সদনত ক'ব  বিচাৰিছো যে প্ৰাক-পৰীক্ষা জলপানী আমি দিওঁ, চাইমন সিংহৰ' পৰীক্ষোত্তৰ ছাত্ৰ-ছাত্ৰীসকলক বিশেষ জলপানী দিওঁ, পৰীক্ষোত্তৰ জলপানী দিয়া হয়, উচ্চ শিক্ষাৰ বাবে আৰ্থিক অনুদান দিয়া হয়, ANM, GNM নাৰ্ছ কাৰিকৰী শিক্ষাৰ বিষয়ত বিত্ত অনুদান দিওঁ, শ্বহীদ দয়াল দাস পানিকা স্ব-নিয়োজন আঁচনিৰ যোগেদি আমি সহায় আগবঢ়াও, মহিলা আত্মসহায়ক গোট লৈ আৰ্থিক অনুদান আগবঢ়োৱা হয়। আমি UPSC, APSC ৰ দ্বাৰা অনুষ্ঠিত অসামৰিক সেৱাৰ প্ৰাথমিক পৰীক্ষা উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক আৰ্থিক অনুদান আগবঢ়াওঁ । যক্ষমা, কৰ্কট আৰু অন্যান্য প্ৰধান ৰোগৰ আক্ৰান্ত ৰোগীসকলক আৰ্থিক অনুদান আগবঢ়োৱা হয়। মহাপ্ৰভু জগন্নাথ কমিউনিটি হ'ল এণ্ড স্কিল চেন্টাৰ ইতিমধ্যে বনোৱা হৈছে। তেখেতৰ সমষ্টিত মহাপ্ৰভু জগন্নাথৰ স্কিল ডেভেলপমেন্ট চেন্টাৰৰ ইতিমধ্যে কামবিলাক চলি আছে আৰু কেইটামান চেন্টাৰ ইতিমধ্যে সম্পূৰ্ণ হৈছে। এই সম্পূৰ্ণ হোৱা চেন্টাৰবিলাকত আমাৰ বিধায়ক তাৰ Chairman হ'ব লাগে আৰু মই অনুৰোধ জনাইছোঁ তেখেতক, তেওঁৰ তাত সম্পূৰ্ণ  হৈ যোৱা মহাপ্ৰভু জগন্নাথ স্কিল চেন্টাৰৰ কমিটিবিলাক অতি সোনকালে বনায়, তাৰ কাৰণে মই বিশেষভাৱে তেওঁক আহ্বান জনাইছোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** পৰৱৰ্তী প্ৰশ্ন নং ১১৩। শ্ৰী মহিবুৰ ৰহমান।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী মহিবুৰ ৰহমান, ( মানকাচৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰখিনি পালো আৰু প্ৰায় সন্তুষ্ট। কিন্তু অত্যন্ত দুখেৰে ক'বলগীয়া হৈছে যিহেতু মানকাচৰ বাংলাদেশ ব'ৰ্ডাৰত পৰে য'ত এফালে বাংলাদেশ আৰু আনফালে মেঘালয় পৰে। ইতিমধ্যে আপোনালোকে জানে যে এতিয়ালৈকে আমাৰ কিছু ঠাই উন্মুক্ত হৈ আছে,  বাংলাদেশ ব'ৰ্ডাৰৰ নদীৰ মাজত যিখিনি আছে। এইফালে

মেঘালয়ৰ ফালেদিও বাংলাদেশৰ পৰা আহিব পৰা কিছু উন্মুক্ত area আছে। গতিকে দেখা গৈছে যে ম্যানমাৰৰ পৰা যিটো route আৰম্ভ হৈছে ড্ৰাগছ ট্ৰেফিকিঙৰ, সেইটো এটা hotspot বা end-point আমাৰ মানকাচৰ হয়। আজিৰ দিনত  মানকাছাৰৰ অৱস্থা খুৱেই বেয়া। **Drugs related issue** বহু বেছি। মন্ত্ৰী মহোদয়ে  ষ্টেপ্‌চ লৈছো বুলি   কৈছে। ২০২১ চনৰ ১০ ডিচেম্বৰত **Drugs free Assam** নামৰ এটা **App** উন্মোচন কৰা হৈছে। কিন্তু যদি আমি চাওঁ ৫৮৫  কমপ্লেইন দাখিল হৈছে গোটেই অসমত  আৰু অকল ৩০ জন মানুহক এৰেষ্ট কৰা হৈছিল। গতিকে অধ্যক্ষ মহোদয়, যিখিনি ব্যৱস্থা লোৱা হৈছে এৱাৰ**নে**চ আৰু কন্ট্ৰ'লৰ ক্ষেত্ৰত ,  সেইখিনি মোৰ বোধেৰে চাফিচিয়েন্ট নহয়। অকল পুলিছৰ ওপৰত আমি ভৰষা কৰি থাকিব নোৱাৰো। অন্তত মানকাছাৰত মই বিচাৰিম যে, **Narcotics Control Bureau** এটা  **স্পে**চিয়েল চেটআপ থাকিব লাগে। পুলিচৰ কামত যদি আমি সন্তুষ্ট নহওঁ কাৰ তাত আমি যাব লাগে সেইটো মন্ত্ৰী মহোদয়ে জনালে ভাল পাম।

**মাননীয় অধ্যক্ষ** ঃ মিনিষ্টাৰ প্লি**জ...**।

**শ্ৰীপীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, ,সংসদীয় পৰিক্ৰমা বিভাগ ইত্যাদি** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰখনে ড্ৰাগছৰ বিৰুদ্ধে অতি কঠোৰ আৰু দৃঢ় ব্যৱস্থা হাতত লৈছে। অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কেইদিনমান আগতে  ৩০১ত অনা এটা প্ৰশ্নৰ উত্তৰত গোটেইখিনি কথা কৈছিলো। আমি ২০২১ চনত  ২০৭৭ টা কেচ ৰেজিষ্টাৰ কৰিছো। ২০২২ চনত অধ্যক্ষ মহোদয়, ৪৬৯১ জন মানুহ আমি এৰেষ্ট কৰিছিলো। অধ্যক্ষ মহোদয়, ২০২৫ চনত এই সংখ্যা বহু বাঢ়ি গ'ল - ৩৩৩৩ টা কেচ ৰেজিষ্টাৰ  কৰা হৈছে। অধ্যক্ষ মহোদয় – **persons arrest in 2022 to 2025 – 4901**জন,  অধ্যক্ষ মহোদয়, সদিচ্ছা অত্যন্ত বেছি থকা কাৰণেই আজিৰ পৰা ১০-১২-১৫ বছৰ আগতে যিমান কেচ ৰেজিষ্টাৰ হৈছে এতিয়া চাৰ ১০-১২ গুন **বেছি** কেচ ৰেজিষ্টাৰ হৈছে অধ্যক্ষ মহোদয় , মোৰ হাতত ডিটেইলচ আছে। সেইদিনাখন কোৱা বাবে আজি

ডিটেইলচত যাব বিচৰা নাই। কিন্তু মই কওঁ যে, মুখ্যমন্ত্ৰী মহোদয়ৰ সদিচ্ছা থকাৰ বাবেই ২০১১-১২-১৩-১৪-১৫-১৬-১৭-১৮ এই বছৰবিলাকতকৈ ২০২১ চনৰ পৰা কেচ ৰেজিষ্টাৰৰ সংখ্যাটো এনে হাৰত বৃদ্ধি হৈছে। পাৰ্চন এৰেষ্টও এনেকুৱা হাৰত বৃদ্ধি হৈছে অধ্যক্ষ ডাঙৰীয়া আৰু যিমান চীজ হৈছে সেই সংখ্যাও বহুগুন বৃদ্ধি হৈছে। মাননীয় সদস্যগৰাকীয়ে বিচাৰিলে মই ক'ম। অধ্যক্ষ মহোদয়, মুঠৰ ওপৰত অতি কঠোৰ ব্যৱস্থা হাতত লোৱা হৈছে। অধ্যক্ষ মহোদয় আজিৰ পৰা ১০ বছৰ আগতে অসমত হেৰোইন এক কে.জি এভাৰেজত বছৰি চীজ হৈছিলে। কিন্তু যোৱা ৫ বছৰত আমি ১০০ কে.জি এভাৰেজত চীজ কৰিছো। এইক্ষেত্ৰত আমি অতি কঠোৰ হৈছো। মাননীয় সদস্যগৰাকীয়ে যিটো কৈছে- মানকাছাৰ যিহেতু বাংলাদেশ বৰ্ডাৰ সংলগ্ন। এইফালৰ পৰা বাংলাদেশলৈ ড্ৰাগছ সৰবৰাহ কৰাৰ খবৰ আমাৰ হাতত বহু বেছি। ম্যানমাৰৰ পৰা ড্ৰাগছ আহে – বৰাকভেলী হৈয়ো বাংলাদেশলৈ ড্ৰাগছ যোৱাৰ খবৰ আমি প্ৰায় পাই থাকো। অসমত যিমান ড্ৰাগছ চীজ হয়, সকলোতকৈ বেছি বৰাক উপত্যকাৰ ৩ খন জিলাত ড্ৰাগছ চীজ হয়। ড্ৰাগছ সৰবৰাহকাৰীৰ বাবে বাংলাদেশ এতিয়া গোল্ডেন পইন্ট হৈছে। মানকাছাৰ জিলা বাংলাদেশৰ সীমান্তত অৱস্থিত গতিকে ড্ৰাগছৰ ক্ষেত্ৰত আমি আৰু অধিক কঠোৰ হ'ব লাগিব। অধ্যক্ষ মহোদয়, যোৱাকালি মুখ্যমন্ত্ৰী মহোদয়ে প্ৰায় ৪৫০-৫০০ কোটি টকাৰ ড্ৰাগছ ধ্বংস কৰিছে। মই আকৌ কৈছো ড্ৰাগছৰ ক্ষেত্ৰত আমি কঠোৰ, আৰু কঠোৰ হ'বলৈ আমি প্ৰয়াস কৰিম।

**মঃমহিবুৰ ৰহমান, মানকাছাৰ** ঃমোৰ আৰু এটা প্ৰশ্ন আছিল অধ্যক্ষ মহোদয়। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ যে এই ক্ষেত্ৰত সদিচ্ছা আছে তাত মোৰ কোনো সন্দেহ নাই। মই কেৱল কৈছো যে, মানকাছাৰৰ ওপৰত অলপ বিশেষভাৱে চকু দিব লাগে। দ্বিতীয় কথা হ'ল - যিটো ' চৰকাৰী নিচামুক্তি কেন্দ্ৰ' প্ৰতিখন জিলাত থাকিব লাগে বুলি মই জ্ঞাত কিন্তু মানকাছাৰত পাৰ্মানেন্ট নিচা মুক্তি কেন্দ্ৰৰ কোনো ষ্ট্ৰাকচাৰ নাই। এতিয়া ভাড়াঘৰত চলি আছে আৰু কেৱল ১৫ টা চীট আছে। গতিকে কেপাচিটি বা চীটৰ সংখ্যা বঢ়াব লাগে, লগতে

পাৰ্মানেন্ট ষ্ট্ৰাকচাৰ বনোৱাৰ চৰকাৰৰ কিবা প্লেন আছে নেকি সেইটো জানিব বিচাৰিছো।

**শ্ৰীপীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, ,সংসদীয় পৰিক্ৰমা বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, নিচা মুক্তি কেন্দ্ৰ ভাৰত চৰকাৰৰ **Social Justice Department** ৰ আওতাৰত পৰ্য্যায়ক্ৰমে  কৰা হয় । পৰৱৰ্ত্তী সময়ত আমি মানকাছাৰত কৰিবলৈ চেষ্টা কৰিম । অধ্যক্ষ মহোদয় যোৱাকালি ৩ টা ড্ৰাগ পেডলাৰ বৰ্ণিহাটত ধৰা হৈছে। এইক্ষেত্ৰত আমি কোনোধৰণৰ কম্প্ৰ'মাইচ কৰা নাই  আৰু ভবিষ্যতেও   নকৰো।

**মাননীয়  অধ্যক্ষ ঃ** প্ৰশ্ন নং- ১১৪ তাঞ্জিল হুছেইন,.. অনুপস্থিত , প্ৰশ্ন নং-১১৫ সুৰেণ ফুকন  .... অনুপস্থিত। পৰৱৰ্তী প্ৰশ্ন নং ১১৬ –বিকন চন্দ্ৰ ডেকা।

**শ্ৰীবিকন চন্দ্ৰ ডেকা, টংলা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ প্ৰশ্নৰ উত্তৰ পাইছো। কিন্তু মই আপোনাৰ জৰিয়তে অনুৰোধ জনাব বিচাৰিছো যে, মঙ্গলদৈ-ভূটীয়াচাং ৰোডটোক আমি এম- ভি ৰোড বুলি কওঁ – এইটো মোৰ টংলা সমষ্টিৰ হাৰ্টলাইন। তাত প্ৰায় -১২ খনমান চাহ বাগিছা আছে।  সেই বাগিছাৰ চাহপাত সেই ৰাস্তাটোৰে আহে গতিকে আমি সেই ৰাস্তাটো**ৰ** উন্নয়**ন** হোৱাটো বিচাৰো। বৰ্তমান পানেৰীৰ পৰা খামৰাঙলৈ যোৱা পথছোৱা এতিয়া নেশ্যনেল হাইৱে হ'ল। এই ৰাস্তাটো পানেৰীলৈকেহে মেৰামতি হৈছে। বাকী পথছোৱা নোহোৱা বাবে মই নিজে নেশ্যনেল হাইৱে অথ'ৰিটিক কনটেক্ট কৰাত ক'লে যে এইখিনি কাম হ'বলৈ প্ৰায় ৩ বছৰ সময় লাগিব। ডিপিআৰ বনোৱাৰ লগতে আন আন কাম আছে গতিকে মই অধ্যক্ষ মহোদয়, অনুৰোধ জনাও যে চৰ্ট টাৰ্ম মেইনটেন্সৰ কাৰণে কিবা এটা ব্যৱস্থা কৰি দিয়ে যাতে আমাৰ যাতায়ত সূচল হৈ থাকে , দ্বিতীয়তে আমাৰ যিখন কুলসী দলং আছিল সেইখন ৪০ বছৰ আগতেই বানপানীত উটি গ'ল। এতিয়া নদীত বানপানী নাহে কিন্তু সেই দলংখন আজিও হোৱা নাই। এই দলঙখেন ঘাগ্ৰা আৰু হাতীগড়  সেনা বিগ্ৰেড সংযোগী  পথত লগ হৈছেগৈ গতিকে সেই দলংখন হোৱাটো আমি বিচাৰিছো।

**माननीय अध्यक्ष** ः  मिनिष्टाৰ ৰিপ্লাই প্লিজ..।

**শ্ৰীপীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, ,সংসদীয় পৰিক্ৰমা বিভাগ ইত্যাদিঃ** অধ্যক্ষ মহোদয়, প্ৰথমে এটা কথা কৈ লওঁ যে, আজি ৪-৫ গৰাকী সদস্যই সদনত প্ৰশ্ন আনিছে কিন্তু তেওলোক অনুপস্থিত। এই বিষয়েটা যোৱাকালি আমি প্ৰায় ডেৰ ঘন্টা আলোচনা কৰিছো। আজিও ৪৫ মিনিটমান স**ম**য় আলোচনা কৰা হৈছে। যদি তেওলোক অনুপস্থিত থাকে তেন্তে প্ৰশ্ন কিয় আনে ? অধ্যক্ষ মহোদয় এনেকুৱা কৰিলো আমাৰ অসুবিধা হয় গতিকে আপুনি অলপ কঠোৰ হ'লে ভাল হয়। আজি বহু সন্মানীয় বিধায়ক সদনত উপস্থিত নাই। যি হওক অধ্যক্ষ মহোদয়, মাননীয় সদস্য বিকন চন্দ্ৰ ডেকা ডাঙৰীয়াই , যিকেইটা ৰাস্তাৰ কথা কৈছে, আমি সেই কেইটা ৰাস্তা পৰ্য্যায়ক্ৰমে কৰিবলৈ চেষ্টা কৰি আছো। ওদালগুৰি – গুৱাহাটী পথ আজিৰ তাৰিখত বহু সুচল- আগৰ পৰিবেশ নাই – মই বহুদিন ওদালগুৰি জিলাৰ প্ৰশাসনীয় অভিভাৱক মন্ত্ৰী আছিলো , প্ৰায়েই সেইফালে অহা যোৱা কৰিছিলো। ১০-১৫ বছৰ আগতে যেনেকুৱা আছিল এতিয়া সেই পৰিবেশ সম্পূৰ্ণ বেলেগ সেইফালে গ'লেই ভাল লাগে। মাননীয় সদস্যগৰাকীয়ে কেইটামান গুৰুত্বপূৰ্ণ ৰাস্তাৰ  কথা কৈছে – মঙ্গলদৈ – ভূটীয়াচাং – বেংগাবাৰী- নাওকাটালৈ আৰু কচুবিলৰ পৰা ভূটীয়াচাঙলৈ তাৰে কেইটামান নেশ্যনেল হাইৱে অথ'ৰিটি আৰু কেইটামান অসম চৰকাৰৰ পি ডব্লিউ ডি (পথ)ৰ অধীনত আছে গতিকে অধ্যক্ষ মহোদয় গোটেইকেইটা ৰাস্তা কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং-১১৭- শ্ৰীমতী বেবী বেগম।

**শ্ৰীমতী বেবী বেগম, ধুবুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয় মোৰ প্ৰশ্নৰ উত্তৰ পালো , মই সন্তুষ্ট। কিন্তু বিভাগে উত্তৰত লিখিছে যে, এতিয়াও নিবিদা আহ্বান কৰা হোৱা নাই। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, এই নিবিদা কেতিয়া আহ্বান কৰা হ'ব ? মোৰ দ্বিতীয় প্ৰশ্নটো হ'ল যে, ধুবুৰী চহৰৰ তীব্ৰ যাঁন-যটৰ সমস্যা দূৰ কৰা আৰু বিকাশৰ গতি আনিবলৈ গৌৰীপুৰৰ পৰা ধুবুৰী চহৰৰ

১ কি.মি পুৱলৈ থকা ভাষানী চৰ- মতিচৰৰ জনবসিতপূৰ্ণ এলেকাৰ ৩ কি.মি দক্ষিণেৰে এটা ফ'ৰলেইন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মান কৰি ধুবুৰী- ফুলবাৰী দলংখন মতিচৰত সংযোজিত কৰাৰ বাবে চৰকাৰে বিবেচনা কৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰীৰ উত্তৰ।**

**শ্ৰীপীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, ,সংসদীয় পৰিক্ৰমা বিভাগ ইত্যাদিঃ** অধ্যক্ষ মহোদয়, সদস্যাগৰাকীয়ে কোৱা ধুবুৰী জিলাৰ ছাগলীয়া চৌকীৰ পৰা চিৰাকুটালৈকে চাৰি লেইনযুক্ত পথৰ কথা কৈছে। ইতিমধ্যে ৰাষ্ট্ৰীয় ঘাই পথৰ এই পথছোৱা ফ'ৰ লেইন কৰাৰ বাবে **PMC Consultant** নিযুক্ত কৰা হৈছে। এই ৰাস্তাটোত যথেষ্ট যাঁন-যট হয়। পৰৱৰ্তী সময়ত ডি পি আৰ বনোৱাৰ কাম নিশ্চয় লোৱা হ'ব । ডি পি আৰ বনোৱাৰ পিচতহে নিবিদা কৰা হ'ব । নিবিদা এটা প্ৰক্ৰিয়াহে এইটো একেদিনাই কৰা কাম নহয়। এই ৰাস্তাটো ফ'ৰ লেইন কৰাৰ বাবে ইতিমধ্যে প্ৰচেচ আৰম্ভ কৰা হৈছে। মাননীয় সদস্যাগৰাকীয়ে যিটো দ্বিতীয় প্ৰশ্নটো কৰিছে , সেইটো খুৱ চিৰিয়াচলী আমি চিন্তা –চৰ্চা কৰি বিবেচনা কৰিম ।

**শ্ৰী মতী বেবী বেগম, (ধুবুৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ চাপ্লিমেন্টৰি প্ৰশ্নটো আমাৰ ধুবুৰী সমষ্টিত বহুত কেইখন পি ডব্লিউ ব্ৰীজ হৈ আছে কিন্তু বিশেষকৈ চিৰাকোটা যিখন দলং পৰিব অলৰেডি কিন্তু শেষ হৈছে কিন্তু এনেকুৱা অৱস্থা হৈছে স্কুলীয়া ছাত্ৰ ছাত্ৰী অহা যোৱা কৰাত বহুত অসুবিধা হৈছে । কিন্তু মই অভিযন্তা মহোদয়ক অৱগত কৰাৰ পিছ্তো অভিযন্তা মহোদয়ে কৈছে ঠিকাদাৰে মোৰ কথা নুশুনে। যদি বিভাগীয় কতৃপক্ষৰ কথা ঠিকাদাৰে নুশুনে তেনেহলে কাৰ কথা শুনিব আৰু বিশেষকৈ এই দলংখনৰ ওপৰত বিভাগীয় মন্ত্ৰী মহোদয়ক নজৰ দিবলৈ মই অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষঃ** এক মিনিট। খন্তেক আগতে আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই মোক কৈছে যে কেইবাগৰাকী সন্মানীয় বিধায়কে প্ৰশ্ন আনি এবচেন্ট আৰু এই বিষয়টো মোক চোৱাৰ কথা কৈছে, এই বিষয়টো মই চাবলগীয়া নাই। এই বিষয়টো চাব লাগিলে আমাৰ বিভিন্ন দলপতি সকল আছে। প্ৰত্যেক দলৰ

দলপতি সকলে এই বিষয়টো যাতে চাই কাৰণ তেওঁলোকে প্ৰশ্ন অনাৰ পিছত আল্টিমেটলি বাকীবোৰে আনিব নোৱাৰিলে। গতিকে প্ৰশ্ন অনাৰ পিছত কিবা কাৰণে আহিব নোৱাৰিলে যাতে আমাৰ কাৰ্য্যালয়ত জনায়, তেতিয়া আমাৰ কাৰণেও ভাল হৈ যায়। আগতীয়াকৈ জনালে আমাৰ কাৰণে ভাল হৈ যায়।

**মাননীয় অধ্যক্ষঃ** কি আছিলে। পইন্ট অফ অৰ্ডাৰ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (মন্দিয়া)ঃ** ছাৰ প্ৰশ্ন নং ১১৮ জি।

**মাননীয় অধ্যক্ষঃ** কৈ থাকক আপুনি।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (মন্দিয়া)ঃ** ছাৰ আমাৰ এল এ ডি বা এম পি এল এডিত টকাৰে এচেট ক্ৰিয়েচনৰ কাৰণে চেষ্টা কৰা হয়। ইয়াতে ২০১৫-১৬ চনত আঠ লাখ টকা দিয়া হৈছিলে বামুন নগৰা ঘাটৰ পৰা কাঞ্চনপুৰ চৰলৈ এখন নাওঁ অপাৰেট কৰিবলৈ। এতিয়া Bamun nagara ghat is under Circle officer SDC. Once the Asset is created it should be under the maintenance of the Administration. ইয়াত ছাৰ যিটো চাৰ্কোল অফিচাৰে ৰিপ'ৰ্ট দিছে বাঘবৰৰ চাৰ্কোল অফিচাৰ তেওঁ কৈছে যে চাম আলী আকবৰ আহমেদক খবৰ কৰি জানিব পাৰিলো নাওঁটো এতিয়া বেকীৰ ঘাটত আছে। What is this ? নাওঁ বনাই দিয়া হৈছে বামুন নগৰা ঘাটত আণ্ডাৰ চাৰ্কোল অফিচাৰ বাঘবৰ ৰেভিনিউ চাৰ্কোল। It should be.

**মাননীয় অধ্যক্ষঃ** ১১৮ ডি নেকি ? ডি ফৰ ডিব্ৰুগড়।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (মন্দিয়া)ঃ** নহয় ছাৰ, জি ফৰ গুৱাহাটী।

**মাননীয় অধ্যক্ষঃ** অ জি ফৰ গুৱাহাটী। তাৰ পিছত কওকচোন।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (মন্দিয়া)ঃ** ছাৰ, The boat was supposed to operate in Bamun nagara ghat under the supervision and control of the District Administration. After one year the boat is missing .এতিয়া বাঘবৰৰ চাৰ্কোল, অফিচাৰে কৈছে যে মই কলগাছিয়াৰ পুলিছ অফিচাৰৰ লগত। কলগাছিয়া আকৌ বেলেগ ঠাই। আন্দাৰ কলগাছিয়া ৰেভিনিউ চাৰ্কোল আপুনি জানে। সেইটো বেকীত কেনেকৈ গ'ল ? In reality this is totally a blatant lie.

The boat is no where. The boat has been sold after one year . নাওঁ নাই। প্ৰথম কথা হ'ল চাৰ্কোল অফিচাৰে কিয় আলী আকবৰক সুধিবলগীয়া হ'ল ? তেওঁ নিজে জানিব লাগে Government Asset আমাক টো ধুনীয়াকৈ Government Asset ক্ৰিয়েচন হ'ব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। আপুনি এইটো লিখিত ৰূপত দিয়ক আৰু এইটো মই Privilege Committee ক দি দিম।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (মন্দিয়া)ঃ** Ok Sir very good Sir Second Sir, Private Institution ৰ কাৰণে MPLAD দিব নোৱাৰি। ইয়াতে ১৮ এ পাঁচ লাখ টকা দিছে আতাউৰ ৰহমান কলেজ অফ ইডুকেচন। এই Private Institution. How the District Administration could violate the guidelines. Action should also be taken against it. They are supposed to look into it.

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। দুয়োটাই একেলগে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (মন্দিয়া)ঃ** থাৰ্ড জাষ্ট এটা বাক্য। ১৪ ৰ পৰা ১৯ লৈকে এমপি এল এডিৰ ২৫ কোটি টকাই খৰছ হৈছে ২০ কোটি।

**মাননীয় অধ্যক্ষঃ** সেইবোৰ নালাগে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (মন্দিয়া)ঃ** ৰাইজে জানক। ৫ কোটি টকা lefts হৈছে।

**মাননীয় অধ্যক্ষঃ** সেইবোৰ আপুনি প্ৰশ্ন আনিব।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (মন্দিয়া)ঃ** ১৯ ৰ পৰা ২৪ লৈ টকা আহিছে ১৭ কোটি। খৰছ হৈছে ১১ কোটি। ৫ কোটি টকা lefts হৈছে। This is the commitment of our leader.

**মাননীয় অধ্যক্ষঃ** নেক্সট জিৰ' আৱাৰ। আপোনাক যিটোতে পইন্ট অফ অৰ্ডাৰ সুধিছে আপুনি লিখি দিব মই ব্যৱস্থা লম। এতিয়া মই মাননীয় সদস্য শ্ৰী আব্দুৰ ৰহিম আহমেদ ডাঙৰীয়াক ৰাজ্যখনৰ যি সময়ত ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে গ্ৰীষ্মকালীন বন্ধ চলি আছে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ছাত্ৰ-ছাত্ৰী সকলক উদ্দ্যেশী যি এক পৰামৰ্শসূচক বাৰ্তা

সামাজিক মাধ্যমৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক গৰমৰ বন্ধত কি কি কৰিব লাগে তাৰ বিষয়ে লিখিছে আৰু তাৰে বিপৰীতে একাংশ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে ক্লাছ কৰি থকা দৃষ্টিগোচৰ হোৱা সম্পৰ্কে শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, ( চেঙা )**ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি জিৰ আৱাৰট মোক অত্যন্ত গুৰুত্বপূৰ্ণ বিষয় এটা উত্থাপন কৰিবলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাইছো। ছাৰ, গ্ৰীষ্মকালীন বন্ধ বা গৰমৰ বন্ধ আমি যিটো কওঁ, এই বন্ধটোৰ এটা বিশেষ তাৎপৰ্য্য আছে যে বন্ধটো কেৱল ছাত্ৰ-ছাত্ৰী সকলক ঘৰত বহি থাকিব, জিৰণি ল'ব তেনেকুৱা নহয়, শিশু এটাৰ শাৰীৰিক, মানসিক, বৌদ্ধিক বিকাশৰ বাবে কেতিয়াবা বিশ্ৰামৰো প্ৰয়োজন হয়। আমাৰ ইয়াত ইমান গৰম, বৰ্তমান অসমত কিছুমান ঠাইত ৪০ ডিগ্ৰী ছেলছিয়াছলৈ আমি গৰম অনুভৱ কৰো আৰু বহুত ক্ষেত্ৰত দেখিবলৈ পোৱা যায় যে ছাত্ৰ-ছাত্ৰীৰ যিটো পৰিবেশ, প্ৰাইভেট স্কুল সমূহে দিব লাগে- যেনেকে ফেনৰ সুবিধা কৰিব লাগে, খুব থেপা থেপিকে বহাব নালাগে। এটা নিৰ্দিষ্ট পৰিমাণৰ ঠাই তেওঁলোকক পঢ়াৰ সুযোগ দিব লাগে। উৎপাত গৰমৰ পৰা ৰেহাই পাবলৈ চিলিং থাকিব লাগে। এই ধৰণৰ কোনো সুব্যৱস্থা নথকাৰ পিছতো এই সকলো প্ৰাইভেট স্কুলক মই বেয়া কবলৈ খুজা নাই ছাৰ। তেওঁলোকে চৰকাৰৰ নিৰ্দেশনা যিটো Private School Regulatory Act, তাতে লিখা আছে স্পষ্টভাৱে- আপোনাৰ স্কুল স্থাপন কৰিবলৈ কিমান মাটি লাগিব বা লিজত হলেও ২০ বছৰৰ কাৰণে লিজ হ'ব লাগিব, স্কুল বিল্ডিংৰ বা ক্লাছ ৰুমৰ এইটো পৰিধি কিমান হ'ব। গোটেই কথাখিনি এটা নিৰ্দেশনাৰ ভিত্তিত এইটো আইনমতে আছে ছাৰ। কিন্তু আমি দেখিবলৈ পাইছো বিভিন্ন ক্ষেত্ৰত একাংশই এনেকুৱা ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে চৰকাৰৰ নিৰ্দেশনাক বুঢ়া আঙুলি দেখুৱাই তেওঁলোকে এই নিৰ্দেশনা বিলাকৰ কাৰ্য্যকৰী নকৰে। আজি ছাত্ৰ-ছাত্ৰীৰ মানসিক, শাৰীৰিক বিকাশৰ অত্যন্ত প্ৰয়োজন আছে। বন্ধৰ সময়তো আমি যদি কেৱল ভাবো যে তেওঁলোকে অৱসৰ বিনোদনৰ কাৰণে এই বন্ধৰ ব্যৱস্থা কৰিছে সেইটো কথা নহয়। মুখ্যমন্ত্ৰী

ডাঙৰীয়াই সামাজিক মাধ্যমত এটা পোষ্ট কৰিছে যে কেনেকৈ আমি চিঠি লিখাৰ অভ্যাস কৰিব পাৰো, কি ধৰণে আমি নিজৰ গাঁৱৰ ঘৰত, আত্মীয় স্বজনৰ ঘৰত, আইতাৰ ঘৰত, নিজৰ পেহী মাহীৰ ঘৰত, যিটো আত্মীয় স্বজনৰ লগত সম্পৰ্ক, এই বন্ধৰ সময়তে তেওঁলোকৰ লগত অহা যোৱা কৰি এটা আত্মীয় সম্পৰ্ক বৃদ্ধি কৰিব পাৰো। থিক তেনেকৈ যিবিলাক ছাত্ৰ-ছাত্ৰী কোনোবা বিষয়ত অলপ দুৰ্বল, তেওঁলোকে ঘৰত এই বন্ধৰ সময়ত তেওঁলোকে নিজে অলপ শিকিব পাৰে। তেওঁলোকে অলপ যদি বিশেষ সময় উলিয়াই আকৌ যদি নেক্সত দিনৰ পৰাই কোৰ্চিং ক্লাছ লৈ, গৰমৰ বন্ধত আগৰ দৰে স্কুল থাকে তেনেহলে এই বিশেষ বিষয়ত যিখিনি ছাত্ৰ-ছাত্ৰী অলপ দুৰ্বল আছে তেওঁলোকে সেই পাঠ্যপুঠিখিনি ঘৰত পঢ়াৰ যিটো সুযোগ লাভ কৰিলে হেতেন, সেইখিনি নাপায়। এনেকুৱা পৰ্য্যায় পাইছে ছাৰ, যে বৰপেটাত আমাৰ শিক্ষা বিভাগৰ বিষয়াই কোনো কোনো ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত মই এনক্লোছ কৰি দিছো জিৰ আৱাৰৰ এপ্লিকেছনৰ লগত- কোনো কোনো ক্ষেত্ৰত এনেকুৱা হৈছে যে পৰিবেশটো নাইয়ে তেওঁলোকক সকীয়নি দিব লগা হৈছে যে ছাত্ৰ-ছাত্ৰীৰ যদি কিবা হিট ষ্ট্ৰোক বা স্বাস্থ্য জড়িত কোনো অৱস্থাৰ সৃষ্টি হয় তেনেহলে বিদ্যালয় কিন্তু জগৰীয়া হ'ব। সেইকাৰণে মই কৈছো যে এই বিষয়টো অধিক সতৰ্কতাৰে, অধিক কঠোৰভাৱে শিক্ষা বিভাগে  বিবেচনা কৰিব লাগে কাৰণ আজি ছাৰ উন্নত দেশ সমূহৰ মই দুটামান উদাহৰণ দিব খুজিছো যেনে-জাৰ্মানী, ফ্ৰান্স, ইটালী, স্পেইন, নৰৱে, চুইডেন, ফিনলেণ্ড আদি দেশত গ্ৰীষ্মকালীন বন্ধ শিক্ষা ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংগ হিচাপে লয়। এই সময়ত বহু পৰিয়ালে সন্তানক লৈ ভ্ৰমণত যায়, সাংস্কৃতিক, ক্ৰীড়া শিবিৰত অংশগ্ৰহণ কৰে। নতুন অভিজ্ঞতাৰ মাজেৰে শিশুৰ ব্যক্তিত্ব বিকাশত গুৰুত্ব দিয়ে, উন্নত শিক্ষা ব্যৱস্থাই উপলব্ধি কৰিছে যে কেৱল শ্ৰেণীকোঠাৰ শিক্ষাই এজনক সম্পূৰ্ণ মানুহ হিচাপে গঢ়ি তুলিব নোৱাৰে। সেই কাৰণে কৈছো যে আমাৰ আনুসাংগিক শিক্ষাত ভ্ৰমণৰো প্ৰয়োজন আছে। যদি গোটেই বছৰটো ক্লাছেই লৈ থাকে তেন্তে এই সাংস্কৃতিক কাম-কাজ, সমাজৰ ৰীতি-নীতি, পৰম্পৰাৰ লগত জড়িত থকা বিষয়বোৰত আমাৰ কণ কণ ছাত্ৰ-

ছাত্ৰীসকলক স্কুলীয়া অৱস্থাৰ পৰাই যদি জড়িত কৰিব নোৱাৰো তেন্তে মই ভাৰো তেওঁলোকে পিছলৈ এই কথাবোৰ শিকিব নোৱাৰিব। ২০২৫ চনত ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহ নিয়ন্ত্ৰণ কৰাৰ বাবে এখন আইন আনিছে আৰু আপোনালোকে জানে যে ইতিমধ্যে হাইকোৰ্টেও ইয়াৰ ওপৰত নিৰ্দ্দেশনা দি থৈছে। প্ৰাইভেট শিক্ষানুষ্ঠানসমূহ নিয়ন্ত্ৰণত নাথাকে। তেওঁলোকৰ একাংশই শিক্ষাৰ নামত business কৰি আছে। শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ বাবে যেনেধৰণৰ পৰিৱেশ দিয়াৰ প্ৰয়োজন তেনে ধৰণৰ পৰিৱেশ একাংশ বিদ্যালয়ে দি থকা নাই। গতিকে এই বিষয়টো অত্যন্ত গুৰুত্ব সহকাৰে ল'ব লাগে কাৰণ বহু ক্ষেত্ৰত দেখা যায় যে একাংশ ভাল প্ৰাইভেট স্কুলৰ সুনামৰ গইনা লৈ ব্যাপকভাৱে গাঁৱে-ভূঞে প্ৰাইভেট স্কুলৰ প্ৰৱণতাটো গঢ় লৈ উঠিছে। আমাৰ সহজ-সৰল অভিভাৱকসকলে ভাৱে যে চৰকাৰী বিদ্যালয়তকৈ কিজানি প্ৰাইভেট স্কুলসমূহত ল'ৰা-ছোৱালীক দিলে হয়তো তেওঁলোক অধিক পাৰদৰ্শী হ'ব, শিক্ষা গ্ৰহণ কৰিব। কিন্তু এই বিষয়টো অত্যন্ত চিন্তনীয়, উদ্বেগজনক আৰু মাৰাত্মক। আমি পুংখানুপুংখভাৱে প্ৰত্যেকখন প্ৰাইভেট স্কুলক পৰীক্ষা-নিৰীক্ষা কৰিব লাগিব। তেওঁলোকে শিক্ষাৰ মানদণ্ড ভাল কৰিব পাৰিছে নে নাই এই বিষয়টো আমি যদি চৰকাৰীভাৱে চোৱা-চিতা কৰিব নোৱাৰো, কেৱল যদি ভাল প্ৰাইভেট স্কুলৰ গইনা লৈ গঢ় লৈ উঠি business কৰাৰ মানসিকতা বৰ্তাই ৰাখে তেনেহ'লে আমি ছাত্ৰ-ছাত্ৰীৰ ভাল ভৱিষ্যত এই বিদ্যালয়সমূহৰ মাজেৰে কেতিয়াও গঢ় দিয়াব নোৱাৰিম। সেই কাৰণে মই আপোনাৰ জৰিয়তে শিক্ষামন্ত্ৰী মহোদয়ে যাতে বিষয়টো অতি গুৰুত্বসহকাৰে লৈ গৰমৰ বন্ধৰ মহত্বটোৰ কথা চিন্তা কৰি উপন্যাস পঢ়া, কিতাপ পঢ়াৰ জৰিয়তে বাহিৰা জ্ঞান আহৰণ কৰাৰ সুযোগ দিয়া, নিজৰ আত্মীয়-স্বজনৰ সৈতে ভ্ৰমণৰ লগতে যিবোৰ পাঠ্যক্ৰমত ছাত্ৰ-ছাত্ৰীসকল দুৰ্বল, তেওঁলোকক এই বন্ধৰ দিনকেইটাতে ভালদৰে মন দি পঢ়ি তেওঁলোক পাৰ্গত হ'ব পাৰে সেই সুযোগটো প্ৰদান কৰিব পাৰে ইয়াৰ লগতে একাংশ প্ৰাইভেট স্কুল সু-শৃংখল নিয়মৰ মাজেৰে আনিবলৈ সক্ষম হ'ব বুলি মই আশা ব্যক্ত কৰিলো।

**মাননীয় অধ্যক্ষঃ** Education Minister, Reply please.

**ডাঃ ৰণোজ পেগু, মাননীয় মন্ত্ৰী, শিক্ষা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক আব্দুৰ ৰহিম আহমেদ ডাওঁৰীয়াই ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত গৰম বন্ধৰ প্ৰসংগটো উত্থাপন কৰিছে । অসমত থকা ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহ Assam Non-Govt. Educational Institution Act, 2006 ৰ দ্বাৰা নিয়ন্ত্ৰিত । মূলতঃ শিক্ষানুষ্ঠানসমূহত যি সমূহ আন্তঃগাঁথনি, সা-সুবিধা থাকিব লাগে আৰু তাৰ যি fees আছে এই সম্পৰ্কে আইনখনত বিস্তৃত regulation আছে । এতিয়া গৰম বন্ধ সকলোকে দিয়া হয় কিন্তু গৰম বন্ধৰ সময়তো কিছুমান বিদ্যালয়ে, মই ভাবো যে ছাত্ৰ-ছাত্ৰী বা অভিভাৱকৰ সন্মতি সাপেক্ষে তেওঁলোকে remedial class কৰে বা summer vacation camp organize কৰে। ক্ৰীড়া, সংস্কৃতি আদি বিষয়ত কিছুমান শিবিৰৰ তেওঁলোকে আয়োজন কৰে আৰু কিছু কিছু সংস্থাই tuition অনুষ্ঠিত কৰা দেখা যায় । এইখিনি আমাৰ academic calendar ৰ বাহিৰত স্বেচ্ছামূলক বা ৰাজহুৱা বা community initiative হয়। এইখিনিক আমি কোনোধৰণেৰে বাধা দিব নোৱাৰো আৰু মই ভাবো যে এইখিনি অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ সন্মতি সাপেক্ষে হয় । ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ academic calendarখন কেনেকুৱা হ'ব সেইয়া ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে নিয়ন্ত্ৰণ কৰে। আমি চৰকাৰ হিচাপে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ পাঠদানৰ গোটেই প্ৰক্ৰিয়া, তেওঁলোকৰ teaching methodology, academic calendar এই গোটেইখিনিৰ ক্ষেত্ৰত আমি সোমাই যাব বিচৰা নাই বা আমি সোমাই নাযাওঁ। আমি মূলতঃ তাত যিখিনি আন্তঃগাঁথনি, amenities থাকিব লাগে সেইখিনিৰ সম্পৰ্কে চকু ৰাখো। মাননীয় বিধায়কগৰাকীয়ে কেৱল শ্ৰেণী চলাই থকাৰ কথাটোৱেই অনা নাই। ইয়াৰ লগতে আন্তঃগাঁথনিৰ নাটনি থকা বা অন্যান্য সা-সুবিধাৰ প্ৰসংগও উত্থাপন কৰিছে। মই মাননীয় বিধায়কগৰাকীক প্ৰতিশ্ৰুতি দিছো যে Assam Non-Govt. Educational Institution Act খনৰ আওঁতাত এই গোটেই বিষয়খিনি আমি পৰীক্ষা কৰিম। লগতে, বিধায়কগৰাকীয়ে

আইনখনৰ সংশোধনীৰো পৰামৰ্শ আগবঢ়াইছে গতিকে সেই পৰামৰ্শখিনিও পৰীক্ষা কৰিম বুলি বিধায়কগৰাকীক জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই মাননীয় সদস্য ড° মিলন দাসক The Times of India বাতৰি কাকতত প্ৰকাশিত-“গত তিন মাসে বরাক উপত্যকায় ১৪৮ জন নব জাতকের মৃত্যু হয়েছে যার মধ্যে হাইলাকান্দি জিলায় ২৫টি মৃত্যু হয়েছে”, এ সম্পর্কে বক্তব্য রাখার জন্য আমি অনুরোধ জানালাম।

**ড০ মিলন দাস, (হাইলাকান্দি):** ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়কে, শূণ্যকালীন ঘন্টায়  এরকম একটি গুরুত্বপূর্ণ বিষয় উত্থাপন করার জন্য আমাকে সময় দেওয়ার জন্য। বিগত ৭ জুলাই তারিখে “Times of India” তে একটা খবর সম্প্রচারিত হয়েছিল এবং সেখানে উল্লেখ করা হয়েছিল 148 neonatal death in last 3 months and this is specific to Barak Valley. Barak Valley comprises of 3 districts- Cachar, Sri Bhumi and Hailakandi. Highest death recorded in Cachar as 74 followed by Sri Bhumi as 49 and in case of my Hailakandi district, it was 25. মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে যে খবর প্রচারিত হয়েছে এবং সেই খবরে কয়েকটি বিশেষ কারণও উল্লেখ করা হয়েছে। হঠাৎ করে তিন মাসে ১৪৮টি  নবজাতকের মৃত্যু হয়েছে সেই মৃত্যুর কারণ কোন জায়গায় শ্বাস কষ্ট বলা হয়েছে, কোন জায়গায় বলা হয়েছে বাচ্চাদের জন্মের সময় অক্সিজেনের অভাব, কোন কোন জায়গায় কিছু সংক্রমনজনিত ত্রুটিও বলা হয়েছে। এই বিষয়ে যখন খবর প্রচারিত হয়েছিল সেই সময় শ্রীভূমি জেলার Joint Director এর  একটা বক্তব্য খবরের কাগজে ছাপানো হয়েছে এবং সেখানে উনি কয়েকটি বিষয় উল্লেখ করেছেন। মাননীয় অধ্যক্ষ মহোদয়, আমার মনে হয় অসম সরকার যেভাবে চিকিৎসার ক্ষেত্রে কাজ করছে এই বিষয়টি অতি গুরুত্বপূর্ণ বিষয় মাননীয় মন্ত্রী মহোদয়ের দৃষ্টিতে নেওয়ার প্রয়োজন যে হঠাৎ করে বিগত তিন মাসে ১৪৮ টি নবজাতকের মৃত্যু এবং মৃত্যুর পেছনে যে কারণ সেই কারণের বিষয়ে Investigation করা প্রয়োজন এবং সেই বিষয়ে পদক্ষেপ নেওয়াও প্রয়োজন। মাননীয় অধ্যক্ষ

মহোদয় আমার জিলার District Head Quarter যে হাসপাতাল রয়েছে এস. কে রায় সিভিল হাসপাতাল এই হাসপাতালে হাইলাকান্দি বিধান সভা, আলগাপুর, কাঠলিছড়া বিধান সভা এবং তার সাথে সাথে পার্শ্ববর্তী বিধান সভা Ramkrishna নগর বিধান সভারও নবজাতকদের এখানে delivery case হয়ে থাকে এবং এটা highest peak point. মাননীয় মন্ত্রী মহোদয়ের কাছে আমার অনুরোধ থাকবে আমার এই হাসপাতালের বাইরেও কয়েকটি mini hospital আমাদের জিলায় রয়েছে 2nd highest peak point যেটা কাঠলিছড়া হাসপাতাল রয়েছে সেই peak point ব্যবস্থা যাতে আমরা নিতে পারি সাথে সাথে কাঠলিছড়া ছাড়াও ধলাই মডেল হাসপাতাল রয়েছে আরও অন্যান্য এক দুইটা ছোট মডেল হাসপাতাল আমার জিলায় রয়েছে এবং প্রত্যন্ত অঞ্চল আমাদের ফরেষ্ট এরিয়া গারমোড়া সেই অঞ্চলেও এরকম মডেল হাসপাতালের ব্যবস্থা রয়েছে সেই হাসপাতালগুলোতেও যদি আমরা delivery point তৈরী করতে পারি এবং ব্যবস্থা নিতে পারি। তাহলে আমার মনে হয় হঠাৎ করে তিন মাসে ১৪৮ টা নবজাতকের মৃত্যু এবং ২৫ টা মৃত্যু আমার জিলায় সেই সংখ্যা আমরা কমিয়ে আনতে পারবো। আমার অনুরোধ আপনার মাধ্যমে মাননীয় মন্ত্রী মহোদয়ের কাছে, যে অসম চিকিৎসার ক্ষেত্রে মাননীয় মুখ্যমন্ত্রীর নেতৃত্বে অনেকটা এগিয়ে আছে, এই যে বিষয় আমাদের সন্মুখে এসেছে এই বিষয়ে ব্যবস্থা গ্রহণের জন্য অনুরোধ থাকলো।

**মাননীয় অধ্যক্ষঃ** এখন মাননীয় স্বাস্থ্য এবং পরিবার কল্যাণ বিভাগের মন্ত্রী মহাশয়কে উত্তর দেওয়ার জন্য অনুরোধ জানালাম।

**শ্রী অশোক সিংহল, স্বাস্থ্য বিভাগৰ মন্ত্রীঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো বহুত গুৰুত্বপূৰ্ণ বিষয়, মাননীয় সদস্য গৰাকীয়ে ইয়াত উত্থাপন কৰিছে। হাইলাকান্দিত নৱজাতক শিশুৰ মৃত্যু বিষয়টো সঁচাকৈ চিন্তনীয়। কাৰণ ২০২৪-২৫ চনত ৬৬০১ জন শিশুৰ মৃত্যু হ'ল ২০২৫-২৬ চনত ৪৫৯ জন শিশুৰ মৃত্যু হৈছে । যেতিয়া অসমত ২০২৪-২৫ চনত ৪৬৯০ জনৰ মৃত্যু হৈছিল কেৱল হাইলাকান্দিত ৬৬০১ জন শিশুৰ মৃত্যু হৈছিল। অন্যহাতে ২০২৫-২৬ চনত ৩৯৮৩ জন শিশুৰ যেতিয়া মৃত্যু হ'ল, ৪৫৯ কেৱল হাইলাকান্দিত হৈছিল আৰু আমি চকু ৰাখি আছো GMCH, Guwahati Medical College Hospital ৰ জ্যেষ্ঠ

প্ৰফেচাৰ, তেখেতে visit কৰিছে, Commissioner Secretary Health Department য়ে visit কৰিলে , MD NHM য়ে visit কৰিছে। নতুন নতুন পন্থা আমি হাতত লৈছো যে এই মৃত্যুৰ হাৰটো কেনেকৈ কমাব পাৰি, অসমৰ বিভিন্ন জিলাত আমি কমাবলৈ সক্ষম হ'লো। মই আপোনাক জনাবলৈ পাই সুখী যে ২০১৬ চনত MMR (Maternal Mortality Ratio) আছিল 44 আৰু ২০২৪ চনত MMR (Maternal Mortality Ratio) কমি ২৯ হ'ল। MMR (Maternal Mortality Ratio) ২০১৬ চনত অসমত আছিল ২৩৭, ভাৰতবৰ্ষৰ MMR (Maternal Mortality Ratio) আছিল ১৩০ অৰ্থাৎ ১০৭ পইণ্ট ওপৰত আছিল আৰু মই সদনত জনাবলৈ পাই সুখী হৈছো যে এতিয়া যিটো survey আহিছে, ২০২৪ চনৰ তাত অসমৰ MMR ৮৪ হৈছে ২৩৭ ৰ পৰা ৮ বছৰৰ ভিতৰত ৮৪ লৈ নামি আহিছে আৰু ১৩০ পৰা ভাৰতবৰ্ষৰ average যিটো ১৩০ পৰা ৮৭ লৈ নামিছে, অসমত ২৩৭ ৰ পৰা ৮৪ লৈ নামিছে। বহুত প্ৰয়াস কৰাৰ পিছত এই stand টো লাভ কৰিবলৈ আমি সক্ষম হ'লো। শিশুৰ মৃত্যুৰ প্ৰধান কাৰণ হ'ল Pre-term delivery. তাৰ পাছত birth apraxia আৰু septicemia ইয়াৰ ওপৰত আমি কাম কৰি আছো। নতুন মেচিন অনা হৈছে। গৰ্ভৱতী মহিলাই যেতিয়া জন্ম দিবলৈ হস্পিতাললৈ যায়, এই মেচিনটো মাতৃৰ গাত লগোৱা হয় যে blood Pressure বাঢ়িলে তৎক্ষণাত বিপ আৰম্ভ হ'ব। একপ্ৰকাৰৰ monitoring, digital monitoring আমি আৰম্ভ কৰিছো বিভিন্ন জিলাত আৰম্ভ হৈছে আৰু ইয়াৰ সুফল আমি পাইছো। বিধান সভাৰ পিছত মই নিজেও হাইলাকান্দিত গৈ এই বিষয়টো চাই আৰু মই আশ্বস্ত কৰিব খুজিছো যে চৰকাৰৰ ফালৰ পৰা আমি কোনো shortcomings নাৰাখো। গতিকে এই সমস্যাটো সমস্যা হৈ থাকিব বুলি মই নাভাবো। এটা উচিত সময়ত কিছুদিনৰ ভিতৰত এই সমস্যাটো সমাধানৰ বাবে বিভাগেও পদক্ষেপ ল'ব। কিন্তু নৱজাতকৰ মৃত্যু আমাৰ বাবে দুৰ্ভাগ্যজনক আৰু চৰকাৰে প্ৰত্যেকটো ক্ষেত্ৰত এই নৱজাতকৰ মৃত্যুৱেই হওঁক, মাতৃৰ মৃত্যুৱেই হওঁক বা শিশুৰ মৃত্যুৱেই হওঁক ইয়াক লৈ চৰকাৰে কাম কৰি আছে আৰু SNCU (Special Newborn Care Unit) যিটো আছে, এইটো আমি strengthen কৰিবৰ কাৰণে হাইলাকান্দি জিলাত প্ৰয়াস আৰম্ভ কৰিছো আৰু মই ভাবো যে চৰকাৰৰ প্ৰচেষ্টাত অহা দিনবোৰত এই figure বোৰ improve হোৱাৰ বাবে হাইলাকান্দি আমাৰ বাবে এটা blackspot হৈ ৰৈছে। যিমান মৃত্যু হয়, তাৰ ১৫ শতাংশ যদি এখন জিলাৰ পৰা আহে এইটো সচাঁকৈ এটা চিন্তাৰ বিষয়। মই বিধায়ক গৰাকীক এই প্ৰশ্নটো সদনত উত্থাপন কৰাৰ বাবে ধন্যবাদ দিছো আৰু তেখেতৰ সহযোগ মই বিচাৰিছো। তেখেতে নিজৰ সমষ্টিত থাকিলে হস্পিতাল বিলাকত যাব লাগে আৰু যদি কিবা অভাৱ-অভিযোগ আছে আৰু কিবা যদি তেখেতে দেখে, তেখেতে জনালেও আমি সোনকালে ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰিম আৰু আপোনাৰ জৰিয়তে বিধায়কগৰাকীক আশ্বস্ত কৰিব খুজিছো যে বিধান সভাৰ পিছত মই ব্যক্তিগতভাৱে এই দুটা facility ত গৈ তাত নিজেই বুজাৰ চেষ্টা কৰিম যে কিয় হৈ

আছে within no time we will try to erase this problem, এইটো মই ক'ব খুজিছো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰক আমাৰ অসম বাতৰি কাকতত প্ৰকাশিত ''সুন্দৰীদিয়া সত্ৰৰ কাষত সুৰাৰ দোকান খোলাৰ প্ৰচেষ্টা, প্ৰতিক্ৰিয়া'' শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেটবাৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, যোৱা ৯ জুলাই তাৰিখে 'আমাৰ অসম' বাতৰি কাকতত প্ৰকাশিত ''সুন্দৰীদিয়া সত্ৰৰ কাষত সুৰাৰ দোকান খোলাৰ প্ৰচেষ্টা প্ৰতিক্ৰিয়া'' শীৰ্ষক গুৰুত্বপূৰ্ণ বিষয়টো শূণ্যকালীন ঘণ্টাত উপস্থাপন কৰিবলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। সমগ্ৰ অসমে জানে, আমিও জানো সত্ৰ নগৰী বৰপেটাত সুৰাৰ দোকান নিষিদ্ধ, মদৰ দোকান নিষিদ্ধ। এই বৰপেটা টাউনৰ পৰা ৩ কিলোমিটাৰ দূৰত আৰু সুন্দৰীদিয়া সত্ৰৰ পৰা ১ কিলোমিটাৰ দূৰত কেওঁটপাৰা নামৰ ঠাইখনত যি কেওঁটপাৰা বৰপেটা বিধান সভা সমষ্টি আৰু পাকাবেটবাৰী বিধান সভা সমষ্টিৰ সীমাত অৱস্থিত তাতে এখন মদৰ দোকান খোলাৰ কাৰণে চেষ্টা চলাই আছে আৰু নিৰ্মাণ কৰি আছে আৰু এই বিষয়ে ইতিমধ্যে স্থানীয় ৰাইজে বাধা দিছে স্থানীয় ৰাইজৰ বাধাক আওকান কৰি যেতিয়া নিৰ্মাণ কৰিছে তাৰ পাছত সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ ডাঙৰীয়াই আৰু সত্ৰ পৰিচালনা সমিতিয়ে জিলা আয়ুক্ত ডাঙৰীয়াকো আপত্তি দৰ্শাইছে। তাৰ লগে লগে আমাৰ সত্ৰ মহাসভা, অসম সত্ৰ মহাসভা বৰপেটাই এই বিষয়ে আপত্তি দৰ্শাই জিলা আয়ুক্ত ডাঙৰীয়াকো এখন আবেদন দিছে। সুন্দৰীদিয়া গাওঁ পঞ্চায়তৰ ফালৰ পৰা যি বৰপেটা বিধান সভা সমষ্টিৰ অন্তৰ্গত আৰু পাকাবেটবাৰী বিধান সভাৰ সমষ্টিৰ অন্তৰ্গত পাকাবেটবাৰী ভেৰাইজিতা গাওঁ পঞ্চায়তৰ ফালৰ পৰাও গাওঁ পঞ্চায়তৰ প্ৰতিনিধি সকলেও জিলা আয়ুক্তক হাজাৰ হাজাৰ  ৰাইজৰ চহী দি অভিযোগ এটা দিছে। কিন্তু তাৰ পিছতো অধ্যক্ষ ডাঙৰীয়া, তাৰ পিছতো আৱকাৰী বিভাগে এইক্ষেত্ৰত কোনো ব্যৱস্থা ল'ব খোজা নাই। তাতকৈ আৰু এটা কথা হৈছে মাত্ৰ আধা কিলোমিটাৰ দুৰত্বত আপুনি নিজে জানে যে বামুণা আমাৰ দৈতাৰী ঠাকুৰদেৱৰ যিখন সত্ৰ, তাৰপৰা মাত্ৰ আধা কিলোমিটাৰ দূৰত মদৰ দোকানখন খোলাৰ কাৰণে চেষ্টা কৰি আছে আৰু নিৰ্মাণ কৰি আছে। গতিকে অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক সত্ৰ নগৰীত বৰপেটাত সুৰাৰ দোকান নিষিদ্ধ কৰিবলৈ অনুৰোধ জনালো। সুন্দৰীদিয়া সত্ৰৰ কাষত, বামুণা সত্ৰৰ কাষত দুখন গাওঁপঞ্চায়তৰ সন্মানীয় প্ৰতিনিধি সকল আৰু সন্মানীয় বৰপেটা বিধান সভা সমষ্টিৰ বিধায়ক শ্ৰীদীপক কুমাৰ দাস ডাঙৰীয়াই এইক্ষেত্ৰত একমত যাতে তাত মদৰ দোকান খোলাতো বন্ধ কৰিব লাগে। তাত মদৰ দোকান খোলাৰ বাবে বিভাগীয়ভাৱে যদিও অনুমতি দিছিল, সেই অনুমতি বাতিল কৰিব লাগে। গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে, ৰাইজৰ যিটো আহ্বান বা আমাৰ

সত্ৰাধিকাৰ সকলৰ যিটো আহ্বান বা বিভিন্ন সত্ৰ মহাসভাৰ যি আহ্বান, এই আহ্বানক সন্মান জনাই বৰপেটা ৰাজহ চক্ৰৰ অন্তৰ্গত কেওঁটপাৰাত যি মদৰ দোকান খুলিবলৈ লৈছে এই দোকানখন বন্ধ কৰিব লাগে আৰু এই দোকান হোৱাৰ লগে লগে সেই অঞ্চলৰ পৰিৱেশ যথেষ্টা বেয়া হ'ব। তাত গ্ৰাম্য অঞ্চল, তাত ছাত্ৰ-ছাত্ৰী ওচৰত বিদ্যালয় আছে, তাত বিভিন্ন মানুহৰ সমাগম হয়, তাতে সকলো মাক-দেউতাক, ল'ৰা-ছোৱালী, আত্মীয়স্বজন এনেকুৱা এটা তাত এটা ঘৰুৱা পৰিৱেশত সেই চেণ্টাৰটোত একেলগ হয়। তাত যদি মদৰ দোকান খুলে তাৰ যিটো পৰিৱেশ সেই পৰিৱেশটো বিনষ্ট হ'ব আৰু পৰিৱেশ বিনষ্ট হোৱাৰ লগে লগে ল'ৰা-ছোৱালী বেয়া হ'ব, নৱ প্ৰজন্ম বেয়া হ'ব। মদ খোৱাৰ প্ৰতি আগ্ৰহ বাঢ়ি যাব। গতিকে মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপুনি গোটেই পৰিৱেশ জানে। ক'ত কেনেকৈ অৱস্থিত। মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি অনুৰোধ জনাইছো যে কেওঁটাপাৰত যি মদৰ দোকান হৈছে সেই দোকান বন্ধ কৰিব লাগে আৰু এইটো ৰাইজৰ দাবী আৰু এই দোকান যদি বিভাগে বন্ধ কৰাৰ সিদ্ধান্ত নলয়, পৰৱৰ্তী সময়খিনিত কিন্তু ইয়াৰ বিৰুদ্ধে এটা তীব্ৰ আন্দোলন গঢ়ি তুলিব ৰাইজে আৰু সেই আন্দোলনত পাকাবেটবাৰী সমষ্টিৰ বিধায়ক হিচাপে আৰু বৰপেটা সমষ্টিৰ বিধায়ক ডাঙৰীয়াই আমিও ভাগ ল'ব লাগিব আৰু বিৰুদ্ধে আমি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। গতিকে আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। আজিৰ এই পবিত্ৰ বিধান সভাত তেখেতে বৰপেটা ৰাইজক কথা দিব লাগে যে কেওঁটপাৰাত মদৰ দোকান খোলা বন্ধ হ'ব।
**মাননীয় অধ্যক্ষঃ** মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী অতুল বৰা, ( আবকাৰী মন্ত্ৰী )**ঃ মাননীয় অধ্যক্ষ মহোদয়, মই শূন্যকালীন ঘন্টাত মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই এই বিষয়টো সদনৰ মজিয়াত অনাৰ বাবে তেখেতক ধন্যবাদ জনাইছো। যোৱা ৯ তাৰিখে 'আমাৰ অসম' কাকতত প্ৰকাশ হোৱা 'সুন্দৰীদিয়া সত্ৰৰ কাষত সুৰাৰ দোকান খোলাৰ প্ৰচেষ্টা আৰু প্ৰতিক্ৰিয়া', সেই বাতৰিটো আমাৰ সেইদিনাই দৃষ্টিগোচৰ হৈছিল। মই খুব খৰ-খেদাকৈ এই বিষয়টো সম্পৰ্কে আবকাৰী বিষয়া সকলৰ পৰা জানিবলৈ চেষ্টা কৰিছিলো। কাৰণ আমাৰ কেতবোৰ নিয়ম আছে, বিধি আছে যে ক'ত IMFL ৰ লাইচেন্স দিয়া হ'ব বা ক'ত shifting কৰা হ'ব। এই গোটেই বিষয়বোৰৰ ওপৰত জিলাৰ জিলা উপায়ুক্তই দৃষ্টি দিয়ে। যেতিয়া বিষয়টো আমাৰ দৃষ্টিগোচৰ হ'ল আমি ততাতৈয়াকৈ খৱৰ কৰিলো আৰু জানিব পাৰিলো যে এগৰাকী ব্যক্তি তেখেতৰ নাম হৈছে পাইমতী নাথ। তেখেতৰ বৰপেটাৰোডৰ বাঁহবাৰীত IMFL ৰ ,দোকান আছে। আমি সিদিনাই খৱৰ লৈ গম

পালো যে তেখেতে দোকানখন স্থানান্তৰিত কৰিব খোজা ঠাইটুকুৰা আছিল বৰপেটা জিলাৰে কেওঁটপাৰা। সেই স্থানান্তৰ কৰিব খোজা যিখিনি ঠাই সেই ঠাইখিনি বৰপেটা টাউনৰ সীমাৰ পৰা প্ৰায় তিনি কিলোমিটাৰ আৰু সুন্দৰীদিয়া সত্ৰৰ পৰা দুই কিলোমিটাৰতকৈ অধিক দূৰত্বত বুলি আমাক অৱগত কৰিলে। আমি সকলোৱে জানো যে বৰপেটা জিলাখন সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ আৰু এই দিশত নিশ্চয় আমি সচেতন হৈ সিদ্ধান্ত ল'ম। অবৈধ আৰু ভেজাল চুলাই মদৰ আচলতে প্ৰচলন বন্ধ কৰা স্বাৰ্থতেই আবেদন অনুযায়ী 'অসম আবকাৰী সংশোধিত বিধি, ২০১৬ ৰ আৰ্বতত ঠাই বিশেষে সুৰা বিপণীৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰা হয় আৰু এই অনুজ্ঞাপত্ৰ প্ৰদান কৰোতে ধৰ্মীয় তথা শিক্ষানুষ্ঠান সমূহৰ দূৰত্বৰ প্ৰতি চৰকাৰ সদায় সৰ্তক হৈ থাকে আৰু এই ক্ষেত্ৰত আবকাৰী আইনে যি নিয়ম বান্ধি দিছে সেই নিয়ম যাতে উলঙঘণ নহয় তাৰ বাবে চৰকাৰে সদায় চোকা দৃষ্টি ৰাখে। মাননীয় অধ্যক্ষ মহোদয়, সদনৰ মজিয়াত আজিও ড্ৰাগছ সম্পৰ্কীয় বিষয়টো আলোচনা হৈছিল। ড্ৰাগছৰ ক্ষেত্ৰত যিদৰে চৰকাৰ অধিক কঠোৰ, ঠিক তেনেদৰে চুলাই মদৰ ক্ষেত্ৰটো আমি অত্যন্ত কঠোৰ হোৱাৰ প্ৰয়োজন আছে। ড্ৰাগছৰ দৰে চুলাই মদেও স্বাস্থ্যৰ কি দৰে অৱনতি কৰে বা ক্ষতি কৰে আমি সকলোৱে জানো। আটাইতকৈ ভয়াৱহ কথা হৈছে যে, যোৱা বছৰটোত ২ লাখ ৮ হাজাৰ ৯৮৭ লিটাৰ চুলাই জব্দ কৰা হৈছে। এইটো কম ডাঙৰ কথা  নহয়। সেইবাবে মই সকলো সন্মানীয় সদস্যকে আহ্বান জনাও যে, এই ক্ষেত্ৰত যাতে আমাৰ বিভাগৰ সৈতে তেওঁলোকেও সহযোগিতা কৰে।

**মাননীয় অধ্যক্ষঃ** সন্মানীয় মন্ত্ৰী ডাঙৰীয়া, আপোনাৰ যিটো উত্তৰ তাত আপুনি ক'লে যে বৰপেটা সত্ৰৰ পৰা কেওঁটপাৰা তিনি কিলোমিটাৰ আৰু সুন্দৰীদিয়া সত্ৰৰ পৰা ২ কিলোমিটাৰ  কিন্তু বৰপেটা সত্ৰৰ পৰা সুন্দৰীদিয়া সত্ৰৰ দূৰত্ব  যদি আপুনি চায় খুব বেছি এক কিলোমিটাৰ হ'ব। গতিকে যিহেতু বৰপেটা সত্ৰৰ পৰা তিনি কিলোমিটাৰ আৰু সুন্দৰীদিয়া সত্ৰৰ পৰা দুই কিলোমিটাৰ লিখিছে। মোৰ যিহেতু বৰপেটা সত্ৰৰ কাষতে জন্ম, মই জনাত বৰপেটা সত্ৰৰ পৰা সুন্দৰীদিয়া

সত্ৰলৈ খুব বেছি এক কিলোমিটাৰ। সেইকাৰণে আপুনি এই ডাটাখিনি এবাৰ চাই ললে ভাল আছিল।

**শ্ৰী অতুল বৰা, ( আবকাৰী মন্ত্ৰী )** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি এইখন জিলাৰ পৰাই প্ৰতিনিধিত্ব কৰিছে, মই আপোনাক কথা দিছো যে, সত্ৰৰ কাষত যিটুকুৰা ঠাইত আবেদন কৰিছে, সেইটুকুৰা ঠাইত কেতিয়াও দিয়া নহয়।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং ২

কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদনঃ

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২৩০ৰ অধীনত অসম বিধান সভাৰ চলিত বাজেট অধিৱেশনত ২০২৬-২০২৭ চনৰ বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে সকলো দল আৰু নিৰ্দ্দলীয় সদস্যক সময় আৱণ্টন দিয়া আৰু দাবী মঞ্জুৰী সমূহৰ সম্পৰ্কত অগ্ৰাধিকাৰ দিয়াৰ বাবে আলোচনা কৰিবলৈ যোৱা ১০ জুলাই, ২০২৬ তাৰিখে সদনৰ কাৰ্য্যসূচী অন্ত পৰাৰ লগে লগে অধ্যক্ষৰ কাৰ্য্যালয়ৰ সন্মিলন কক্ষত কাৰ্য্য উপদেষ্টা সমিতিৰ এখন সভা অনুষ্ঠিত হয়।

আজি ১৩ জুলাই, ২০২৬ আৰু অহা ১৪, ১৫ জুলাই, ২০২৬ তাৰিখে ২০২৬-২০২৭ চনৰ বাজেটৰ ওপৰত সাধাৰণ আলোচনা কৰিবলৈ আৰু ২২ জুলাই তাৰিখে ২০২৬- ২০২৭ চনৰ দাবী মঞ্জুৰী সমূহৰ ওপৰত আলোচনা তথা ২৩ জুলাই, ২০২৬ তাৰিখে ২০২৬-২০২৭ চনৰ মঞ্জুৰীৰ বাবে বাকী থকা দাবী সমূহ আলোচনা কৰি সদনত ভোটদানৰ বাবে দাখিল কৰাৰ উপৰিও ২০২৬ বৰ্ষৰ অসম বিনিয়োজন বিধেয়কখন উপস্থাপন, বিবেচনা আৰু পাৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে সকলো দল আৰু নিৰ্দ্দলীয় সদস্যক তলত দিয়া ধৰণে সময় আৱন্টন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় ।

মুঠ সময় - ৩৬০ মিনিট (৬ ঘন্টা)

১) ভাৰতীয় জনতা পাৰ্টি - ২৩৮ মিনিট (মাননীয় মুখ্যমন্ত্ৰীৰ উত্তৰৰ সৈতে)

২) ভাৰতীয় জাতীয় কংগ্ৰেছ - ৫৬ মিনিট

(৩) অসম গণ পৰিষদ - ২৯ মিনিট

(৪) বড়োলেণ্ড পিপলচ্ ফ্ৰন্ট - ২৯ মিনিট

(৫) সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা - ৭ মিনিট

(৬) নিৰ্দ্দলীয় (ৰাইজৰ দল) - ৭ মিনিট

(৭) সৰ্ব ভাৰতীয় তৃণমুল কংগ্ৰেছ - ৩.৩০ মিনিট

আজিৰ সভাত দাবী মঞ্জুৰী সমূহৰ ওপৰত বিশদ ভাবে আলোচনা হোৱাৰ পিছত সমিতিয়ে সৰ্বসম্মতিক্ৰমে দাবী মঞ্জুৰী নং ৭১ (বিদ্যালয় শিক্ষা) আৰু দাবী মঞ্জুৰী নং ২৬ (উচ্চ শিক্ষা) এই দাবী মঞ্জুৰী দুটা অগ্ৰাধিকাৰ ভিত্তিত সদনত আলোচনা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে, লগতে নিয়ম ৫০ ৰ অধীনত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ওপৰত সদনত আলোচনা কৰাৰ বাবেও সিদ্ধান্ত কৰা হয় আৰু আলোচনাৰ তাৰিখ আৰু সময় নিৰ্দ্ধাৰণ কৰিবলৈ মাননীয় অধ্যক্ষক কৰ্তৃত্ব প্ৰদান কৰে।

দাবী মঞ্জুৰীৰ ওপৰত আলোচনাৰ বাবে ধাৰ্য্য কৰা সময় এনে ধৰণৰ :-

মুঠ সময় - ৪২০ মিনিট (৭ ঘণ্টা)

(১) ভাৰতীয় জনতা পাৰ্টি - ২৭৩ মিনিট (মন্ত্ৰীৰ উত্তৰৰ সৈতে)

(২) ভাৰতীয় জাতীয় কংগ্ৰেছ - ৬৩ মিনিট

(৩) অসম গণ পৰিষদ - ৩৩ মিনিট

(৪) বড়োলেণ্ড পিপলচ্ ফ্ৰন্ট - ৩৩ মিনিট

(৫) সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা - ৭ মিনিট

(৬) নিৰ্দ্দলীয় (ৰাইজৰ দল) - ৭ মিনিট

(৭) সৰ্ব ভাৰতীয় তৃণমুল কংগ্ৰেছ - ৩.৩০ মিনিট

আশাকৰো মাননীয় সদনৰ এই প্ৰতিবেদনত অনুমোদন আছে।

এতিয়া কাৰ্য্যসূচী নং ৩

এতিয়া মাননীয় সদস্য শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলী ৫৪ নং দফাৰ অধীনত ২০২৬ চনৰ ২৮ জুন তাৰিখে 'অগ্ৰদূত কাকত' ত প্ৰকাশিত 'কেইবাটাও পৰিয়ালৰ বাসগৃহ ভাঙি লণ্ড-ভণ্ড, ভূটান সীমান্তত অব্যাহত আছে বনৰীয়া হাতীৰ ধাৰাবাহিক উপদ্ৰৱ', শীৰ্ষক বিষয়টো মাননীয় বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ মনোযোগ আকৰ্ষণ কৰিব।

**শ্ৰী পদ্ম হাজৰিকা, ( নদুৱাৰ )**ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিৰ পবিত্ৰ সদনত আপুনি Rule-54 ত ২৮ জুন , ২০২৬ তাৰিখে 'অগ্ৰদূত কাকত'ত প্ৰকাশিত 'হাতী-মানুহৰ সংঘাত' বা অসম ভূটান সীমান্তত আৰু লগতে নলবাৰী অঞ্চলত যেনেধৰণে উপদ্ৰৱ চলি আছে, এই বিষয়টো আলোচনা কৰিবলৈ দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো । মই আপোনাক জনাওঁ যে আজি ৰাতিপুৱাও আমাৰ মনেশ্বৰ বসুমতাৰী ডাঙৰীয়াই জনাইছে যে ভূটান সীমান্তত ১৫০ টা মান হাতীৰ জাক এটাই তাণ্ডৱৰ সৃষ্টি কৰিছে আৰু আজি ৰাতিপুৱাই এগৰাকী ব্যক্তিৰো মৃত্যু হৈছে। গতিকে এই হাতী-মানুহৰ যিটো সংঘাত এইটো আচলতে এটা এৰাব নোৱাৰা সমস্যা আৰু ইয়াৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণে আমি চৰকাৰৰ ফালৰ পৰা যিবোৰ হ্ৰস্বম্যাদী কাম কৰি আছো তাৰ পৰিৱৰ্ত্তে দীৰ্ঘম্যাদী পৰিকল্পনা লোৱাৰ অতি প্ৰয়োজন আছে। এই যে নলবাৰী, ভূটান সীমান্তত হৈছে সেইটো নহয়। য'ত অসমৰ কেইবাখনো জিলাত যেনে গোলাঘাট জিলাত, শোনিতপুৰ জিলাত, বিশ্বনাথ জিলাত ওদালগুৰী জিলাত যে বহু কেইখন

জিলাত হাতী মানুহৰ এই সংঘাতৰ বাবে বহুত মানুহ মৃত্যুমুখত পৰিছে আৰু হাতীও মৃত্যুমুখত পৰিছে। এই বিষয়টো মই পবিত্ৰ বিধান সভাত কেইবাবাৰো আলোচনা কৰিছো এই বিষয়টো যেনে ধৰণে গুৰুত্বপ্ৰদান কৰিব লাগিছিল বা এই সমস্যাটো সমাধান কৰাৰ বাবে যি দীৰ্ঘম্যাদী পৰিকল্পনা কৰিব লাগিছিল তেনেধৰণৰ ব্যৱস্থা লোৱা দেখা নাই। আমি যদি কওঁ হাতীৰ সংখ্যা বাঢ়িছে। হাতীৰ যি পিয়ল হৈছিল সেইমতে ২০১১ চনৰ পিয়ল মতে যিটো বনবিভাগে কৰিছিল সেই সময়ত হাতী আছিল ৫৬২০ টা, ২০১৭ চনৰ পিয়ল মতে হাতী আছিল ৫৭১৯ টা ২০২৪ চনৰ পিয়ল মতে হাতী আছিল ৫৮২৪ টা। ১৪ বছৰত হাতী বাঢ়িছে ২০৪ টা। হাতীৰ যি ঘৰ বা চৰা সেইটো সংকুচিত হৈ আহিছে। গতিকে এইক্ষেত্ৰত আমি দীৰ্ঘম্যাদী পৰিকল্পনা গ্ৰহণ কৰিব লাগিব আৰু আমি বনবিভাগৰ ৩ বছৰৰ যদি হিচাপ চাওঁ তেতিয়া দেখা পাম যে ৩ বছৰত মানুহ যদি ২০২৪-২৫ আৰু ২০২৬ চনটো যদিও সম্পূৰ্ণ হোৱা নাই এই সময়ছোৱাত ৩৬৩ জন মানুহৰ মৃত্যু হৈছে হাতীৰ আক্ৰমণত আৰু হাতীৰ মৃত্যুৰ সংখ্যা হৈছে ১২০ টা। হাতী মৰিছে ৰেলৰ খুণ্ডাত, বৈদ্যুতিক শ্বক ৰ ফলত, আৰু বিহ পান কৰাও হাতী মৰিছে। এই যিটো ঘটনা সেইটো চলি আছে আৰু চলি থাকিব। আমাৰ যিখিনি হ্ৰস্বম্যাদি পৰিকল্পনা গ্ৰহণ কৰিছে তাত সৌৰশক্তিৰ বেৰ দিয়া হৈছে আৰু বিশেষকৈ ভূটান সীমান্তত এই বেৰ দিয়া হৈছে। আমি প্ৰস্তাৱ দিছো হাতী খেদিবৰ কাৰণে আমি এটা বাহিনী গ্ৰহণ কৰিছো আৰু আমি যদি চাওঁ সেই বাহিনীটো কিমানখিনি কামত আহিছে। এতিয়া প্ৰতি জিলাত Rapid Response Team আছে আৰু এই দলটো আচলতে প্ৰশিক্ষন প্ৰাপ্ত হয় নে নহয়। হাতী খেদিবলৈ প্ৰতি জিলাতে বিশেষজ্ঞ দল এটা থাকিব লাগে কিন্তু নামত আছে যদিও তেওঁলোকৰৰ গাড়ীৰ যিটো ব্যৱস্থা, তেওঁলোকক যিবোৰ আহিলা পাতি দিব লাগে যেনে বন্দুকে হওক বা চৰাই মৰা গুলীয়ে হওক, এইখিনি দিয়াৰ ক্ষেত্ৰত ভালদৰে হৈছেনে নাই চাব লাগে। এই যিটো Rapid Response Team, এই দলটো আমি সদায় সতৰ্ক কৰি ৰাখিব লাগিব কাৰণ আজি নলবাৰী জিলাত হাতীৰ বহুত উৎপাত হৈ আছে। এই দলটোক আমি সদায় সতৰ্ক কৰি ৰাখিব লাগিব। কিন্তু আমি দেখা পাওঁ সেই

Rapid Response Teamটো যাৰ Duty নাথাকে তেওঁলোকে Forest campus আছে তেওঁলোককে পঠিয়াই দিয়া হয় । তেওঁলোকৰ কাৰোবাৰ গুলি নুফুটে, তেওঁলোকৰ পোহৰৰ ব্যৱস্থা নাই বা তেওঁলোকে ফটকা আদি ফুটাই যিধৰণে পৰিবেশ কৰিব লাগে কিন্তু গৈ পায় মানে মানুহ মৰি যায়। গতিকে এই সংঘাতটো দূৰ কৰিবৰ কাৰণে এই দলটো যিবোৰ জিলাত হাতীৰ উপদ্ৰপ আছে আৰু প্ৰতি জিলাতে এই ব্যৱস্থাটো সক্ৰিয় কৰি ৰাখিব লাগে । এইটো প্ৰয়োজন বুলি মই অনুভৱ কৰো । ইয়াৰ লগতে দীৰ্ঘম্যাদী যিটো পৰিকল্পনা এইটো আমি লবই লাগিব। কাৰণ এইটো নহ'লে হাতী মানুহ উভয়ে মৰি শেষ হব। এই দীৰ্ঘম্যাদী পৰিকল্পনাৰ ভিতৰত উচ্ছেদ, য'ত বনাঞ্চলত হাতীৰ ঘৰ ভাঙি আমি মানুহ বহিছো। উচ্ছেদ কৰাৰ লগে লগে মাজতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই Tweet কৰিছে যে সোনাই ৰূপায় অঞ্চলত মানুহ যেতিয়া অতৰাই দিয়া হৈছে তেতিয়া তাত হাতীৰ মুক্ত বিচৰণৰ এখন ফটো দিয়া হৈছে য'ত হাতীয়ে আনন্দ মনে বিচৰণ কৰি আছে । কিন্তু আমি যদি বনাঞ্চল সংকুচিত হোৱাটো শোনিতপুৰ জিলাৰ ক্ষেত্ৰতে চাওঁ যে দিপলুঙা যিটো বনাঞ্চল সেইটো আমি শেষ কৰি দিলো । ঠিক তেনেকৈ বিশ্বনাথৰ বনাঞ্চল শেষেই হৈছে আৰু বৰগাওঁৰ সেইফালে অৱস্থাটো বেয়া, আৰুণাচলে দখল কৰিছে আৰু এটা কথা হাতীবোৰে প্ৰাকৃতিকভাৱে পাহাৰত উঠে বা উঠা নমা কৰি থকে । আমি যদি আন্তৰাজিক সীমান্তত চাওঁ আজি নাগালেণ্ড সীমান্তত বন ভাঙি তেওঁলোকে চাহপাত ৰবৰ খেতি এইবোৰ কৰিছে যাৰ ফলত নাগা সকলে তাত হাতী সোমাবৰ নোৱাৰাৰ ব্যৱস্থা কৰিছে। গতিকে এই হাতী খিনি অসমতে চলন ফুৰণ কৰি থাকিব লগা হৈছে যাৰফলত তেওঁলোকে না অৰুনাচল যাব পাৰে না নাগালেণ্ড যাব পাৰে না মিজোৰাম, না ভূটান যাব পাৰে। গতিকে হাতী চলন ফুৰণ কৰা ঠাইটো আমি কেনেকৈ বঢ়াব পাৰো । এইবাৰ বাজেটত এটা কথা উল্লেখ কৰিছো যে হাতীৰ খাদ্যৰ কথা বা বনাঞ্চল তেওঁলোকে Drone ৰ জড়িয়তে যি ব্যৱস্থা কৰিছে আৰু এই ব্যৱস্থাটো কৰোতে হাতীৰ খাদ্য যেনে ঔটেঙা, বাঁহগছ বা চুৱা গছে হওঁক এইবোৰ সেই বনাঞ্চলত আমি ৰোপন কৰিব পাৰো, এইটো হয়টো আমাক সকাহ দিব। নহলে

এই সংঘাত বাঢ়ি যাব। আমাৰ যিখিনি ৰাষ্ট্ৰীয় উদ্যান তাতো বেদখল আছে। সোনাই ৰূপায় অঞ্চলটো বেদখল আছে। নামেৰিত আমি বিধায়ক সকলেও সহযোগিতা কৰিব লাগে যে নামেৰিত যিটো অঞ্চলত বেদখল হৈছিল ৰঙাজান মেহেৰ বস্তি তাত ৪৪ ঘৰ মানুহে বেদখল কৰিছিল, ৭/৮ মাহ আগতে তাত উচ্ছেদ হৈছিল। সেই মানুহখিনি গোৰ্খা আছিল। চকীঘাটত সেই মানুখিনিক আমি সংস্থাপন কৰিলো। গতিকে আজিৰ তাৰিখত নামেৰি বেদখল মুক্ত। যোৱা চৰকাৰৰ দিনত নামেৰিৰ ক্ষেত্ৰত বনমন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই যিখিনি ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ ফলত পৰ্য্যটক বহুত পৰিমানে বাঢ়িছে লগতে বাঘ আৰু দেওঁহাহ যথেষ্ট পৰিমাণে বাঢ়িছে। গতিকে নামেৰিৰ ক্ষেত্ৰত মই আজিৰ দিনত জনপ্ৰতিনিধি হিচাপে কব পাৰো নামেৰি বেদখল মুক্ত। ঠিক তেনেদৰে সোনাই ৰূপাইয়ো যদি বেদখল মুক্ত কৰিব পৰা যায় লগতে আন বনাঞ্চল সমূহো হাতীৰ ঘৰখন পাতিবৰ কাৰণে চৰকাৰে যিখিনি বনাঞ্চল উচ্ছেদ কৰিছো সেই বনাঞ্চলত আমি কেনেকৈ হাতীৰ খাদ্য প্ৰস্তুত কৰিব পাৰো এইক্ষেত্ৰত যদি ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়। এক দীৰ্ঘম্যাদী পৰিকল্পনা লবই লাগিব হাতী মানুহৰ সংঘাত দূৰ কৰাৰ বাবে। নহলে আমি এই সমস্যাটোৰ পৰা পৰিত্ৰান নাপাওঁ। এতিয়া যিটো সংখ্যা আহিছে ৩৬০ এইটো হয়টো ১০০০ লৈ বৃদ্ধি হব পাৰে লগতে হাতীৰ মৃত্যুৰ সংখ্যাও বৃদ্ধি পাব। গতিকে হাতী মানুহৰ সংঘাত দূৰ কৰিবৰ বাবে মই আপোনাৰ জৰিয়তে বনমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। তেখেতে এইক্ষেত্ৰত কৈছে যে বিধায়ক সকলক লৈ এটা আলোচনা কৰাৰ কথা। কিন্তু মই ভাৱো যিসকল Expert আছে তেওঁলোকক লৈ ও এটা আলোচনা কৰাৰ দৰকাৰ আছে আৰু কিছুক্ষেত্ৰত ব্যক্তিগত ভাৱে ১২৬ জন বিধায়কৰ ভিতৰত হাতীৰ লগত মোৰ সম্পৰ্কটো জন্মৰ পৰা আছে আৰু হাতী খেদিবলৈ মই নিজে যাওঁ আৰু বিভিন্ন সমস্যাৰ সন্মুখীনো হৈছো। গোৱালপাৰাত আমাৰ প্ৰাক্তন বিধায়ক আব্দুৰ ৰশিদ মণ্ডলে ২০১৯ চনত যেতিয়া মই লাডেণ নামৰ হাতীটো ধৰিবলৈ গৈছিলো তেতিয়া হাজাৰ মানুহ গোট খাইছিল আৰু তেও মোক গামোচাও পিন্ধাইছিল। কিন্তু এটা কথা মই দুখেৰে জনাওঁ যে বাহ বাহ

ঠিকেই দিলে সকলো T V Channel তে বাজিল । কিন্তু যেতিয়া পৰিকল্পিত সৰযন্ত্ৰৰে RTI এজন কৰ্মীয়ে মোৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিলে তেতিয়া বিভাগীয় মানুহৰ মোৰ ফোন ধৰিবলৈ সময় নায়। মই এটা অসহায় অবস্থাত পৰি গৈছিলো । কিন্তু কোনে অচেতন কৰিছে ? বন বিভাগে কিমানটা অচেতন কৰিছে তাৰ উত্তৰ দি মই কোনো মতে বাচিছো। এতিয়া যতে হাতীৰ উৎপাত হয় মোক মাতে মই বৰছলাত প্ৰায় ১৫ দিন থাকি হাতীৰ উপদ্ৰবৰ পৰা মানুহক বচাইছিলো। ঠিক তেনেকৈ তেজপুৰত, বিশ্বনাথত এই কাম কৰিছিলো। আমাৰ কথা হল কি হাতীও বাচিব লাগিব, মানুহো বাচিব লাগিব। মানুহক বচাবলৈ গৈ ওপৰলৈ গুলি ফুটাওতে হাতীলৈ গুলীয়াও বুলি কয় তেতিয়া ভূল হ'ব কাৰণ হাতী লৈ যিকেইটা গুলি মৰা যায় তাক চাৰা গুলী বুলি কয়। আজি বন বিভাগে এই দলটোক চাৰা গুলীয়ে দিব কাৰণ হাতীটো কোনেও মাৰিব নিবিচাৰে। মোৰ জন্মৰ পৰা হাতীৰ লগত সম্পৰ্ক আছে । মোৰ ৰামু বুলি এটা হাতী আছে, সি হাতী খেদিব পাৰে আজিও চাৰিদুৱাৰত হাতী খেদি আছে। হাতীৰ প্ৰতি মোৰ অন্তৰত স্থান আছে গতিকে হাতীক মই কেতিয়াও মাৰিব নোৱাৰো। এনেয়ে এক বদনাম কৰি দিয়ে গতিকে এই কথাবোৰে বন বিভাগৰ হৈ যিবোৰ মানুহে হাতী খেদিবলৈ যায় এনে বিপদৰ সন্মুখীন হয়। বিশ্ব নাথ চাৰিআলিৰ যুগল শইকীয়া হাতী খেদিবলৈ গৈ মৃত্যুৰ মুখত পৰিছিল । গতিকে মৃত্যুৰ আগমুহূৰ্তত বাচিবলৈ হ'লে কোনোবাই গুলি চালনা কৰিবলগীয়া হ'ব পাৰে । বন বিভাগে যাতে এই গোটেই কথাবিলাক অন্তত বিবেচনা কৰি চায়। হাতী ৰক্ষা কৰিব লাগিব, হাতী খেদিব লাগিব জনাঞ্চলৰ পৰা। কিন্তু মানুহ ৰক্ষা কৰাতোও আমাৰ দায়িত্ব আছে। আমি মানুহ মাৰিবলৈ দিম নেকি ? চাৰিদুৱাৰত এটা ঘটনা আজি দুবছৰ আগত হৈছিল ৩ টা বজাত গড়মৰাত এজন আদিবাসী লোকক মাৰি পেলাইছিল । গোটেই মানুহে কান্দি কাটি হুলস্থূল কৰিছে, ফোন কৰিছে। ৰাতিপুৱা মই ৫.৩০ বজাত পাই গ'লো আৰু মই যেতিয়া ৰাতিপুৱা ৫.৩০ বজাত মৃতদেহৰ ওচৰত উপস্থিত হৈছোঁ, তেতিয়া সেই হাতীটো আকৌ আহিছে। আকৌ অহাৰ লগে লগে মই চাৰি গুলি ব্লেংক ফ্লায়াৰ কৰি হাতীটোক খেদি দিছো। তাৰ পিছত এটা ষড়যন্ত্ৰ আৰম্ভ হৈ গ'ল,

মোৰ ওপৰত আক্ৰমণ হ'ল যে হাতীক গুলিয়াইছে। কিন্তু হাতীক কেনেকৈ খেদিব লাগে, হাতীক কেনেকৈ বশ কৰিব লাগে , কাৰণ বনৰীয়া হাতী ধৰিও আমি শেষৰ যিটো মেলা চিকাৰ মই নিজে এঘাৰ দিন জংঘলত সোমাই হাতী ধৰিছো আৰু হাতী শিকোৱা মেলাতো মই যিহেতু জৰিত আছো। গতিকে সেই কাৰণে মই কৈছো যে হাতী খেদিবলৈ যাওঁতে ব্লেংক ফ্লায়াৰ কৰিলে আমাৰ উপায় নাই কাৰণ আমি জনপ্ৰতিনিধি । আমি মানুহক বচাব লাগিব যিকোনো বিপদ-আপদ, বানপানীৰ পৰা হওঁক, হাতীৰ পৰা হওঁক, বচাব লাগিব । এই বচাবলৈ যাওঁতে যিখিনি আক্ৰমণ কৰি পৰিকল্পিত ষড়যন্ত্ৰৰে অতিৰঞ্জিতভাৱে কিবা কিবি কথা কয়, বন বিভাগে অন্তত হাতী মানুহৰ সংঘাট দূৰ কৰিবলৈ যোৱা যিকোনো ব্যক্তিক protection দিয়াৰ দায়িত্বও বন বিভাগৰ আছে। এই ক্ষেত্ৰত সৰব হৈ যাতে দায়িত্ব পালন কৰে, মই সেই কথাও আহ্বান জনালো। মই আশা কৰিছো যে আজিৰ এই আলোচনাৰ জৰিয়তে বন বিভাগে বাস্তৱসন্মত চিন্তাৰে এক পৰিকল্পনা লওঁক আৰু আমাৰ যিসকল জনপ্ৰতিনিধি হাতীৰ সমস্যাৰে সন্মুখীন হৈছো, তেখেতসকলৰ পৰাও যিখিনি পাৰে আপুনি পৰামৰ্শ লৈ ইয়াৰ এক স্থায়ী সমাধান কৰিবৰ কাৰণে দীৰ্ঘম্যাদী পৰিকল্পনাৰ হকে কাম কৰক, আপোনাৰ জৰিয়তে আজিৰ এই আহ্বান মই বন বিভাগৰ মন্ত্ৰী ডাঙৰীয়ালৈ জনালোঁ।

**শ্ৰী মহেশ্বৰ বড়ো, ভেৰগাওঁঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ লগত অলপ সহযোগ কৰিব খুজিছো, মোৰ সমষ্টিত এটা ঘটনা হৈছে। আজি ৰাতিপুৱাৰ ভাগতে বাটামুৰীয়া বুলি বাগানৰ শ্ৰমিক এজন বাগানত কাম কৰিবলৈ যাওঁতে হাতীৰ লগত মুখামুখি হৈ মৃত্যুমুখত পৰিল। যোৱাকালি আবেলি প্ৰায় চাৰিটামান বজাত প্ৰায় ১৫০/ ২০০ টা হাতীৰ এটা জাক বামুণজুলি বাগানত বিচৰণ কৰি আছিল। তাৰ পিছত ৰাতিৰ ভাগত সেই জাকটো বাটলাপাৰা বাগানৰ ফালে আহি গ'ল। তেনেকৈ বিচৰণ কৰি আছে। যোৱাকালি অৱশ্যে Forest Department-ৰ মানুহসকলেও আছিল, হাতীৰ জাকটো খেদিবৰ কাৰণে যত্ন কৰি আছিল। কিন্তু ৰাতি হোৱাৰ ফলত সেইটো সম্ভৱ হৈ নুঠিল, ক'ত কোনে কোনফালে গ'ল গম পোৱা নগ'ল। সেই অঞ্চলৰ ৰাইজৰ টোপনি ক্ষতি হ'ল আৰু আজি ৰাতিপুৱা

তেনেকুৱা এটা ঘটনা ঘটিল। হাতীৰ জাকটোৰ মাজত এটা হাতীয়ে খুব অসুবিধাৰ সৃষ্টি কৰে। হাতীটো জাকটোৰ পৰা অকলে থাকি, বেলেগ ঠাইত লুকাই থাকে। যেতিয়াই মানুহৰ লগত সেই হাতীটোৰ মুখামুখি হয় মানুহজনক মাৰি দিয়ে , তেনেকুৱা অৱস্থা হৈছে।গতিকে মই ক'ব বিচাৰিছোঁ এই সদনত যে তাৎক্ষাণিক ভাৱে, যোৱাকালি বহুতো গছগছনি-, ঘৰ আদি ভাঙিছে। স্কুলসমূহত এনেকুৱা অৱস্থা হৈছে যে স্কুলসমূহত Mid-Day Meal-ৰ চাউল থাকে, সেই চাউল বিচাৰি আহি স্কুলবোৰ ভাঙি দিয়ে। তেনেকুৱা অৱস্থা হৈ আছে। গতিকে ঘৰবাৰী-, তামোল গছ আদিৰ ক্ষতি সাধন হৈছে। গতিকে তৎকালীনভাৱে কিবা ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থাৰ লগতে হাতীৰ সৈতে সংঘৰ্ষত মৃত্যু হ'লে Forest Department-এ যি চাৰি লাখ টকাৰ ক্ষতিপূৰণ দিয়ে, সেইটো অতি সোনকালে দিয়াৰ ব্যৱস্থা ল'বলৈ মই অনুৰোধ জনাইছোঁ। মোৰ বিধায়ক হোৱাৰ মাত্ৰ দুমাহ হৈছে, এই দুমাহৰ ভিতৰত আজিৰ ঘটনাটোৰ লগত মোৰ সমষ্টিত তিনিজন ব্যক্তিয়ে হাতীৰ আক্ৰমণত ইতিমধ্যে প্ৰাণ হেৰুৱালে। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছোঁ যে CM Relief Fund-ৰ পৰা পঞ্চাশ হাজাৰ টকাকৈ দুজনক দিব পাৰিছোঁ। গতিকে Forest Department-ৰ যি ব্যৱস্থা আছে, পাৰিলে আৰু বঢ়াব লাগে, সেইখিনিকে কৈ সমাপ্ত কৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, বন আৰু পৰিবেশ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা,পৰিবেশ আৰু বন মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক পদ্ম হাজৰিকা দেৱে অত্যন্ত এটা গুৰুত্বপূৰ্ণ সমস্যাৰ কথা আজি বিধানসভাৰ মজিয়াত উত্থাপন কৰিছে। যদিও বাক্সা জিলাৰ কথাটো লৈ ভাৰত ভূটান-সীমান্তৰ বাক্সা জিলা বা ভাৰত-ভূটান সীমান্তত চলি থকা বনৰীয়া হাতীৰ উপদ্ৰৱৰ কথা ইয়াত উল্লেখ কৰিছে, কিন্তু সেই সমস্যাটো সমগ্ৰ অসমজুৰি আছে। ইতিমধ্যে, অহা ১৫ তাৰিখে আমি বিধানসভাৰ সন্মানীয় সদস্যসকলক আপোনাৰ জৰিয়তে ইতিমেধ্য এখন পত্ৰ দিয়া হৈছে আৰু আপোনালোক সকলোৱে সেই পত্ৰ পাব। অহা ১৫ তাৰিখৰ অধিবেশনত বাজেটৰ ওপৰত আলোচনা শেষ হোৱাৰ পিছতে আমি Central Hall-ত যিসকল

বিধায়কৰ সমষ্টিত হাতী আৰু বান্দৰৰ সমস্যা আছে, এই দুটা সমস্যাৰ ওপৰত আমি বিস্তৃতভাৱে আলোচনা কৰিম আৰু আপোনালোক সকলোকে মই আজিয়েই অনুৰোধ কৰিছোঁ যে, আপোনালোকৰ সকলোৰে হয়তো কোৱাৰ সুবিধা নহ'লেও আপোনালোকে লিখিতভাৱে আপোনালোকৰ পৰামৰ্শ আৰু ঠাই সমূহ চিনাক্ত কৰি দিব যে কোন কোন এলেকাত হাতী আৰু বান্দৰৰ আটাইতকৈ ডাঙৰ সমস্যা হৈ আছে। আপোনালোকৰ ব্যক্তিগত পৰামৰ্শ কি আছে কাৰণ আপোনালোক জনপ্ৰতিনিধি হিচাপে আপোনালোকে সেই অঞ্চলৰ পৰিৱেশ-পৰিস্থিতি ভালদৰে বুজি পায়। গতিকে আমি সেই কথাটোকে এটা আলম হিচাপে ল'ম যে আমাৰ জনপ্ৰতিনিধিসকলে কি কৈছে আৰু সন্মানীয় বিধায়ক পদ্ম হাজৰিকা ডাঙৰীয়াই কোৱাৰ দৰে হাতীৰ লগত যিসকল জৰিত, তেখেতেও যথেষ্ট ঘনিষ্ঠভাৱে হাতীৰ লগত জৰিত হৈ থাকে, যথেষ্ট অভিজ্ঞতাও আছে। এনেকুৱা অভিজ্ঞতাসম্পন্ন কিছু ব্যক্তিৰ লগত, experts সকলৰ লগতো আমি, জনপ্ৰতিনিধিৰ সভাখন হৈ যোৱাৰ পিছতে আমি তেখেতসকলৰ লগতো বহিম আৰু তেখেতসকলৰো পৰামৰ্শ ল'ম আমি কেনেকৈ এই সমস্যাৰ সমাধান কৰিব পাৰোঁ। এটা কথা স্পষ্ট যে এতিয়ালৈকে যিকেইটা ব্যৱস্থাৰে আমি কাম কৰিছিলো, সেই ব্যৱস্থাবিলাকৰ মাজত এটা কথা স্পষ্টকৈ ক'ব পাৰোঁ যে য'তেই বনাঞ্চল বৃদ্ধি হৈছে তাত হাতীৰ উপদ্ৰৱ কমি আহিছে। তাৰ জ্বলন্ত উদাহৰণ হ'ল বুঢ়াপাহাৰ, তাৰ জ্বলন্ত উদাহৰণ হ'ল গোৱালপাৰা জিলাৰ কিছু অঞ্চল, হোজাই জিলাৰ কিছু অঞ্চল । য'তেই আমি বেদখল উচ্ছেদ কৰি নতুনকৈ গছগছনি - বৃদ্ধি হৈছে লগাইছোঁ বা বনাঞ্চল, তাতেই ৰাইজৰ ওপৰত বা মানুহৰ ওপৰত হাতীৰ উপদ্ৰৱ কমি আহিছে। গতিকে, দীৰ্ঘম্যাদীৰ কথাটো এইটোৱে যে আমি বনাঞ্চল বৃদ্ধি কৰিব লাগিবই। তাত আৰু বেলেগ কথা নাই । এতিয়া বনাঞ্চল বৃদ্ধি একেদিনাই হ'ব নোৱাৰে যে আজি গছ লগালোঁ আৰু কাইলৈ বনাঞ্চল হৈ গ'ল, এনেকুৱা নহয়। ইয়াৰ বাবে এটা পৰিকল্পনা লাগিব। মইও অহা ১৫ তাৰিখৰ সভাত আপোনালোকৰ পৰা আগ্ৰহ ৰাখিম যে আপোনালোকৰ অঞ্চলত কোনবোৰ বনাঞ্চল বেদখল বা ধ্বংস হৈছে, তাৰ তথ্যও দিয়ক আমি যাতে সেই

বনাঞ্চলসমূহ উন্নত কৰাৰ বাবে এটা পৰিকল্পনালৈকে যাব পাৰোঁ। আপোনালোকৰ অঞ্চলত যিবোৰ বনাঞ্চল বেদখল হৈছে বা বনাঞ্চল ধ্বংস হৈছে, তাৰ তথ্যখিনিও দিয়ক। আমি সেই সমূহতো দীৰ্ঘম্যাদী পৰিকল্পনাৰে সেইসমূহত কেনেকৈ বনাঞ্চল বৃদ্ধি কৰিব পাৰো, তাক আমি লক্ষ্য ৰাখিম। কাৰণ বনাঞ্চল বৃদ্ধি পালে হাতীৰ উপদ্ৰৱ কমে, এইটো প্ৰমাণ হৈছে , অসমৰ তিনি চাৰিটা ঠাইত প্ৰমাণ হৈছে। এইটো কথা ঠিক, আজি পদ্ম হাজৰিকা ডাঙৰীয়াই যিটো ভাৰত-ভূটান সীমান্তৰ কথা কৈছে, সেই গোটেই সীমান্তটো এনেকুৱা যে ইয়াৰ এটা দীঘলীয়া হাতীৰ route আছিল, য'ত কালিংদুৱাৰ অঞ্চলৰ পৰা আৰম্ভ কৰি সোনকোষ নদীৰ কাষলৈকে ৰাইমনালৈকে এই হাতীবোৰে ভূটানৰ পাদদেশেৰে চলাচল কৰিছিল। এইটো এটা হাতীৰ route-আছিল। বিভিন্ন ঠাইত, কিছুমান জংঘল নোহোৱাই হওঁক, কিছু কিছু সৰু সুৰা-infrastructure য়ে হওঁক আৰু বিভিন্ন কাৰণত এতিয়া সেই অঞ্চলৰ হাতীবোৰ তললৈ নামি অহা আৰম্ভ কৰিছে। মই নলবাৰী জিলাৰ সমষ্টি এটাক প্ৰতিনিধিত্ব কৰোঁ। মই জন্মৰ পৰা যোৱা তিনি-বছৰ আগলৈকে নলবাৰীত হাতী অহা দেখা নাছিলো চাৰি। নলবাৰীৰ মানুহৰ হাতীৰ লগত তেনেকুৱা পৰিচয়েই নাছিল, কাৰণ তাত হাতী আহিবলগীয়া জংঘলো নাছিল। কিন্তু যোৱা তিনিচাৰি বছৰৰ পৰা ভূটান পাহাৰৰ দিশৰ পৰা - হাতীবোৰ নলবাৰীলৈ নামি অহা আৰম্ভ কৰিলে যেযোৱা ৯ তাৰিখে মোৰ নিজৰ সমষ্টিতেই এগৰাকী ব্যক্তি হাতীৰ আক্ৰমণত নিহত হ'ব লগা হৈছে। গতিকে এই ধৰণৰ সমস্যাবোৰ ইয়াৰ কিছুদিন আগতেও হৈছে । সেইদিনাখন বাজেট submission আছিল, তাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াও হৈছিল। মই যোৱা কালি তালৈকে গৈছো, ৰাইজৰ লগত কথা পাতিছোঁ আৰু বন বিভাগেও তেনেকুৱা কথাত যিখিনি সহায় কৰিব পাৰি, সেইখিনি সহায় কৰিছোঁ। কিন্তু মূল কথাটো হ'ল—এই সমস্যাৰ স্থায়ী সমাধান আমি কেনেকৈ কৰিব পাৰোঁ? হ্ৰস্বম্যাদী পৰিকল্পনাও থাকিব লাগিব, দীৰ্ঘম্যাদী পৰিকল্পনাও থাকিব লাগিব আৰু দীৰ্ঘম্যাদী পৰিকল্পনাটোৱেই হৈছে স্থায়ী পৰিকল্পনা । নিশ্চয়কৈ হাতীৰ সংখ্যা সন্মানীয় সদস্য পদ্ম হাজৰিকা ডাঙৰীয়াই যিটো কৈছে, চৰকাৰী তথ্যই সেইটোৱেই কয়

যে বহুত  ডাঙৰ বৃদ্ধি পাইছে বুলি ক'লেও সেইটো উচিত নহ'ব। বৃদ্ধি হৈছে, হাতীৰ সংখ্যা কমা নাই, বৃদ্ধি হৈছে। কিন্তু বনাঞ্চল ইমান বেছি  হ্রাস পাইছে যে এই বৃদ্ধিয়ে বনাঞ্চল হ্রাসৰ লগত অনুপাত )ratio) মিলাব পৰা নাই। দ্বিতীয়তে, হাতীৰ কিছুমান সমস্যা এটা হৈছে যে বিশেষকৈ মেঘালয়, নাগালেণ্ডৰ সীমান্তত যিবিলাক হাতী আছিল, সেই হাতীবিলাকত তাত বিভিন্ন কাৰণত বহু ঠাইত বিভিন্ন খবৰ আহে যে হাতীৰ তাত অত্যাচাৰ হয়, হাতীক কেতিয়াবা মাৰি খোৱাৰ তথ্যও আহে। এনেকুৱা বাকী ওচৰ-চুবুৰীয়া ৰাজ্যৰ কিছুমানত আছে। আৰু সেইকাৰণে সেই ৰাজ্যসমূহৰ পৰা হাতীবিলাক তললৈ অসমলৈ নিৰাপদ ভূমি বুলি বেছিকৈ অহা আৰম্ভ কৰিছে। সেইকাৰণে মেঘালয় সীমান্তত, নাগালেণ্ডৰ সীমান্তত হাতীৰ সংখ্যাটো আগতকৈ বৃদ্ধি হৈছে, কিন্তু সেই অঞ্চলত থকা হাতীবিলাকে এতিয়া তললৈ নামি আহিছে। এনেকুৱা এটা সমস্যা হৈছে। গতিকে এই গোটেইখিনি কথা আমি যদি চাওঁ, তাৰ কাৰণে আমি এটা পৰিকল্পিত ব্যৱস্থাৰ মাজেৰে যাব লাগিব। আৰু এইবাৰ Budgetত আমি তাৰ কাৰণে হাতী-মানুহৰ সংঘাত নিৰ্মূল কৰিবৰ কাৰণে Budget ৰাখিছোঁ। কিধৰণে আমি কৰিব পাৰোঁ? হ্রস্বম্যাদী আৰু দীৰ্ঘম্যাদী পৰিকল্পনা। হ্রস্বম্যাদী পৰিকল্পনাত আমি বিভিন্ন ঠাইত Solar Fencing লগাইছোঁ। কিন্তু Solar Fencingৰ কথাবিলাক এনেকুৱা হৈছে কৰবাত Solar Fencing লগাইছোঁ, সেইফালে যোৱা নাই আকৌ বেলেগফালে অহা আৰম্ভ হৈছে। গতিকে Solar Fencingৰ যদি পৰিকল্পনা কৰি আৰু বিজ্ঞানসন্মতভাৱে লগোৱা নহয়, তেতিয়া তাৰো এটা বিৰূপ প্ৰতিক্ৰিয়া হয়। কাৰণ আমাৰ তাতে এনেকুৱা হৈছে যে কৰবাত আমি Solar Fencing লগাই দিছোঁ, সেই areaটোলৈ যোৱা নাই, কিন্তু তাৰ বেলেগফালে অহা আৰম্ভ হৈছে। Ultimately কৰবাত নহয় কৰবাত অত্যাচাৰটো হৈছে । গতিকে Solar Fencingবিলাকো আমি কেনেকৈ কৰিব পাৰোঁ, এই কথাবিলাকো আমি অকণমান আলোচনা কৰাৰ কথা আছে। নিশ্চয়কৈ যেতিয়া ক্ষতিপূৰণৰ কথা আহে, আচলতে সমস্যাটো হয় যেতিয়া হাতীয়ে খেতি-পথাৰলৈ আহে, তেতিয়া ৰাইজৰ মনত এটা ধাৰণা হয় যে খেতিদৰাটো খাই পেলালে গোটেই বছৰটো

তেওঁ আৰু চলিব নোৱাৰিব। গতিকে নিজৰ ভৱিষ্যতৰ সুৰক্ষাৰ স্বাৰ্থত হাতীৰ লগত মুখামুখি সংঘাতলৈ বা খেদিবলৈ গৈ নিজৰ জীৱনো আহুতি দিয়ে। সেইকাৰণে এইবাৰ আমি এটা কথা ঘোষণা কৰিছোঁ যে য'তেই হাতীৰ উৎপাত কৰি বা আমাৰ খেতিপথাৰ বিনষ্ট হয়, খেতিপথাৰত যদি বিনষ্ট হয় বা খেতিপথাৰ হাতীয়ে খাব আহিলে, বেচি হৈ ছৈ যাতে নকৰে। আৰু আমি খেতিপথাৰৰ বাবে সম্পূৰ্ণ ক্ষতিপূৰণ প্ৰতি বিঘাত ৮০০০ টকা কাৰণ আজিকালি ধান খেতি ইত্যাদিৰ উৎপাদনৰ হিচাপত প্ৰায় ৭-৮ হাজাৰ টকা উৎপাদন হয় বা আয় হয় normally। কেতিয়াবা কিছুমান ধানৰ ক্ষেত্ৰত বেছি হয়। কিন্তু আমি কৈছোঁ যে প্ৰতি বিঘাত ৮ হাজাৰ টকাকৈ খেতিদৰা নষ্ট হোৱাৰ কাৰণে দি দিম। হাতী খেদাখেদি কৰি মানুহৰ মৃত্যু হ'ব নালাগে। গতিকে আমি প্ৰতি বিঘা হিচাপত যিটো ক্ষতিপূৰণ আছিল, তাক আমি বঢ়াই প্ৰতি বিঘাত ৮০০০ টকাকৈ দিব বিচাৰিছোঁ, যাতে হাতীৰ লগত সংঘাত কৰি মানুহে নিজৰ খাদ্যশস্য বা নিজৰ কৃষি ৰক্ষা কৰিবৰ কাৰণে আগবাঢ়ি গৈ নিজৰ মৃত্যু মাতি নানে। সেই কথাটোতো আমি এটা গুৰুত্ব দিছোঁ। আৰু পদ্ম হাজৰিকা ডাঙৰীয়াই যিটো কথা কৈছে যে বিভিন্ন ধৰণৰ হাতীৰ উপযোগী খাদ্য, সেই ঘাঁহেই হওক, ঔটেঙাই হওক, অন্যান্য খাদ্যই হওক, কেনেকৈ সিঁচি দিব পাৰি, প্ৰয়োজন সাপেক্ষে আমি কেনেকৈ কৰিব পাৰোঁ, ভিতৰুৱা অঞ্চললৈকে গৈ কেনেকৈ কৰিব পাৰোঁ, সেই কথাবিলাকো আমি এটা পৰিকল্পনাৰ মাজত ল'ব লাগে। যে আমি হাতীৰ উপযুক্ত খাদ্য যাতে বিভিন্ন অঞ্চলত বন বিভাগৰ উদ্যোগত যাতে আমি খাদ্য শস্যটো তৈয়াৰ কৰিব পাৰোঁ, যাতে হাতীয়ে উপযুক্ত খাদ্যটো পাব পাৰে। দ্বিতীয়তে ভাৰত-ভূটান সীমান্তত আমি আগতে দেখিছোঁ, খবৰ আছিল যে খৰালি দিনত সেই অঞ্চলত অলপ পানীৰ অভাৱ হয়। পানীৰ অভাৱ হলে হাতীবোৰ তললৈ আহে বুলি এটা তথ্য আছিল। যাৰ কাৰণে তাত কিছুমান water hole বা ডাঙৰ ডাঙৰ, সৰু সৰু পুখুৰী কিছুমান কৰা হৈছিল। সেই পুখুৰীত যাতে বাৰমাহে পানী থাকিব পাৰে, হাতীয়ে যাতে তাত পানী পাব পাৰে, সেই ধৰণৰ পৰিকল্পনাৰ কাম কৰা হৈছে। কিন্তু মই ভাবোঁ যে এই ধৰণৰ পানী জমা কৰি ৰখা

বা পানী বাৰমাহে থাকিব পৰা ব্যৱস্থাটো আৰু বৃদ্ধি কৰিব লাগিব, বিশেষকৈ য'ত পানীৰ এই সমস্যাটো আছে। হয়তো পানী তাত পৰ্যাপ্ত পালে হাতী হয়তো তললৈ নানামিবও পাৰে। এই কথাবিলাক আমি বিভিন্ন সময়ত চিন্তা-চৰ্চা কৰিছোঁ। এতিয়া বিভিন্ন সময়ত এই কথাটো কোৱা হৈছে যে কিছু এনেকুৱা গছ আছে যিবিলাক গছে হাতীৰ বিচৰণত বাধাৰ সৃষ্টি কৰিব পাৰে, যেনেকৈ Assam Lemon বা কাজি নেমু। তাৰ economic সুবিধাও আছে। কিন্তু কৰবাত যেনেকৈ আমি solar fencingৰ ঠাইত যদি এনেকুৱা ধৰণৰ কৰবাত নেমু গছ লগাব পাৰোঁ, কাইটীয়া গছ লগাব পাৰোঁ, যিয়ে আমাৰ ৰাইজক বা কৃষক সকলক এটা economic support কো দিব, আৰু তাৰ লগে লগে হাতীৰ বিচৰণত কৰবাত বাধা প্ৰদান কৰিব। সেইকাৰণে আমি ইতিমধ্যে বন বিভাগত সেই কথাটো চাব দিছোঁ যে এনেকুৱা large quantityত Assam Lemon আমি nursery produce কৰিব পাৰোঁ নেকি, যি আমি হাতী অহা অঞ্চললৈকে huge quantityত দিব পাৰো যে এই অঞ্চলটোত আপোনালোকে নেমু গছ লগাওক, কাইটীয়া গছ লগাওক যাতে হাতীৰ বিচৰণত ক'ৰবাত নহয় ক'ৰবাত আমি বাধা প্ৰদান কৰিব পাৰো বা সেই অঞ্চললৈকে নাহে তেনেকুৱা পৰিকল্পনা, এক তথ্যগতভাৱে কৈছে যে মৌ য'ত থাকে তাত হাতীৰ বিচৰণ কম হয় বা হাতী কমকৈ আহে। যদি সেই কথাও সত্য তেতিয়াহলে অসম বন বিভাগে সেই অঞ্চল সমূহত য'ত হাতীৰ উপদ্ৰব হয় তাত মৌ বাহ দিয়াৰ পৰিকল্পনা কৰাত কোনো অসুবিধা নাই। তাত economically জড়িত হৈ পৰিব কাৰণ যদি মৌ পালক নেমু গছৰ উৎপাদনত তেওঁলোকক সহায় কৰিব পাৰে, নেমু উৎপাদন হব, মৌ পালন হ'ব তাৰ লগে লগে হাতীৰ উপদ্ৰবতো ক'ৰবাত বাধা প্ৰদান কৰিব পাৰিব, এনেকুৱা ধৰণৰ economically সহায় হোৱা আৰু সেই অঞ্চলৰ ৰাইজে নিজেই যাতে আগ্ৰহ কৰি লয়, নিজেই যাতে আগ্ৰহ কৰে তেওঁলোকে নেমু গছ লগাই, নেমুৰ barrier সৃষ্টি কৰিব পাৰে বা নেমুৰ বেৰ সৃষ্টি কৰে, ঘৰতে মৌপালন কৰি এই ধৰণৰ economyৰ লগতে ক'ৰবাত হাতীৰ বিচৰণত বাধা প্ৰদান কৰিব। এই কথাবিলাক আমি হ্ৰস্বম্যাদী পৰিকল্পনাৰ মাজত ৰাখিব লাগিব। দীৰ্ঘম্যাদী পৰিকল্পনাই হ'ল আটাইতকৈ স্থায়ী

পৰিকল্পনা। কিন্তু হ্ৰস্বম্যাদী পৰিকল্পনা সমূহ আপোনালোকে ১৫ তাৰিখে হ'বলগীয়া আলোচনাত আপোনালোকৰ suggestion ৰাখিব, তাৰপিছত আমি expert সকলৰ লগত আলোচনা কৰিম। আৰু মই ভাবোঁ যে এই বছৰ আমি তেনেকুৱা কিছুমান পৰিকল্পনা আমি as pilot basisত কিছু কিছু অঞ্চলত কৰিম। ক'ৰবাত নেমু লগাই চাম, কৰবাত মৌমাখি ৰাখি চাম, কৰবাত এই ধৰণৰ কিছু কথা যিবিলাক আমি Solar Fencing যিবিলাক কৰিয়ে আছো আৰু ইতিমধ্যে তাৰ লগত আমি টৰ্চ লাইট দিয়া বিভিন্ন ধৰণৰ ফটকা ব্যৱস্থা কৰা, আৰু আমাৰ পদ্ম হাজৰিকা ডাঙৰীয়াই যিটো কথা কৈছে, সন্মানীয় বিধায়ক ডাঙৰীয়াই কোৱাৰ দৰে আমাৰ যিটো team আছে, আমাৰ উপদ্ৰৱ প্ৰতিদ্বন্দী দল হিচাপে আমি যিবিলাক ৰাখোঁ, তেওঁলোকক proper trainingৰ হয়তো প্ৰয়োজন। তেখেতে কোৱা কথাটো মই গুৰুত্ব সহকাৰে লৈছো যে তেওঁলোকৰ proper training বিলাক আমি কৰিব পাৰোঁ নেকি, মানুহক কিমান সংযতত ল'ব পাৰোঁ। দ্বিতীয়তে, কিছুমান এনেকুৱা হয় যে এই আঁচনিৰ কাৰণে আমি গজমিত্ৰ নামৰ এখন আঁচনি আনিছিলোঁ। যোৱা বছৰ কেইখনমান জিলাত আছিল, এইবাৰ প্ৰায় হাতীৰ উপদ্ৰৱ হোৱা প্ৰায়বিলাক জিলালৈকে গজমিত্ৰ আঁচনি খন আমি সম্প্ৰসাৰণ কৰিছোঁ। এই গজমিত্ৰ আঁচনিৰ জৰিয়তে আমি কেনেকৈ সেই কথাবিলাক নিয়ন্ত্ৰণত আনিব পাৰোঁ, তাৰ কাৰণেও চিন্তা কৰা হৈছে। Ex-gratia যি আমি দিব লাগে আপোনালোকৰ তাত যদি কৰবাত তেনেকুৱা হাতী-মানুহৰ সংঘাতত কোনো মানুহ মৃত্যুমুখত পৰে বা মৃত্যু হয়, আমি ৪ লাখ টকাকৈ দিওঁ বা খেতি-বাতি নষ্ট হ'লে, বাসগৃহ নষ্ট হ'লে permanent structure ৰ বাসগৃহ নষ্ট হলে ৩০ হাজাৰ টকা, খেৰৰ ঘৰ বা এনেকুৱা ধৰণৰ ঘৰ নষ্ট হ'লে ১০ হাজাৰ টকা, এইবিলাক আমি ex-gratia দিয়াৰ ব্যৱস্থা আছে। আপোনালোকে সেইখিনি বিভাগীয়ভাৱে কাম আগবঢ়োৱাৰ লগে লগে Genuinity ৰাখি এনেকুৱা নহয় যে নভঙা ঘৰো ১০ টা লিখি দিলো এইটো নহয়, Genuinity ৰাখি অন্তত বিধায়ক হিচাপে মোৰ ওচৰতো দিব, যাতে মই সেই কথাখিনি monitor কৰিব পাৰোঁ। যেনেকৈ আপুনি কৈছে, এতিয়া মোৰ সমষ্টিত মই যোৱাকালি যেতিয়া গৈছিলোঁ,

তেতিয়াই  এই ৪ লাখ টকাৰ cheque খন দি থৈ আহিছো। গতিকে আপুনিও Forest Departmentৰ কথাখিনি মোক জনাই দিব, মই যাতে Forestৰ বিষয়াক কব পাৰো আপুনি পিছলৈকে তাত যোৱাৰ লগে লগে সেই ৪ লাখ টকাৰ chequeখন মানুহজনক দি থৈ আহিব পাৰিব। কাৰণ আমি মানুহ এজন ঢুকালে ৪ লাখ টকাৰ cheque দিওঁ। নিশ্চয়কৈ কিছুমান ক্ষেত্ৰত ঘৰ-বাৰী বা ইয়াৰ কাৰণে এটা surveyৰ ব্যৱস্থা আছে, তাত অলপ সময় লাগে। কিন্তু মানুহজন ঢুকোৱাৰ লগে লগে  আপুনি।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (মন্দিয়া)** :- মাননীয় অধ্যক্ষ মহোদয়, তাতেই point এটা।

**মাননীয় অধ্যক্ষ** :-নাই নাই  মাজত নকব।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (মন্দিয়া)** :-  Just এটা point. ঘৰ এটাত 30,000 টকা খুব কম। আমাৰ SDRFত 50,000 টকা পায়। সেই নম্বৰটো দিলে ভাল।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী** :- এতিয়া যিমান খিনিলৈ দিব পাৰিছো ঘৰ এটা ভাঙিলে, এতিয়া  মানুহ এজন মৃত্যু হলে ৪ লাখ টকা তাৰ ক্ষতিপূৰণ হ'ব নোৱাৰে তেওঁৰ জীৱনত 5 crore টকাও উপাৰ্জন কৰিব পাৰে। গতিকে চৰকাৰে যিটো ব্যৱস্থাৰ মাজেৰে পাৰিব সিমানলৈকে যাব পাৰি, নিয়ম যিটো থাকিব। আপোনাৰ কথাটো আমি গুৰুত্বসহকাৰে ল'ম যে এই 30,000 টকাৰ পৰা 50,000 টকা হওঁক। এটা সময়ত ২ লাখ টকা দিছিলো এতিয়া ৪ লাখ টকালৈ আহিলো। চৰকাৰে এই কথাবিলাক সময়ে সময়ে চিন্তা কৰিব  বা তাৰ ক্ষতিপূৰণৰ সংখ্যাটো বঢ়াবৰ কাৰণে চেষ্টা কৰিব তাত কোনো আমাৰ আপত্তি নাই। ৰাইজক যিমান সহায় কৰিব পাৰো সেয়া আমাৰ কাৰণে, কল্যাণকামী চৰকাৰৰ কাৰণে সেইটো দায়িত্ব। গতিকে মই সেই কথাটো আপোনাৰ কথাখিনিও লক্ষ্য ৰাখিম কিন্তু আটাইতকৈ ডাঙৰ কথাটো হ'ব যে হাতীৰ বিচৰণ স্থলী যিয়ে ধ্বংস কৰিছে সেই ঠাই বিলাকত আমি গৈ বিচৰণ স্থলী স্থাপন কৰিব লাগিব। আমি তাত উচ্ছেদ কৰিব লাগিব, তাত গছ পুলি লগাব লাগিব আৰু এই

গছ পুলি লগোৱা উচ্ছেদ কৰা যি আমাৰ লক্ষ্য এই লক্ষ্যত প্ৰতিজন বিধায়কে সমৰ্থন কৰি কামখিনি কৰিব লাগিব। আপোনাৰ তাত যদি ফৰেষ্টৰ আপোনাৰ নিকটাত্মীয়ই ক'ৰবাত ঘৰ বনাইছে বা বেদখল কৰিছে সেয়া ভঙাৰ ক্ষেত্ৰত আপুনি আগভাগ ল'ব লাগিব কাৰণ হাতীক আমি সুৰক্ষা দিব লাগিব। আপোনাৰ যিসমূহ অঞ্চলত এনেকুৱা বেদখল হৈছে সেইসমূহ বেদখলমুক্ত কৰিবলৈ আমাক সহায় কৰক।

দ্বিতীয়তে, পদ্ম হাজৰিকা ডাঙৰীয়াই যিটো কথা কৈছে, তেখেতে বৰ আক্ষেপেৰে কৈছে। ইয়াত আমাৰ গোৱালপাৰাৰ বিধায়ক ডাঙৰীয়া বহি আছে। তেওঁৰ তাত গৈ এটা বিপদতে পৰিছিল, মানে নকৰিবলগীয়া মৰম বেছি। এই মৰমবিলাক আচলতে blackmailing ৰ লগত জড়িত হৈ আছে । মই আপোনালোকক স্পষ্টভাৱে কৈছো যে এইবাৰ বন্যপ্ৰাণীৰ যিসকলে blackmailing কৰিব, তেওঁক blackmailing ৰ কেচ লগাই কেনেকৈ জেলত ভৰাব লাগে সেইটো আমাৰ কাম। কাৰণ বন্যপ্ৰাণীৰ লগত blackmailing কৰা মানুহ আছে । এই কথাটো স্পষ্ট । আজি পদ্ম হাজৰিকা ডাঙৰীয়াই যিটো আক্ষেপেৰে কৈছে, আমাৰ ৰছিদ ডাঙৰীয়া আছে, তেখেতেও কথাটো জানে কথাটো গতিকে এনেকুৱা যিসকলে বন্যপ্ৰাণীৰ লগত blackmailing কৰিব আহিব, অন্ততঃ মই মন্ত্ৰী হৈ থকালৈকে এই blackmailer সকলক বাচি থাকিব নিদিওঁ। বন্যপ্ৰাণীৰ প্ৰতি আমাৰ দায়িত্ব আছে মৰম আছে। পদ্ম হাজৰিকা ডাঙৰীয়াতকৈ বেছি হাতী প্ৰেমী মানুহ হ'ব নোৱাৰে। পদ্ম হাজৰিকা হাতীৰ শত্ৰু, হাতী মাৰিবলৈ যোৱা মানুহ বুলি যিসকলে allegation আনিছিল, তেওঁ কিয় allegation আনিছিল ? পইচা নোপাৱাৰ কাৰণে allegation আনিছিল নেকি ? blackmailing কৰিবৰ কাৰণে allegation আনিছিল নেকি ? সেইটো চাই তেওঁৰ ওপৰত সম্পূৰ্ণ ব্যৱস্থা লোৱাৰ যিটো কাম সেইটো মন্ত্ৰী হিচাপে মই কৰি যাম। কাৰণ এই কথাবিলাকে আমাক বহুত ক্ষতি কৰে। এই কথাবিলাকে আমাৰ বন্য প্ৰাণী ৰক্ষাৰ ক্ষেত্ৰত বা এনেকুৱা ধৰণৰ সমস্যাবিলাকৰ ক্ষেত্ৰত বহুত ক্ষতি কৰে । এইবাৰ মই মন্ত্ৰী হিচাপে এইক্ষেত্ৰত অত্যন্ত কঠোৰ হ'ম । সেইসকল

মানুহক মই আজি এই সদনৰ পৰাই ক'ব বিচাৰিছো যে এইধৰণৰ blackmailing ৰ দোকানখন বন্ধ কৰক, Blackmailing যদি কৰিব যায়, তেওঁলোকৰ ক্ষেত্ৰত যিমান কঠোৰ হ'ব লাগে, সিমান কঠোৰভাৱে আমি কাম কৰিম। গতিকে এইটো মোৰ ইয়াৰ পৰাই এটা আগ্ৰহ থাকিব। বাকী নিশ্চয়কৈ যিখিনি কথা কৈছে সেয়া অত্যন্ত গুৰুত্বপূৰ্ণ। সেইকাৰণে মই অহা ১৫ তাৰিখে, ইতিমধ্যে মই অধ্যক্ষ মহোদয়ক পত্ৰ দিছোৱেই, আপোনালোকেও আজি বা কালিৰ ভিতৰত পত্ৰ পাব, ১৫ তাৰিখে বাজেটৰ আলোচনাৰ পিছতে আমি Central Hall ত সকলোৱে বহিম, হাতী–মানুহৰ সংঘাত আৰু বান্দৰৰ উপদ্ৰব এই দুইটাৰ ওপৰত আপোনালোকৰ যি পৰামৰ্শ বা যিধৰণৰ কথা আছে, নিজৰ নিজৰ সমষ্টিৰ epic point বিলাক কি ধৰণৰ হয়, ক'ত হয়, কেনেকৈ হয়, কি ধৰণৰ পৰামৰ্শ আপোনালোকৰ আছে, এই গোটেইখিনি আপোনালোকে তাত দিব আৰু আপোনালোকৰ পৰামৰ্শ সমূহ লৈ আমি কিছু expert ৰ লগত বহিম। এইবছৰ যিহেতু আমি বাজেটত টকাও ৰাখিছো, ব্যৱস্থাও আছে, গতিকে এই বছৰে আমি সেইধৰণৰ এটা পৰিকল্পনা ল'ম যি পৰিকল্পনাত কিছু বস্তু পাইলট হিচাপে হ'ব। কাৰণ আজিয়ে ক'ব নোৱাৰো যে সেইটো ১০০ শতাংশ সফল হ'ব নে নাই। গতিকে কিছুমান বস্তু আমি পাইলট হিচাপে কৰি চাম। যদি সফল হয়, হ্ৰস্বম্যাদী এই কামসমূহ আমি তীব্ৰভাৱে কৰিম আৰু দীৰ্ঘম্যাদী বনাঞ্চল সৃষ্টি কৰাৰ ক্ষেত্ৰত বা বনাঞ্চল বঢ়োৱাৰ ক্ষেত্ৰত যিমানখিনি কাম কৰিবলগা আছে আপোনালোকে নিৰ্দেশনা দিয়ক বা অনুৰোধ কৰক বা এটা ব্যৱস্থা দেখুৱাই দিয়ক। বনাঞ্চল সৃষ্টিৰ কাৰণে আমি সম্পূৰ্ণভাৱে আপোনালোকৰ লগত কাম কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং-৪। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ৩০১ ৰ অধীনত নিম্নলিখিত মাননীয় সদস্য সকলে তলত উল্লেখিত বিষয় সমূহৰ সম্পৰ্কত বিভাগীয় মাননীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। প্ৰথম মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াই ''মাইক্ৰ'ফাইনেঞ্চ উদগনি আৰু সকাহ আঁচনিৰ জৰিয়তে 'মাইক্ৰ'ফাইনেঞ্চ

কোম্পানীৰ ঋণ গ্ৰহণ কৰা অসমৰ সকলো মহিলাৰ সমূদায় ঋণ মাফ কৰা হ'বনে?''শীৰ্ষক বিষয়টোৰ উত্থাপনৰ জৰিয়তে বিত্ত বিভাগৰ মাননীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব।

যিজনে দৃষ্টি আকৰ্ষণ কৰিব তেওঁ ৫ মিনিট আৰু যিজনে উত্তৰ দিব তেওঁ ৫ মিনিট সময় পাব।

**শ্ৰী অখিল গগৈ, ( শিৱসাগৰ)**ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০২১ চনৰ বিধান সভাৰ আগত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সকলো অসমৰ মহিলাক প্ৰতিশ্ৰুতি দিছিল যে বন্ধন বেঙ্কৰ পৰা সকলো মহিলাকে মুক্তি দিয়া হ'ব, কৈছিলে যে আমি সিদ্ধান্ত লৈছো যে যিমান মহিলাই বন্ধন বেঙ্ক বা অন্য ''মাইক্ৰ'ফাইনেঞ্চৰ পৰা লোণ লৈছে, সেইবিলাক আমি ঘূৰাই দিম, আপোনালোকে ঘূৰাই দিব নালাগে। লোণ ঘূৰাই দিয়াৰ দায়িত্ব হিমন্ত বিশ্ব শৰ্মাৰ। ১ এপ্ৰিল, ২০২১ লৈকে যিমান লোণ ল'লে, চৰকাৰে আপোনালোকৰ সকলো লোণ ঘূৰাই দিব। এয়া আছিল অসমৰ বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিশ্ৰুতি আৰু সেই অনুসৰি আমি দেখিছিলো যে Assam Micro Finance Incentive and Relief Scheme **নামৰ এখন** আঁচনি তৈয়াৰ কৰিছিল ২০২৩ চনত। এই আঁচনিখনৰ জৰিয়তে তিনিটা category ত, Category-1, Category-2, Category-3 এই তিনিটা Category ত সৰ্বমুঠ Category-1 ত ১৬০০ কোটি টকা, Category-2 ত ১৯০ কোটি টকা আৰু Category-3 ত ৩০০ কোটি টকা ঘূৰাই দিয়া বুলি ইয়াত উল্লেখ আছে। অৱশ্যে তাৰ পাছত আৰু যদি দিছে তেতিয়াহ'লে মোৰ হাতত তথ্য নাই। ইয়াত প্ৰায় ২০০০ কোটি টকা মানৰ ধাৰ ঘূৰাই দিয়া বুলি কৈছে। অসমৰ মুখ্যমন্ত্ৰীয়ে স্পষ্টভাৱে কৈছিলে যে অসমৰ মহিলা সকলৰ সৰ্বমুঠ ধাৰ ১২,৫০০ কোটি টকা আৰু এই ১২৫০০ কোটি টকাৰ ভিতৰত ঘূৰাই দিছে প্ৰায় ২০০০ কোটি টকা বা তাৰ ওচৰে পাজৰে। সমূদায় মুঠ ধাৰ লোৱা মহিলাৰ সংখ্যা ২৭ লাখ আছিলে। কিন্তু এতিয়া বেছিভাগ মহিলাৰে, এতিয়ালৈকে দিলে ৮,৭২,৭৩৯, ৯৭,৯৩৮, ২,২২,৯৪৯ গৰাকীৰ অৰ্থ্যাৎ প্ৰায় ১০

লাখ গৰাকী মহিলাৰ ধাৰ ঘূৰাই দিলে। কিন্তু ২৭ লাখ মহিলাৰ ধাৰ এতিয়ালৈকে ঘূৰাই দিয়া নাই।

এতিয়া মোৰ প্ৰশ্নটো খুব্ স্পষ্ট। অসমৰ মুখ্যমন্ত্ৰীয়ে ২০২১ চনত প্ৰত্যেক গৰাকী মহিলাক কৈছিলে যে আপোনালোকে আৰু ধাৰ নামাৰিব। ধাৰ মৰাৰ দায়িত্ব হিমন্ত বিশ্ব শৰ্মাৰ। সেইবুলি কোৱাৰ বাবে অসমৰ মহিলা সকলে মাইক্ৰ'ফাইনেঞ্চৰ ধাৰ মৰাটো বন্ধ কৰি দিলে। কিন্তু বন্ধ কৰি দিয়াৰ পাছত এতিয়া চাৰিওফালৰ পৰা, কাৰোবাৰ ঘৰৰ পৰা টিভি, কাৰোবাৰ পৰা ফ্ৰিজ, কাৰোবাৰ ঘৰৰ পৰা টিনপাত, কাৰোবাৰ ঘৰৰ পৰা মটৰ চাইকেল, এনেকৈ জোৰ কৰি মাইক্ৰ'ফাইনেঞ্চ কোম্পানীবিলাকে আমাৰ হাতৰ পৰা বস্তু উঠাই লৈ গৈছে। মোৰ লগত বিভিন্ন ঠাইৰ মহিলাসকলে এই সম্পৰ্কে যোগাযোগ কৰি আছে। যোৱাকালি গোলাঘাট বিধান সভা সমষ্টিৰ মেৰাপানীৰ চাওদাং পথাৰ বন্ধন গোটৰ জুলি ঠেঙাল নামৰ মহিলা গৰাকীক বন্ধন গোটৰ মাষ্টাৰবিলাকে বহুত দিগদাৰ কৰিছে। হীৰামণি ঠেঙাল, মেৰাপানীৰ চাওদাং পথাৰ তৰালী চুকৰ, তেওঁকো আহি দিগদাৰ কৰিছে। হীৰামণি ঠেঙালৰ ৬০,০০০ টকাৰ সুত গৈ এতিয়া সুতে-মুলে ২ লাখ টকা হ'ল বুলি কৈছে। যদি তেওঁ টকা ঘূৰাই নিদিয়ে, তেওঁৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব বুলি কালি তেওঁক ভয় খুৱাইছে। জুলি ঠেঙালকো বাৰম্বাৰ ফোন কৰি আছে আৰু কৈছে যে পইচা ঘূৰাই দিবই লাগিব, চৰকাৰে কোনো পইচা ঘূৰাই নিদিয়ে। কালি গোলাপী বাইদেউ বুলি এগৰাকী মহিলা, তেখেতৰ ঘৰত সাংঘাতিক বেমাৰ হৈ আছে, সেই মানুহ গৰাকীকো বাৰম্বাৰ পইচা বিচাৰি আহি আছে আৰু সাংঘাতিক ধৰণে আমনি কৰি আছে।

অধ্যক্ষ ডাঙৰীয়া, অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেই সময়ত অসমৰ ২৭ লাখ মহিলাৰ ভোট পাবলৈ কৈছিলে যে আপোনালোকে ধাৰ মাৰিব নালাগে, ধাৰখিনি মই মাৰি দিম। তেওঁ ধাৰ মাৰিলে কিন্তু একেবাৰে কম টকা আৰু কম সংখ্যক মহিলাৰ। অৰ্থাৎ মহিলা সকলক তেওঁ যি প্ৰতিশ্ৰুতি দিছিলে,সেই প্ৰতিশ্ৰুতি যদি ১২,৫০০ কোটি টকাৰ হয়, তাৰে ২০০০ কোটি টকাৰ ধাৰ মাৰিলে। অৰ্থ্যাৎ তেওঁ ৮ শতাংশ, ৯ শতাংশ বা ১০ শতাংশ প্ৰতিশ্ৰুতি ৰক্ষা কৰিলে। ৯০

শতাংশ টকাৰ প্ৰতিশ্ৰুতি তেওঁ এতিয়ালৈকে ৰক্ষা কৰা নাই  যাৰবাবে মহিলাসকল এতিয়া এনেকুৱা বিপদত পৰিছে যে এতিয়া এনেকুৱা হৈছে যে আজি তিনিচুকীয়া জিলাত এনেকুৱা কোম্পানীসমূহে অত্যাচাৰ কৰিছে, আমাৰ কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু নাৰী মুক্তি সংগ্ৰাম সমিতিৰ বাৰম্বাৰ আন্দোলন কৰাৰ কাৰণে তিনিচুকীয়াৰ Office of the Circle Office  ৰ পৰা এখন Notice উলিয়াই দিলে যে কাৰো ঘৰলৈ গৈ যাতে কোনো Micro Finance Company ৰ কোনো agent বা মাষ্টৰে গৈ ঘৰত আমনি কৰিব নোৱাৰে, গ'লে দিগদাৰ কৰা হ'ব বুলি এখন  Notice উলিয়াই দিলে। অসমৰ মুখ্যমন্ত্ৰীয়ে সকলো মহিলাক প্ৰতিশ্ৰুতি দিছিলে আৰু সেই প্ৰতিশ্ৰুতিৰ ভিত্তিত ২০২১ চনত তেওঁ ভোট লাভ কৰিছিলে। তেওঁ সকলো মহিলাক কৈছিলে যে আপোনালোকে ধাৰ নামাৰিব, ধাৰ মাৰিম মই। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এখন আইন আছে এই সম্পৰ্কীয়। অসম  চৰকাৰৰ এখন আইন আছে  এই আইনখন হ'ল – The Assam  Micro Finance Institutions (Regulation of  money lending) Act 2020  এই আইনৰ 13  Sub section 6 ত অতি স্পষ্টকৈ লিখিছে যে কোনো মানুহে বা কোনো এজেন্টে কাৰো মানুহৰ ঘৰত গৈ পইচা বিচাৰিব নোৱাৰে। এইটো কেৱল পঞ্চায়ত অফিচত মাতি নিহে পইচা বিচাৰিব পাৰিব। দ্বিতীয়তে কৈছে  যে যদি কোনোবা এনে এজেন্টে গৈ এনেদৰে অসুবিধা কৰে তেতিয়া হ'লে সেই কোম্পানীটোৰ মালিক বা তেওঁলোকৰ Authority ক ৩ বছৰ  পৰ্য্যন্ত জেইল দিয়াৰ ব্যৱস্থা আছে। কিন্তু দুৰ্ভাগ্যবশত অধ্যক্ষ মহোদয়, এই আইনখন অসমত লাগু কৰা নাই। অথচ একে এখন আইন অন্ধ্ৰ প্ৰদেশত Andhra Pradesh Micro Finance Institutions (Regulation of  money lending) Act 2011 এইখন লগাই তাৰ  অৰ্থাৎ অন্ধ্ৰপ্ৰদেশৰ মহিলাসকলক ঋণৰ পৰা মুক্তি দিলে।  অসম চৰকাৰে কিন্তু নিজৰ  বিত্ত বিভাগৰ পইচা ঘূৰাই দি আছে। এই আইনখন কাৰ্য্যকৰী কৰিলে অসমৰ আমাৰ মহিলা বিলাক বাচি যাব। সেই কাৰণে মই আজি বিশেষকৈ বিত্ত মন্ত্ৰী মহেদায়, মুখ্যমন্ত্ৰী মহোদয় উপস্থিত থকা হ'লে বেছি ভাল আছিল  অসমৰ মুখ্যমন্ত্ৰীয়ে দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰা হ'বনে

নাই। অসমৰ প্ৰত্যেকগৰাকী মহিলাই Micro Finance ৰ পৰা ৰেহাই পাব নে নাই আৰু অসমৰ মহিলা বিলাকক আকৌ Micro Finance য়ে অত্যাচাৰ কৰিব নেকি ? এই বিষয়টোৰ ওপৰত সম্পূৰ্ণ তথ্য দাখিল কৰিবৰ কাৰণে সদনৰ ওচৰত মই অনুৰোধ জনাইছো । যাতে কোনো মহিলাৰ ওপৰত অত্যাচাৰ নহয় আৰু সকলোৰে ঋণ এই আইন অনুসৰি মই যি খন ২০২০ ৰ আইন ক'লো এই আইন অনুসৰি যাতে একদম বন্ধ কৰি দিয়া হয় তাৰ কাৰণে ব্যৱস্থা ল'বলৈ আহ্বান জনালো।

**মাননীয় অধ্যক্ষঃ** বিত্ত বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, পৰিবেশ আৰু জলবায়ু পৰিবৰ্তন, খনি আৰু খনিজ পদাৰ্থ, বিত্ত মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য অখিল গগৈ ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত দৃষ্টি আকৰ্ষন কৰিছে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো যে ৩০৭ ৰ জৰিয়তে তেখেতে কিছু কথা জানিব বিচাৰিছে আৰু মই ভাবো এই কথাখিনি সদনৰ জৰিয়তে অসমৰ ৰাইজেও গম পোৱাতো অত্যন্ত প্ৰয়োজন। প্ৰথম কথাটো হ'ল যে এই Micro Finance ৰ উদগণি বা সকাহ আঁচনিখন কিয় প্ৰৱৰ্তন কৰা হৈছিল ? আপোনালোক সকলোৱে জানে যে ২০২১ চনৰ মে মাহত আমি যেতিয়া চৰকাৰ গঠন কৰিছিলো দ্বিতীয়বাৰৰ বাবে, এই চৰকাৰ গঠনৰ সময়ত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া বিত্ত মন্ত্ৰীৰ দায়িত্বত আছিল আৰু তাৰ আগত ৰাইজৰ মাজত যেতিয়া আমি গৈছিলো নিৰ্বাচনৰ সময়ত তেতিয়া ৰাইজে এনেধৰণৰ সমস্যাৰ কথাবোৰ কৈছিল যে Micro Finance লোণে অসমৰ বহু মহিলাক যথেষ্ট বিপদত পেলাইছে, কষ্টত পেলাইছে আৰু সেই সময়ত মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কথা আছিল যে আমি চৰকাৰ গঠন কৰি কেনেকৈ এইসকল মহিলাক সকাহ দিব পাৰো আৰু সেই উদ্দেশ্য আগত ৰাখিয়েই ২০২১ চনত আমি দায়িত্ব লোৱাৰ পিছত আমি এখন আঁচনি আনিছিলো। Micro Finance ৰ উদগণি আৰু সকাহ আঁচনি এখন অনা হৈছিল আৰু এই আঁচনি অনাৰ আগতে আমি চাইছিলো যে কিমান মানুহৰ কিমান লোণ আছে। সেই সময়ত আনুমানিক হিচাব এটা দিয়া হৈছিল। তেখেতে

যিটো তথ্য দিছে যে ১২ হাজাৰ ৫ শ কোটি টকা। সেইটো এটা আনুমানিক হিচাব আছিল যে ইমান মানুহ ইমান  হয়টো হ'ব পাৰে, প্ৰায় ২৬ লাখমান মহিলা ইয়াত জড়িত থাকিব বুলি তথ্য দিয়া হৈছিল। এইটো এটা আনুমানিক তথ্য আছিল। এতিয়া আমি চৰকাৰ গঠন কৰাৰ আগত ২০২১ চনৰ আগৰ কথাটো আছিল যে বিভিন্ন ঠাইত বিভিন্ন ধৰণৰ মহিলাই বিশেষকৈ মহাজনৰ পৰা টকা লোৱাৰ যিটো ব্যৱস্থা আছিল ইয়াৰ পৰা সকাহ পোৱাৰ কাৰণে Micro Finance আৰম্ভ হৈছিল। যিবিলাক মানুহ ব্যক্তিগত ভাৱে এই বিত্তীয় বেংকিং ব্যৱস্থাৰ  মাজলৈকে নাহে, Traditional যিটো বিত্তীয় ব্যৱস্থা তালৈ নাহি  Micro Finance ৰ জৰিয়তে সকাহ লৈ , কিছুমানে ব্যৱসায় কৰিছিল, কিছুমান কামত তেওঁলোক নিয়োজিত হৈছিল। কিন্তু দুৰ্ভাগ্যৰ কথা এইটো আছিল যে ২০১৯-২০ চনৰ যি ক'ভিড মহামাৰী এই মহামাৰীৰ সময়ত কেইবাটাও পৰ্য্যায় আছিল । সেই পৰ্য্যায় সমূহত অসমৰ মহিলা সকলে ইচ্ছা থাকিওঁ, ইচ্ছা আছিল হয়তো ঘূৰাই দিম, তেওঁলোকে এটা পৰিকল্পনা কৰিয়েই লৈছিল। কিন্তু সেই ক'ভিডৰ  পৰিবেশৰ সময়ত বহু মানুহে ইচ্ছা থাকিও লোন ঘূৰাই দিব পৰা নাছিল।  গতিকে চৰকাৰখনৰ দায়িত্ব আছিল যে সেই ধৰণৰ লোকসকলক আমি কেনেকৈ সহায় কৰিব পাৰো তাৰ কাৰণে এটা পৰিকল্পনা কৰিছিলো । পৰিকল্পনা অনুযায়ীয়েই আমাৰ চৰকাৰে দায়িত্ব লোৱাৰ পিছতেই ১১ মে' তাৰিখে আমাৰ মাননীয় মন্ত্ৰী অশোক সিংহল ডাঙৰীয়াৰ সভাপতিত্বত এখন কমিটি গঠন কৰি দিয়া হৈছিল যে ইয়াক আমি কেনেকৈ কৰিব লাগে আৰু ঋণগ্ৰস্থ লোকসকলৰ দুখ নিৰাময় কৰিবৰ কাৰণে কেনেকৈ কাম কৰিব লাগে তাৰ কাৰণে এখন কমিটি বনাই দিয়া হৈছিল। এই কমিটিখনে ৰিৰ্জাভ বেংকৰ লগত ৰাষ্ট্ৰীয় স্তৰৰ বেংকাৰ্চ কমিটি বা SLBC কমিটি বুলি যি আমি কওঁ, NFI বিভিন্ন ধৰণৰ এই সংস্থা বিলাকৰ লগত আলোচনা কৰা হৈছিল আৰু সেই সংস্থাবিলাকৰ লগত কৰা বিভিন্ন আলোচনাৰ পিছত আমাৰ চৰকাৰে ২৪ জুন ২০২১ তাৰিখে অসম মন্ত্ৰী সভাই  অসম Micro Finance উদগণি আৰু সকাহ আঁচনি ২০২১ খন অনুমোদন কৰে আৰু সেইখন অনুমোদন কৰি আমি কেনেকৈ সকাহ দিব পাৰিম তাৰ পৰ্য্যালোচনাৰ কাম

আৰম্ভ কৰা হয়। ২০২১ চনৰ ২৪ আগষ্টত অসম চৰকাৰে ৩৭ টা এনেকুৱা ঋণ প্ৰদানকাৰী অনুষ্ঠানৰ লগত বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। ইয়াত বন্ধন বেংকে হওঁক, এইচ ডি এফ চি বেংকে হওঁক, এক্সিচ বেংকে হওঁক, আই ডি বি আই বেংক এনেকে ধৰি ৩৭ টা এনেকুৱা কোম্পানী বা বিত্তীয় অনুষ্ঠানৰ লগত বুজাবুজিৰ চুক্তি কৰা হয় আৰু এই বুজাবুজিৰ চুক্তিৰ জৰিয়তে আমি কেনেকৈ তাক নিৰাময় কৰিম তাৰ এটা ব্যৱস্থালৈ অনা হয়। এই যেতিয়া আমি বিভিন্ন সময়ত গাইডলাইন সমূহ বা সকলো বস্তু চাইছিলো তেতিয়া এটা কথা আহিছিল যে এটা বেংকে এগৰাকী ব্যক্তি বা এগৰাকী মহিলাক Micro Finance ত ৩ টাতকৈ আৰু ১ লাখ ২৫ হাজাৰতকৈ বেছি লোন দিব নোৱাৰে, এইটো হ'ল RBI ৰ Act violation যে RBI ৰ যিটো নিৰ্দেশনা এই নিৰ্দেশনা মতে এটা বেংকে এজন মানুহক ৩ টাতকৈ বেছি Micro Finance ৰ লোন দিব নোৱাৰে। এগৰাকী মহিলা অতি বেছি ১ লাখ ২৫ হাজাৰ টকা লোণ দিব পাৰে। গতিকে বহু বেংকৰ ক্ষেত্ৰত এই গাইডলাইন violation কৰা দেখা গ'ল ৪,৫,৬ টালৈকে লোণ দি দিলে। তেওঁলোকে ১ লাখ ২৫ হাজাৰ দিব লাগে, কিন্তু তেওঁলোকে ডেৰ লাখ দুই লাখ আঢ়ৈলাখ টকালৈকে লোন দি দিলে যিটো আচলতে Micro Finance ৰ গাইডলাইনত নপৰে। গতিকে নিয়মমাফিক বেংকে দিয়া লোনৰ পৰিমান বহুখিনি কম। যিটো আমি অনুমান কৰিছিলো, এই যেতিয়া নিয়মৰ বাহিৰত দিয়া লোনটো বেংকৰ ভুল বেংকে দিবই নালাগিছিল। গতিকে নিয়মৰ বাহিৰত তেওঁলোকে একমাত্ৰ বেংকৰ বিভিন্ন সা-সুবিধা বা ইনকাম বঢ়াবৰ কাৰণে জধেমধে মানুহক লোন দিছে। সেই সময়ত দেখা গৈছিল যে মানুহৰ বিত্তীয় অৱস্থাটো চাই তাৰ ওপৰত পৰ্য্যালোচনা কৰি লোন দিয়া হয়। এই কথাবিলাকটো তেওঁলোকে গুৰুত্ব নিদিলে আৰু তেনেকুৱা ধৰণৰ কিছু কাম কৰিলে যিবিলাক আচলতে RBI ৰ গাইডলাইনৰো পৰিপন্থি বা গাইডলাইন violation কৰি কৰা হৈছিল। এই কথাবিলাক লক্ষ্য ৰাখি আমাৰ চৰকাৰে যাতে বিত্তীয় শৃঙ্খলা ৰক্ষা কৰিব পাৰে আৰু আই মাতৃসকলক সকাহ দিব পাৰে এই গোটেইখিনি কাম কৰি এই আঁচনিখন আনিছিল। এই আঁচনিখনৰ সময়ত আমি দুটা কথাত গুৰুত্ব

দিছিলো, এটা হ'ল উদগণি আৰু এটা হ'ল সকাহ। এই আঁচনিখনৰ নামে হ'ল, অসম Micro Finance ৰ উদগণি আৰু সকাহ আঁচনি। মহিলা সকলক উদগণি দিয়া আৰু সকাহ দিয়া। ইয়াত আমি ৩ টা কথা চিন্তা কৰিছিলো যে যি সকল ভালকৈ বিত্তীয় শৃংখলা বজাই ৰাখি তেওঁলোকে লোন ঘূৰাই দি আছে, তেওঁলোকক আমি এটা উদগণি দিম যাতে তেওঁলোকে আৰু ভালকৈ কাম কৰিব পাৰে । বেংকৰ লোন লোৱাটো কোনো দোষ নহয় , বেংকৰ পৰা লোন লৈ তেনেকৈ আমি ব্যৱসায় আগবঢ়াই নিয়াটো এটা ভাল কথা। ইয়াক উদগণি দিয়াৰ কাৰণে ২৫ হাজাৰ টকাকৈ দিয়াৰ কাৰণে এটা আঁচনিৰ ভিতৰত আছিল। আঁচনিটোৰ প্ৰথম পৰ্য্যায়ত আমি কৈছিলো যে যি সকলে ভালকৈ লোন ঘুৰাই দিলে, নিয়মিয়াকৈ লোণ পৰিশোধ কৰিলে, তেওঁলোকক আমি ২৫ হাজাৰকৈ প্ৰথম পৰ্য্যায়ত আমি দিছিলো আৰু আমাৰ সন্মানীয় সদস্যগৰাকীয়ে যিটো তথ্য দিছে , তেওঁ কিছু তথ্য কমকৈ পাইছে চাগে। তেওঁ স্বীকাৰো কৰিছে যে মোৰ তাত তথ্য নাই ইমানখিনিয়েই পাইছো । গতিকে তথ্যখিনি মই কৈ দিছো যে প্ৰথম শ্ৰেণীত যি সকলে নিয়মিয়াকৈ ঋণ দি আছিল, তেনেকুৱা ৮ লাখ ৭২ হাজাৰ ৭ শ ৩৯ গৰাকী ব্যক্তিক ১ হাজাৰ ৫ শ ৯৯.১৬ কোটি টকাৰে তেওঁলোকক ২৫ হাজাৰ টকাকৈ দিছিলো তেওঁলোকক উদগণি হিচাবে । তেওঁলোকে যাতে ব্যৱসায়টো আৰু ভালকৈ কৰে। তাৰ পিছত ২য় শ্ৰেণী এটা কৰা হৈছিল য'ত ১ ৰ পৰা ৮৯ দিনলৈকে অৰ্থাৎ NPA হোৱাৰ আগলৈকে যি সকল লোকৰ লোনটো NPA হোৱা নাই তেনেকুৱা লোক সকলৰ বকেয়াটো ঘূৰাই দিবৰ কাৰণে আমি সিদ্ধান্ত লৈছিলো আৰু পিছত সেই মৰ্মে ৯৭,৯৩৮ গৰাকী আই মাতৃক ১৯০ কোটি টকা দি তেওঁলোককো NPA য়ে হোৱাৰ পৰা সম্পূৰ্ণ ৰূপে ৰক্ষা কৰা হৈছিল। তেওঁলোকৰ যাতে Civil ভাল থাকে NPA নহয়,ভৱিষ্যতলৈ লোন ল'ব পাৰে এই কামখিনি আমি কৰিছিলো। তৃতীয় শ্ৰেণীটো আছিল যে যিসকলে NPA য়ে already হৈ গ'ল বিভিন্ন সময়ত তেওঁলোকে ভাড়া দিব নোৱাৰিলে এই NPA য়ে হৈ যোৱা লোকসকলক আমি দুটা শ্ৰেণীৰ ৩ ৰ প্ৰথম আৰু দ্বিতীয় পৰ্য্যায়ত আমি সহায় কৰিছিলো। প্ৰথম পৰ্য্যায়তোত আমি চাইছিলো যে যিসকল অতি

দুখীয়া, বেচি অভাৱত আছে  সেইসকল মানুহক আমি Priority ত আনিছিলো। সেই Priority টো চাই আমি  কৈছিলো যে যিয়ে ২৫ হাজাৰ টকা পৰ্য্যন্ত বকেয়া মূলধন আছে, তেওঁলোকক আমি তৃতীয় শ্ৰেণীৰ প্ৰথম পৰ্য্যায়ত  দি আৰু তেনেকুৱা ২,২২, ৯৪৯  গৰাকী ব্যক্তিক ২৯১ কোটি টকা ঋণ মাফ কৰি বা ঋণ তেওঁলোকৰ ঘুৰাই দি বেংকসমূহত ঋণসমূহ ঘুৰাই দি তেওঁলোকক আমি ঋণ মুক্ত কৰিছিলো। তাৰ পিছত এই কথাটো ২৫ হাজাৰৰ পৰা আমি ২৫ হাজাৰ ১ টকাৰ পৰা ৫০ হাজাৰ টকালৈ আহিলো। ৫০ হাজাৰ টকালৈ  অহাৰ পিছত আমি তাতো  ৭২ হাজাৰ ৪৪ গৰাকী ব্যক্তিক ৭৮ হাজাৰ ৮৬ গৰাকী ঋণ লোৱা মানুহক আমি ২২৩.২৫ কোটি টকা দি  তেওঁলোককো ঋণ মুক্ত কৰো। তাৰ মানে  প্ৰথম হ'ল এটা insentive দিলো ২৫ হাজাৰ টকাকৈ। Second  হ'ল NPA হ'ব খুজা প্ৰায় ১ লাখ মহিলাক আমি NPA য়ে  পৰা ৰক্ষা কৰিলো তেওঁলোকৰ ঋণ মুক্ত কৰি দিয়া হ'ল। তৃতীয়তে ৫০ হাজাৰ ২৫ হাজাৰ আৰু ৫০ হাজাৰ  দুটা পৰ্য্যায়ত আমি ৫০ হাজাৰ টকালৈ যাৰ ঋণ আছিলে তেওঁলোকক প্ৰায় ২ লাখ ২২ হাজাৰ অন্ততঃ প্ৰায় ৩ লাখতকৈ বেছি মহিলাক আমি টকা দি তেওঁলোকক ঋণ মুক্ত কৰা হ'ল।  এতিয়া তেখেতে যিটো কৈছে, এটা পৰ্য্যায় হ'ল যে ৫০ হাজাৰৰ পৰা ১লাখ ২৫ হাজাৰলৈকে। ১ লাখ ২৫ হাজাৰৰ ওপৰখিনি illegal. কাৰণ এইটো RBI guideline মতে দিবই নোৱাৰে। গতিকে ৫০,০০০ পৰা ১ লাখ ২৫ হাজাৰৰ যিটো পৰ্য্যায় এই পৰ্য্যায়টোক আমি দিব লাগেনে নালাগে ? কাৰণ আমি যি পইচা দিম এয়া চৰকাৰৰ, ৰাইজৰ টকা। গতিকে ইয়াক কেনেকৈ ব্যৱহাৰ কৰিছো আৰু আমি কি উদ্দেশ্যৰে ব্যৱহাৰ কৰিছো এইটো  চাব লাগিব। এই উদ্দেশ্যটো আছিল যে অসমত যিটো সমস্যা হৈছিলে এই সমস্যাৰ পৰা আমি আই মাতৃ সকলক সকাহ দিবৰ কাৰণে কৰিছিলো আৰু ইয়াত চাইছিলো যাতে আমাৰ জনমূৰি  আয় যিধৰনেই আছিল সেই সময়ত সেই জনমূৰি আয়ৰ প্ৰভাৱটো কি হৈছিল ? এই লোন Repay কৰাৰ কাৰণে আমাৰ জনমূৰি আয়টো প্ৰভাৱটো কি হৈছিল। যি সময়ত আমি এই আঁচনিখন আৰম্ভ  কৰিছিলো , যি সময়ত সেই ঋণ data সমূহৰ পৰিৱেশ আছিল , তেতিয়া আমাৰ এই গোটেই

ব্যৱস্থাটোত কেনেকৈ আমাৰ চৰকাৰখনক অসমৰ ৰাইজয়ে সকাহ পাইছিলে, ২০২০-২১ বিত্তীয় বৰ্ষত Per capiter Net state domestic product ত আছিল ৮৬,৯৪৭ । ৮৬,৯৪৭ টকা সেই সময়ত ২০২০-২১ যেতিয়া আমি এই ঋণ বিলাক ঘূৰাই দিয়া নাছিলো, বা ঋণৰ সকাহ আঁচনি আৰু উদগনি আঁচনিখন অনা নাছিলো । তাৰ পিছত যেতিয়া আমি ২০২০-২১ চনত ইয়াত হ'ল Per capitar Net state domestic product ত আছিল ৮৬,৯৪৭ আৰু ২০২৪-২৫ বৰ্ষত, যেতিয়া বিত্তীয় বৰ্ষৰ হিচাপ আহিল ই বাঢ়ি গৈ ১ লাখ ৫৯ হাজাৰ ১৮৫ টকালৈ আহিল। তাৰ মানে ইয়ে আমাৰ সমাজৰ যিটো কাৰণত এই আঁচনিখন অনা হৈছিল যে আমাৰ ৰাইজৰ যাতে জনমূৰি হেচাতো নপৰে , তেওঁলোকৰ বিত্তীয় অৱস্থাটো সুশৃংখল কৰি আগবঢ়াই নিব পৰা যায় , এই কথাবিলাকক যেতিয়া আমি লক্ষ্য কৰি চালো ইয়াত দেখা গ'ল যে ৮৬ হাজাৰ পৰা ১৫৯ হাজাৰলৈকে বাঢ়িলে ।গতিকে ইয়ে নিশ্চয় প্ৰমাণ কৰিলে যে সেই আঁচনিখন কিমান ফলপ্ৰসূ আছিল, কিন্তু এইটো নহয় যে চৰকাৰী তহবিলৰ টকা যেতিয়াই - তেতিয়াই খৰচ কৰিব পাৰিব। কাৰণ ইয়াত বহুত ধনি মানুহও আছে। চাকৰীয়াল মানুহৰ পৰিবাৰও আছে । তেওঁলোকে ভাবি ল'লে যে চৰকাৰে দিব । গতিকে আমি আকৌ এবাৰ মুক্ত হৈ গলো, তেওঁলোকে দিব পাৰে। দিব পৰা দিব নোৱাৰা যিসকল মানুহ, যিয়ে ৫০ হাজাৰ টকাৰ তলৰ মানুহ, ৫০ হাজাৰ টকা ঋণ লৈ ঘূৰাই দিব পৰা নাই তেওঁলোকক দিয়া হ'ল। ২৫ হাজাৰলৈকে দিলো, তাৰ পিছত ৫০ হাজাৰলৈকে Loan amount লৈকে আমি দিলো । গতিকে তেওঁলোকতকৈ দুখীয়া মানুহখিনিক দিয়া হ'ল । এতিয়া যি সকলে দিব পাৰে , সেয়া চৰকাৰী বিষয়াৰ পৰিবাৰ হ'ব পাৰে , ভাল স্বচ্ছল ভাৱে Income Tax দিয়া মানুহ হ'ব পাৰে৷ তেওঁ ভাবিছে যে চৰকাৰে পইচা দিব পাৰে সেইবুলি তেওঁ ঘূৰাই নিদি ৰখি থাকিলেতো নহ'ব । তেওঁলোকে দিব লাগিব আৰু এই কথাতো স্পষ্ট যে এই গোটেই তথ্যখিনি পিছত চোৱা যায় যিটো কথা আমি কৈছিলো, যে প্ৰথমতে যিটো ২৬ লাখ আৰু ১২,৫০০ কোটি টকাৰ কথা কোৱা হৈছিলে , প্ৰকৃতাৰ্থত এই যে Loan illegally দিলেএই তথ্য বিলাক যদি আমি চাওঁ,সেই data বিলাকৰ

ক্ষেত্ৰত আমি এতিয়ালৈকে যি দিছো তাৰ তথ্য হ'ল ১২,৭১,৬৭২ গৰাকী মানুহক আমি পইচা ঘুৰাই দিছো। ১২, ৭১,৬৭২ গৰাকী , আৰু ইয়াতে আমি ২৩ শ ৩.৪১ কোটি টকা ঘুৰাই দিছো৷ তেখেতে যদি ২ হাজাৰ বুলি কৈছে , প্ৰকৃততে আমি ২৩ শ ৩'৪১ কোটি টকা ঘুৰাই দিছো আৰু আমি ১২ লাখ ৭১ হাজাৰ আই মাতৃক আমি ঘুৰাই দিছো । তাৰ পিছতো এই যিটো slab, এই slab ৰ ভিতৰত হয়তো ৩/৪ লাখ মহিলা থাকিব। এই বিলাক Capableমহিলাও থাকিব বহুত, ৩/৪ লাখ মহিলা বা ৫ লাখ মহিলা থাকিব পাৰে । সেইখিনিক যিহেতু আমি চৰকাৰৰ পুঁজিটো হ'ল ৰাইজৰ বিভিন্ন ধৰনৰ,ইয়াক ব্যৱহাৰ কৰোতে আমি চৰকাৰেও জবাব দিব লাগিব যে এইখিনিক দিয়াৰ প্ৰয়োজন আছেনে নাই আৰু আজিৰ তাৰিখৰ Per capita Income যি ধৰনে Growth হৈছে তাৰ লগে লগে আমি অৰুণোদয় পৰা মহিলা উদ্যমিতালৈকে আৰু এই বছৰও আমি চৰকাৰে অসমৰ Welfare scheme , 6 thousand Crore' ৰ কথা ঘোষনা কৰিছো। এই ৬ হাজাৰ কোটি টকা আমি অহা বছৰত আমি দিম। এই ধৰনৰ এটা ৰাইজক Welfare scheme কৰি থকাৰ সময়ত ইয়াৰ প্ৰয়োজনীয়তা আছে বুলি আজিৰ চৰকাৰে ভবা নাই আৰু যিয়ে দিব পৰা মানুহ তেওঁলোকে দিব লাগে। দুখীয়া মানুহখিনিক ইতিমধ্যে দিয়া হ'ল । সেই কাৰণে মই ভাবো যে আমি যিধৰনে মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছিলে, মুখ্য মন্ত্ৰী ডাঙৰীয়াই যিধৰনে দুখীয়া ৰাইজক সকাহ দিবৰ কাৰণে আমাৰ যিসকল প্ৰকৃতাৰ্থ প্ৰয়োজনীয় মানুহক সকাহ দিবৰ বাবে কাৰণে যি আঁচনি আনিছিল আৰু ইয়াক বিত্তীয় সংস্থা সমূহৰ লগত আলোচনা কৰি অনা হৈছিল । বিত্তীয় সংস্থা সমূহৰ পৰা পৰামৰ্শ লৈ তেওঁলোকৰ কথাখিনিক লৈ এখন কেবিনেট মন্ত্ৰী লেভেলৰ কমিটি কৰি তেওঁলোকৰ লগত বিভিন্ন সময়ত আলোচনা কৰি কৰা হৈছিল৷ ঠিক তেনেধৰনে আমি তাৰ কাৰণে বিভিন্ন সংস্থাৰ লগত MOU স্বাক্ষৰ কৰি কামসমূহ আগবঢ়াই নিছিলো, আৰু সেই মতে আমি কামসমূহ কৰি গৈছিলো। গতিকে আমাৰ সম্মানীয় সদনত এই কথাটো জনাবলৈ পাই আনন্দিত হৈছো আমি যি ধৰনে ৰাইজক প্ৰতিশ্ৰুতি দিছিলো এই প্ৰতিশ্ৰুতি আমি ৰক্ষা কৰিছো আৰু প্ৰতিশ্ৰুতি ৰক্ষা কৰি কাম

আগবঢ়োৱা কাৰণে ২০২১ চনত আমাক ৰাইজে এই কথাখিনিৰ কাৰণে নিশ্চয়কৈ ভোট দিছিলে। তেখেতেই স্বীকাৰ কৰিছিল আৰু ২০২৬ চনত ৰাইজে ইমান ভোট দিলে যে ইয়াত ১০২ খন  আসন আমাক দিলে। যদি আমি ভুল কৰিলোহেতেন তেতিয়া হ'লে নিশ্চয়কৈ ৰাইজে ভোট নিদিলে হতেন। গতিকে আমি ৰাইজৰ প্ৰতিশ্ৰুতি পূৰণ  কৰিছো, আৰু পূৰণ কৰি যাম। ধন্যবাদ, অধ্যক্ষ মহোদয়।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ ***

**মাননীয় অধ্যক্ষ ঃ** এইটো debate নহয়।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ ***

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (বিত্ত্মন্ত্ৰী)ঃ***

**মাননীয় অধ্যক্ষ ঃ** এইখিনি কথা নালাগে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ ***

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য ড০ আচিফ মহম্মদ নাজাৰ ডাঙৰীয়াই ''**চৰকাৰী স্কুলত ছাত্ৰ- ছাত্ৰীক ইউনিফৰ্ম যোগান**'' শীৰ্ষক বিষয়টো মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব, আৰু অখিল গগৈ ডাঙৰীয়াই পিছত যিখিনি কথা কৈছিলে আৰু মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিখিনি উত্তৰ দিছিলে সেইখিনি পাৰিত কৰা হ'ল, আৰু **expunge** কৰা হ'ল।

---

***Expunged as ordered by the Chair**

**ড০ আচিফ মহম্মদ নাজাৰ ,বিধায়কঃ** – মাননীয় অধ্যক্ষ মহোদয়, যোৱা মাহত **' দৈনিক অগ্ৰদূত'** পেপাৰত এটা বাতৰি প্ৰকাশ হৈছিল, তাত লিখিছিলে '' **চৰকাৰী স্কুলত ছাত্ৰ- ছাত্ৰীক ইউনিফৰ্ম যোগানৰ** নামত ল'ৰা ধেমালি । শিক্ষা বৰ্ষৰ তিনি মাহৰ পিছতো ইউনিফৰ্ম পোৱা নাই – 'নৱম –দশম' শ্ৰেণীৰ ছাত্ৰ- ছাত্ৰীয়ে । সিও স্বাস্থ্যৰ বাবে ক্ষতিকাৰক ৭০ শতাংশ পলিষ্টাৰ যুক্ত ইউনিফৰ্ম বিতৰণ বিদ্যালয়ত। মাননীয় অধ্যক্ষ মহোদয়, চৰ্ম ৰোগৰ চিকিৎসক তথা গৱেষক সকলে অধ্যয়নত প্ৰকাশ কৰিছে যে-পলিষ্টাৰ কাপোৰ দেহৰ কাৰণে হানি কাৰক। ৬০,৭০ শতাংশ যি কপাহ আছে (কটন) আমি ব্যৱহাৰ কৰিব লাগে কাপোৰত। মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে দেখিছো যে শিশু সকলৰ গাত যি ছাল থাকে বহুত পাতল হয়, কোমল আৰু স্পৰ্শকাতৰ হয়। গতিকে বিশেষজ্ঞ সকলে কৈছে যে polyster শিশুসকলৰ বাবে বা কিশোৰ সকলৰ বাবে ব্যৱহাৰ কৰিব নালাগে। আমি সকলোৱে জানো যে পেট্ৰ'লিয়ামৰ পৰা polyster ৰ fibre বনোৱা হয় , আঁহটো বনোৱা হয় আৰু সেই একে আঁহে আমি দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা পানীৰ বটলত ব্যৱহাৰ কৰো

**( আসনত মাননীয় উপাধ্যক্ষ )**

যদি এই কাপোৰ পৰিধান কৰা হয় এই polyster ৰ মাজেৰে বতাহ নাযায়। যাৰ কাৰণে গাৰ ঘাম বহি যায় আৰু ছালৰ ছিদ্ৰবোৰ বন্ধ হৈ যায়। সেই polyster ৰ কাৰণে আমাৰ ছালৰ আদ্ৰতা শোষণ কৰিব নোৱাৰি যাৰ বাবে হিটব্ৰাস, খজুৱতি বা বিভিন্ন ধৰণৰ সমস্যা Dermatitis হ'ব পাৰে Eczema হ'ব পাৰে, এইবোৰ বিভিন্ন ধৰণৰ সমস্যা হ'ব পাৰে। বস্ত্ৰ বিশেষজ্ঞ আৰু গৱেষক সকলে ইয়াৰ ওপৰত যি অধ্যয়ন কৰিছে তাত এক ভয়াৱহ তথ্য আহি পৰিছে সেইটো প্ৰকাশ পাইছে। Arizona State University (ASU) ৰ এজন বিশেষজ্ঞ Dr Rolf Halden তেখেতে কৈছে যে polyster বা কৃত্ৰিম বস্তু যদি ব্যৱহাৰ কৰা হয় তাত Antimony নামৰ এটা গধুৰ ধাতু ব্যৱহাৰ কৰা হয়। এই Antimony নামৰ গধুৰ ধাতু ব্যৱহাৰ কৰাৰ লগে লগে আপোনাৰ ছাল বা উশাহ-নিশাহত শিশুৰ সমস্যা হ'ব পাৰে। সেই একে ধৰণে যুক্তৰাষ্ট্ৰৰ বৃহৎ তত্ববিদ Toxicologist Dr Vivian

Howard য়ে কৈছে যে polyster যুক্ত কাপোৰ পিন্ধাৰ লগে লগে  সেই কাপোৰৰ পৰা কাপোৰ ধোৱাৰ লগে লগে বা যেতিয়া শিশু বা কিশোৰজনে কাপোৰযোৰ পিন্ধি থাকিব তেতিয়া তাৰ পৰা micro plastic ওলাব পাৰে ক্ষুদ্ৰ ক্ষুদ্ৰ ব্যৱধানত। এই micro plastic য়ে  দেহত ছালৰ জৰিয়তে হওঁক বা উশাহৰ জৰিয়তে বিয়পি যায়, বিয়পি গ'লে ভৱিষ্যতে hormonal ভাৰসাম্যতা হ'ব পাৰে আৰু hormonal ভাৰসাম্যতা যদি হয় তেতিয়াহ'লে ভৱিষ্যতে সেই ছাত্ৰজন বা ছাত্ৰীজনীয়ে সন্তানহীনতাত ভূগিবলগীয়া  হ'ব পাৰে। সেই একে ধৰণে Duke University ৰ Dr Heather Stapleton তেখেতে কৈছে যে এই polyster ব্যৱহাৰে কিশোৰ বা শিশুৰ মগজুৰ বিকাশ বা endocrine বা hormonal deficiency হ'ব পাৰে  বা থায়ৰয়ড hormonal deficiency ও হ'ব পাৰে বুলি কৈছে। গতিকে ভাৱক এই polyster কিমান ভয়াৱহ কিশোৰ বা শিশু সকলৰ কাৰণে। গতিকে বিশেষজ্ঞ সকলে নিজে কৈ আছে যে ২০ ৰ পৰা ৩০ শতাংশৰ ওপৰত polyster ব্যৱহাৰ কৰিব নালাগে আৰু ৬০ ৰ পৰা ৭০ শতাংশ cotton ব্যৱহাৰ কৰিব লাগে। তাৰ পিছতো দেখা গৈছে যে ইমান ধুনীয়াকৈ  বিশেষজ্ঞ সকলে বুজোৱাৰ পিছত বা সকীয়াই দিয়াৰ পিছতো আমাৰ অসমৰ বিদ্যালয়বোৰত যিবোৰ কাপোৰ দিয়া হয়, ছাত্ৰ্-ছাত্ৰীসকলক যিবোৰ Uniform দিয়া হয়, সেইবোৰত  polyster থাকে ৭০ শতাংশ আৰু তাত কোৱা হয় বা আমাৰ মন্ত্ৰী ডাঙৰীয়াই কৈছে যে ৩০ শতাংশ cotton থকা কাপোৰ আমাৰ স্বাস্থ্যৰ কাৰণে ভাল বুলি বিশেষজ্ঞই কৈছে। ইয়াৰ লগতে মন্ত্ৰী ডাঙৰীয়াই বাজেটৰ কথাও কৈছিল যে  ৬০০ টকাত ২ যোৰ কাপোৰ বাজেটৰ অভাৱৰ কাৰণে ৭০ শতাংশ polyster থকা কাপোৰ দিয়া হৈছে। গতিকে আপোনাৰ জৰিয়তে সুধিব বিচাৰো যে বাজেট নথকাৰ কাৰণে আমি ল'ৰা-ছোৱালীৰ শৰীৰৰ বাবে ভাল নোহোৱা কাপোৰ ব্যৱহাৰ কৰিম জানো বা দিম জানো ? ইয়াৰ উপৰিও আমি সকলোৱে জানো যে কোটি কোটি টকা আমি হিতাধিকাৰীৰ আঁচনিৰ বাবে দি আছো। আমি অলপ বাজেট বঢ়াব নোৱাৰো নে ? এই ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যতৰ কাৰণে তেখেত সকলৰ শৰীৰৰ কাৰণে, শৰীৰটো যাতে ভালে থাকে তাৰ কাৰণে ব্যৱস্থা কৰিব নোৱাৰো নে ? ইয়াৰ

উপৰিও মাননীয় উপাধ্যক্ষ মহোদয়, কাকতত আহিছে যে নৱম, দশম শ্ৰেণীৰ যি সকল ছাত্ৰ-ছাত্ৰী আছে, তেওঁলোকক uniform দিয়া হোৱা নাই। এই কাকত খন আছিল তিনি মাহ আগৰ এতিয়ালৈ ৪ মাহ হৈ গ'ল। এই ৪ মাহলৈকে নৱম, দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলে uniform পোৱা নাই। তাৰ লগতে আৰু এটা ডাঙৰ তথ্য মন্ত্ৰী মহোদয়ে জানে নে নাজানে মই নাজানো যে, প্ৰথম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈকে uniform দিয়া হৈছে আৰু uniform বোৰৰ যিসকল বিক্ৰেতা আছে, সেই বিক্ৰেতাৰ এখন list দিয়া হয়, সেই list ৰ পৰাহে শিক্ষক সকলে uniform কিনিব লাগে বা শিক্ষকসকলে কোন বিক্ৰেতাক দিব সেইটো নিৰ্ধাৰণ কৰি দিব লাগে। সেই বিক্ৰেতা সকলৰ লগতে মধ্যভোগীও আছে। তেখেতসকলে মিলি জুলি অভিযোগ পোৱা মতে কলিকতাৰ পৰা নিলামত কাপোৰ আনি কোনো size নোহোৱা, জোখ-মাখ নথকা কাপোৰ ছাত্ৰ-ছাত্ৰীক দি দিয়ে যাৰ কাৰণে বহুত ছাত্ৰ-ছাত্ৰীয়ে সেই জোখ-মাখ নথকা কাপোৰ পৰিধানেই কৰিব নোৱাৰে। ঘৰতে পৰি থাকে। সেই একে ধৰণে মোৰ সমষ্টিতে বা মৰিগাঁওতে গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৰৌ-মাৰী হাইস্কুল আৰু অন্যান্য ৭-৮ খন হাইস্কুলত নৱম, দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলে uniform যে পোৱা নাই। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া সন্মানীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি শিক্ষাৰ অধিকাৰ আইনে সামৰি লোৱা প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ ছাত্ৰ-ছাত্ৰী সকলক সমগ্ৰ শিক্ষাৰ অধীনত আমি uniform প্ৰদান কৰো। নৱম আৰু দশম শ্ৰেণীৰ যি সকল ছাত্ৰ-ছাত্ৰী থাকে প্ৰায় ৬ লাখ ৭০ হাজাৰ ছাত্ৰ-ছাত্ৰী। এই ছাত্ৰ-ছাত্ৰী সকলৰ uniform অসম চৰকাৰে SOPD ৰ অধীনত uniform যোগান ধৰো। Class-I ৰ পৰা Class –VIII লৈকে যি uniform দিয়া হয়, সেই uniform কেন্দ্ৰীয়ভাৱে আমাৰ বিভাগে বা সমগ্ৰ শিক্ষাই ক্ৰয় নকৰে। এই uniform ক্ৰয় কৰে School Management Committee য়ে আৰু School Management Committee য়ে ক্ৰয় কৰাৰ পিছত যাতে uniform ৰ মানদণ্ড ৰক্ষা হয়, তাৰ

কাৰণে উপাধ্যক্ষ মহোদয় অসম চৰকাৰে  সমগ্ৰ শিক্ষাৰ ফালৰ পৰা uniform বিলাকৰ এটা random তাৰ quality checking কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছো। যোৱা বছৰ যেতিয়া quality checking কৰিছিলো তেতিয়া ৩০ শতাংশ uniform sample fail কৰিছিল আৰু এই uniform খিনি ঘূৰাই তাত নতুনকৈ পুনৰ যোগান ধৰাৰ কাৰণে নিৰ্দেশ দিয়া হৈছে। এই বছৰ আমাৰ  ৫,৮৬৭ টা কাপোৰৰ নমুনা পৰীক্ষা কৰা হ'ল  গোটেই অসমত আৰু এইখিনি পৰীক্ষা কৰাৰ পিছত এইবাৰ failure ৰ হাৰটো হ'ল ৫ শতাংশ অৰ্থাৎ এই কথাটোৱে আমাক প্ৰমাণ কৰে যে আমি যি specification মতে বিদ্যালয়ত uniform যোগান ধৰিবলৈ নিৰ্দেশ দিয়া হৈছে সেই specification বা মানদণ্ড ৰক্ষা কৰি বিদ্যালয়ত uniform যোগান ধৰা হৈছে। যি ৫ শতাংশ fail কৰিছে তেওঁলোকক আমি বাৰণ কৰো , তেওঁলোকক blacklisted কৰা হয়। এতিয়া বিদ্যালয়ত যি সকলে uniform যোগান দিয়ে তাত আমি টেণ্ডাৰিঙতো অংশগ্ৰহণ নকৰো আমি কেৱল quality check কৰো  আৰু quality check কৰি যি যোগানীয়াৰে তাত ব্যৰ্থ হৈছে তেওঁ quality maintain কৰাৰ কাৰণে তেওঁক বন্ধ কৰি দিয়া হয় যে এই জনৰ পৰা কিনিব নোৱাৰিব। এই fail কৰা যি ব্যৰ্থ হৈছে সেই যোগানীয়াৰৰ পৰা বিদ্যালয়ে পুনৰ uniform কিনিব নোৱাৰিব এই ব্যৱস্থা কৰাৰ পিছত আমাৰ uniform ৰ মানদণ্ড উন্নত হৈছে। উপাধ্যক্ষ মহোদয়, এতিয়া মই দ্বিতীয়টো কথালৈ আহো কোৱা হৈছে যে আমি যিটো Indian Standard DISO ৰ দ্বাৰা certified যে ৭০ শতাংশ polyster আৰু ৩০ শতাংশ cotton mix, এই uniform ভাৰতবৰ্ষ জুৰি ব্যক্তিগত খণ্ডৰ বহু বিদ্যালয়তো এই Standard ৰ uniform ৰ যোগান ধৰা হয়। কোৱা হৈছে যে এইটো স্বাস্থ্যৰ কাৰণে, ছালৰ কাৰণে ক্ষতিকাৰক। কোনে ক'লে ক'ত আছে এইটো তথ্য। ভাৰতবৰ্ষৰ বিজ্ঞানৰ কোন প্ৰতিস্থানে কৈছে যে 70% polyester টো ক্ষতিকাৰক। কাৰণ যেতিয়া কথাবোৰ ওলাইছিল মইও internet ত search কৰি চাইছিলো যে  70% polyester টো কেনেকৈ ক্ষতিকাৰক। Synthetic কাপোৰ আমি সকলোৱে পিন্ধো, আমি সকলোৱে polyester mix কাপোৰ

পিন্ধো। মই এতিয়া পিন্ধি থকা কোটটোও syntehetic হয়, ইয়াতো polyester আছে।

**ডা: আছিফ মহম্মদ নাজাৰ (লাহৰীঘাট) :** ছাৰ, USA ৰ University ৰ বিশেষজ্ঞই কৈছে।

**ডা: ৰণোজ পেগু ( মন্ত্ৰী, বিদ্যালয় শিক্ষা ইত্যাদি ) :** কথাই প্ৰতি আমি বিদেশলৈ যাব নালগে, আজি আমি পৃথিৱীৰ ভিতৰত এখন উন্নত ৰাষ্ট্ৰ, আমাৰ বিজ্ঞান-প্ৰযুক্তিও আন দেশৰ লগত সমহাৰত আছে। ভাৰতবৰ্ষৰ কোন বৈজ্ঞানিক প্ৰতিস্থানে কৈছে যে 70% polyester টো ক্ষতিকাৰক ? ইয়াৰ লগত আমি cotton mix কৰো। Comfort ৰ কাৰণে cotton mix কৰা হয় আৰু durability আৰু maintenance অৰ্থাৎ wrinkle free কৰাৰ কাৰণে তাত polyester add কৰা হয়। 100% polyester আমাৰ বিদ্যালয়ত কোনেও দিব নোৱাৰে, ই ক্ষতিকাৰক হ'ব পাৰে। সেয়ে তাৰ লগত আমি 30% cotton mix কৰা কাপোৰ দি আছো, ই কোনোধৰণে ক্ষতিকাৰক নহয় আৰু যোৱা ৫ বছৰতো শিক্ষামন্ত্ৰী হৈ আছিলো, আজিলৈকে মই কোনো বিদ্যালয়, অভিভাৱকৰ পৰা অভিযোগ পোৱা নাই যে ইউনিফৰ্মৰ কাৰণে শিক্ষাৰ্থীৰ খজুৱতী হৈছে বা অসুবিধা হৈছে। মানদণ্ডটো maintain কৰিবৰ কাৰণে আমি চেষ্টা কৰিছো। Polyester with cotton – এই টেক্সটাইলটো দিয়াৰ কাৰণে আমাৰ added advantage টো হ'ল যে আমি ইউনিফৰ্মৰ durability আৰু maintenance টো সহজ কৰিব পাৰিছো। প্ৰত্যেকৰ ঘৰত ইস্ত্ৰী নাই।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** ৬০০ টকাত এতিয়া ক'ত দুযোৰ কাপোৰ পায় ?

**ডা: ৰণোজ পেগু ( মন্ত্ৰী, বিদ্যালয় শিক্ষা ইত্যাদি ) :** ভাৰতবৰ্ষৰ অসমৰ বজাৰত পায়।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** আপুনি তেনেকুৱা কাপোৰ পিন্ধে নে নিপিন্ধে ? শিক্ষাৰ্থীসকলক যি ৬০০ টকাৰ কাপোৰ পিন্ধিবলৈ দিছে তাৰো আকৌ 20% কমিশ্যন খাবলৈ সাজু হৈ থাকে। উপাধ্যক্ষ ডাঙৰীয়া, এইটো কেতিয়াও হ'ব নোৱাৰে ......

................(সদনত হুলস্থূলীয়া পৰিৱেশ)..................

......আমাৰ শিক্ষাৰ্থীসকলক যি কাপোৰ দিয়া হৈছে তাতকৈ এজন MLA য়েই পিন্ধা এটা গেঞ্জীৰ দামো বেছি। গতিকে মই ভাবো যে এইটো সলনি কৰিব লাগে, বেলেগ মেটেৰিয়েলৰ কাপোৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ কণ-কণ ল'ৰা-ছোৱালীৰ ওপৰত এনেকুৱা অত্যাচাৰ কেতিয়াও মানি লোৱা নহ'ব।

**মাননীয় উপাধ্যক্ষ :** Please be seated.

**ডা: ৰণোজ পেগু ( মন্ত্ৰী, বিদ্যালয় শিক্ষা ইত্যাদি ) :** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য ডা: আছিফ ম: নাজাৰ ডাঙৰীয়াই যি বিষয় উত্থাপন কৰিছিল তাৰ লগতে আৰু এটা বিষয় তেখেতে উত্থাপন কৰিছে যে ইউনিফৰ্মৰ চাইজ নিমিলে। ছাত্ৰ-ছাত্ৰীসকলৰ কাৰোবাক চাইজতকৈ ডাঙৰ আৰু কাৰোবাক চাইজতকৈ সৰু ইউনিফৰ্ম যোগান ধৰা হয় আৰু এই সমস্যাৰ সমাধান ক'ৰবাত ক'ৰবাত হ'বও পাৰে। এইটো সমাধান কৰাৰ বাবে ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে যে এই বছৰৰ পৰা যেতিয়াই শিক্ষাসেতু Appত শিক্ষাৰ্থীৰ enrollment হ'ব তেওঁৰ ইউনিফৰ্মৰ চাইজ যাতে তাতেই উল্লেখ কৰা হয় আৰু সেই ইউনিফৰ্মৰ চাইজ মতেহে যাতে যোগনীয়াৰ সকলে ইউনিফৰ্ম যোগান ধৰে তাৰ কাৰণে শিক্ষাৰ্থীৰ তালিকা আৰু তেওঁলোকৰ চাইজবোৰ যোগনীয়াৰ সকলক দিবৰ বাবে আমাৰ বিদ্যালয় মেনেজমেন্ট কমিটিক জনাইছো। নৱম-দশম শ্ৰেণীৰ ইউনিফৰ্ম অসম চৰকাৰে SOPD শিতানৰ পৰা দিয়ে আৰু সেই শিতানত ইতিমধ্যে ১৬ খন জিলাত ইউনিফৰ্ম দিয়াৰ কাম সমাপ্ত হৈছে। আমি সকলোৱে জানো যে এই বছৰ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ বাবে MCC আছিল। আমাৰ বহুত কামৰ নিবিদা প্ৰক্ৰিয়াবোৰ কৰোতে পলম হৈছিল। কিন্তু এতিয়া ১৬খন জিলাত ইউনিফৰ্ম যোগান ধৰাৰ কাম আমি সম্পূৰ্ণ কৰিছো। বাকী যিকেইখন জিলা আছে সেইসমূহৰ ইউনিফৰ্ম বৰ্তমান transit ত আছে। জুলাই মাহৰ শেষত গৰম বন্ধ খোলাৰ লগে লগে বাকী জিলা সমূহতো নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে ইউনিফৰ্ম পাব। মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় বিধায়ক গৰাকীক কথাখিনি জনালো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ :** ধন্যবাদ।

**ডা: আছিফ ম: নাজাৰ (লাহৰীঘাট) :** মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই কোৱা কথাখিনি.......

**মাননীয় উপাধ্যক্ষ :** No. এইয়া নিয়ম নহয়, ইয়াত discussion বা debate নহ'ব।

Next, please. শ্ৰী বিশ্বজিৎ ফুকন ডাঙৰীয়া।

**শ্ৰী বিশ্বজিৎ ফুকন (সৰুপথাৰ) :** সন্মানীয় উপাধ্যক্ষ মহোদয়, মই ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অধীনত যি চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে সেই পাঠ্যক্ৰম সম্পৰ্কত বৰ্তমান যি অৱস্থা তাৰ ওপৰত দুটামান কথা সন্মনীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰো। এইবাৰ চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ তিনিটা বছৰ অতিক্ৰম কৰিলে আৰু 7th Semester ত শিক্ষাৰ্থীৰ নামভৰ্তিৰ সময় হ'ল। পূৰ্বতে তিনি বছৰীয়া পাঠ্যক্ৰমৰ যিটো পিৰিয়ড আছিল সেইটো শেষ হ'ল। আমি যেতিয়া চাৰি বছৰীয়া পাঠ্যক্ৰমৰ চতুৰ্থ বছৰত admission দিবলৈ লৈছো সেই মূহুৰ্তত ডাঙৰ কথাটো হ'ল যে আমি যেতিয়া ৪ বছৰলৈ বৃদ্ধি কৰিলো শিক্ষাৰ্থীৰ সংখ্যা ৩৩% বৃদ্ধি হ'ল। এই ৩৩% বৃদ্ধিৰ বিপৰীতে মহাবিদ্যালয় সমূহত কিন্তু শ্ৰেণীকোঠা বৃদ্ধি কৰা হোৱা নাই আৰু সামান্য ভাৱে মহাবিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰী সকলক শিক্ষা প্ৰদান কৰিবৰ বাবে যেনেদৰে শিক্ষকৰ নিযুক্তি হ'ব লাগিছিল, ৩৩% শিক্ষকৰ অতিৰিক্ত প্ৰয়োজন আছিল সেইখিনি নিযুক্তি হোৱা নাই। বৰঞ্চ যিখিনি শিক্ষক পূৰ্বতে retire হৈ গৈছে সেই সকলৰ নিযুক্তি প্ৰক্ৰিয়াটোও স্থবিৰ হৈ আছে। একোখন মহাবিদ্যালয়ত একোজন ছাত্ৰৰ বিপৰীতে বা এজন শিক্ষকৰ বিপৰীতে যিমান ছাত্ৰ থাকিব লাগে তাৰ পৰিৱৰ্তে ৩-৪ গুণ ছাত্ৰ-ছাত্ৰী হ'বলৈ ধৰিছে। আমাৰ নতুন শিক্ষানীতিৰ অনুসৰি প্ৰথম বছৰত পাছ কৰি যোৱাৰ পিছত ছাত্ৰ-ছাত্ৰী সকলক ডিগ্ৰী চাৰ্টিফিকেট হ'ব লাগিছিল, দ্বিতীয় বছৰত ডিপ্লমা, তৃতীয় বছৰত ডিগ্ৰী আৰু চতুৰ্থ বছৰত degree with honours, কিন্তু তিনিটা বছৰ অতিক্ৰম কৰিলে যিসকলে এবছৰত পাছ কৰি ওলাই গ'ল তেওঁলোকক আজিলৈকে অসমৰ কোনো মহাবিদ্যালয়ে

চাৰ্টিফিকেট প্ৰদান কৰা নাই। দুবছৰত পাছ কৰি ওলাই যোৱা সকলক ডিপ্ল'মা প্ৰদান কৰা নহ'ল আৰু যিসকল ছাত্ৰ-ছাত্ৰীয়ে এই বছৰ তৃতীয় বৰ্ষ অতিক্ৰম কৰিলে আৰু চতুৰ্থ বৰ্ষৰ পাঠ্যক্ৰমত নামভৰ্তি কৰিব বিচাৰিছে তেওঁলোকক মহাবিদ্যালয় কৰ্তৃপক্ষই কৈছে যে তেওঁলোকক পঢ়াবৰ বাবে শিক্ষকৰ অভাৱ, ছাত্ৰ-ছাত্ৰীৰ অভাৱ। ৪ৰ্থ বছৰত research paper যিহেতু থাকে সেয়ে research guide ৰ প্ৰয়োজন আছে। বিশ্ববিদ্যালয়ত research guide নিযুক্তি দিয়াৰ সময়ত Ph.D research guide ৰ সৈতে বহুতখিনি সাদৃশ্য থকাকৈ research guide ৰ quality বা qualification নিৰ্ধাৰণ কৰাৰ ফলত আজি মহাবিদ্যালয় সমূহত research guide ৰ অভাৱ হ'ল। একো-একোটা বিভাগ আছে য'ত doctor, professor এজনো নাই, কিন্তু তাত ৪ৰ্থ বৰ্ষ আৰম্ভ কৰিব লাগে। এতিয়া 7th Semester ত নামভৰ্তি হ'ব নে নহয় আজিলৈকে ছাত্ৰ-ছাত্ৰীসকল নিশ্চিত হ'ব পৰা নাই। ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি এটা খুব ভাল প্ৰক্ৰিয়ালৈ আমি গৈ আছো। ভাৰতবৰ্ষৰ ভিতৰত এই শিক্ষানীতি প্ৰৱৰ্তনৰ ক্ষেত্ৰত অসম আগস্থানত আছে। কিন্তু শিক্ষকৰ অভাৱৰ ফলত আমি মহাবিদ্যালয় সমূহত পাঠদান কৰিব পৰা নাই। ইয়াৰ লগতে আমি দেখিবলৈ পাইছো প্ৰায়বিলাক মহাবিদ্যালয়ে contractual teacher ৰ জৰিয়তে পাঠদান কৰাইছিল। কিন্তু যোৱা ৭ এপ্ৰিল তাৰিখে শিক্ষা বিভাগৰ পৰা ওলোৱা এখন circular ত কোৱা হ'ল যে কোনো ধৰণৰ contractual teacher বা contractuall staff ৰাখিব নোৱাৰিব, UGC norms অনুসৰি এজন সহযোগী অধ্যাপকে সপ্তাহত ১৪ ঘণ্টা ক্লাচ কৰিব লাগে। কিন্তু মহাবিদ্যালয় সমূহত শিক্ষক আৰু ছাত্ৰৰ অনুপাত এনেকুৱা হৈছে যে এজন এজন শিক্ষকে ২৪-২৫ ঘণ্টা পঢ়াবলগীয়া হৈছে । বহু ক্ষেত্ৰত ঠিকাভিত্তিক শিক্ষক নাথাকিলে সেই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক পাঠদান কৰাটো অসম্ভৱ হৈ পৰিছে। তাতে এইবাৰ ৪ৰ্থ বৰ্ষৰ ক্লাচ আৰম্ভ কৰিবলৈ দিয়া হৈছে । মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মই মাননীয় মন্ত্ৰীমহোদয়ক জনাব বিচাৰিছো যে মই নিজে প্ৰতিনিধিত্ব কৰা সৰুপথাৰ সমষ্টিৰ সৰুপথাৰ কলেজত ৬০০ শিক্ষা বিভাগৰ ছাত্ৰ-ছাত্ৰী আছে আৰু তাৰ বিপৰীতে শিক্ষকৰ

সংখ্যা মাত্ৰ এজন। তেনেক্ষত্ৰত ঠিকাভিত্তিক শিক্ষক নাথাকিলে বাকীসকল ছাত্ৰ-ছাত্ৰীক কেনেকৈ পঢ়ুৱাব ? ঠিকাভিত্তিক শিক্ষক যদিও ৰখা হয় তেওঁলোকক কেনেকৈ ৰখা হ'ব বা কেনেকৈ এৰি দিয়া হ'ব সেই ক্ষত্ৰত uniform নিয়ম হ'ব লাগে। ইয়াৰ লগতে মই ভাৱো যে আমি যিহেতু ৪ৰ্থ বৰ্ষ আৰম্ভ কৰিছো আৰু বহু কলেজত ঠিকাভিত্তিক শিক্ষক ৪০-৫০ জনলৈ ৰখা হৈছে। কিন্তু ইয়াৰ দৰমহাটো ক'ৰ পৰা আহিব এই বিষয়ে বিভাগে কেতিয়াওঁ চিন্তা কৰা নাই। সেই কাৰণে মই কওঁ যে প্ৰত্যেক মহাবিদ্যালয়ত Contractual, Visiting Professors or Part time Professors সকলে মহাবিদ্যালয়সমূহত শিক্ষাদান কৰিবৰ বাবে বছৰি কমেও ১০ লাখ টকা হ্ৰস্বকালীন অনুদান দিয়াৰ ব্যৱস্থা কৰিব লাগে। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে যিহেতু ৩৩ শতাংশ শিক্ষাৰ্থী আৰু ৩৩ শতাংশ ক্লাচ বাঢ়িছে ইয়াৰ বাবে শিক্ষক নিযুক্তি দিব লাগে, শ্ৰেণীকোঠা নিৰ্মাণ কৰিব লাগে। ইয়াৰ লগতে এটা জটিল বিষয় আছে যে যেতিয়া আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষসকলক ৫বছৰৰ কাৰণে নিযুক্তি হয়, তেওঁলোকে পূৰণি চাকৰিসমূহ ৰিজাইন নিদিয়ে আৰু পূৰণি চাকৰিটোৰ পৰা লিয়েন লৈ নতুন অধ্যক্ষৰ পদত যোগদান কৰে, যাৰ ফলত পূৰণি চাকৰিটো খালী হৈ থাকে। অসমত এনেদৰে প্ৰায় ২০০ টা পদ খালী হৈ আছে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰী সকলৰ যথেষ্ট অসুবিধা হৈছে আৰু ইয়াৰ বাবে এটা সুষম নীতি তৈয়াৰ কৰিব লাগে যাতে আমাৰ অতি সুন্দৰ ভাৱে পৰিচালিত হৈ থকা ৰাষ্ট্ৰীয় শিক্ষা নীতিক আমি আৰু আগুৱাই লৈ যাব পাৰো। এইখিনিৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ :** Thank you. Hon'ble Minister Please.

**ডা: ৰণোজ পেগু, মন্ত্ৰী, শিক্ষা ইত্যাদি :** মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় বিশ্বজিৎ ফুকন ডাঙৰীয়াই এই বিষয়টো দৃষ্টি আকৰ্ষণ কৰাৰ বাবে ধন্যবাদ জনাইছো আৰু এই কথাটো উল্লেখ কৰাৰ বাবেও ধন্যবাদ জনাইছো যে আজি অসমে ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষৰ ভিতৰতেই অসম এখন অগ্ৰণী ৰাজ্য আৰু বহু ক্ষেত্ৰত অসমখন

প্ৰথম স্থানত আছে। আমিয়েই প্ৰথম ৪ বছৰীয়া ডিগ্ৰীৰ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰিলো আৰু এতিয়া আমি প্ৰথমবাৰৰ বাবে ৪ৰ্থ বৰ্ষত উপনীত হৈছো। এই ৪ বছৰীয়া পাঠ্যক্ৰমৰ গাঁথনিত Diploma, Degree, Degree with Honours, Degree with Honours and Research ৰ ব্যৱস্থা আছে। ৩ বছৰ যিসকলে সম্পূৰ্ণ কৰিলে আৰু আটাইকেইটা ছেমিষ্টাৰতে পাচ কৰিলে তেওঁলোক স্নাতক হ'ব। তেওঁলোকে সাধাৰণ ডিগ্ৰীৰ Graduation ৰ কাৰণে যোগ্যতা অৰ্জন কৰিলে। বিশ্ববিদ্যালয় সমূহৰ লগত আলোচনা হৈছে যে এই সকলোকে convocation হওঁক বা অন্য প্ৰকাৰেই হওঁক ৩ বছৰীয়া ডিগ্ৰী সম্পূৰ্ণ কৰাৰ চাৰ্টিফিকেট প্ৰদান কৰিব লাগে। তেতিয়া ৪ৰ্থ বৰ্ষটোত বিদ্যালয়খনতে Degree with Honours and Degree with Honours and Research ৰ নাম ভৰ্ত্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। আমি এতিয়ালৈকে ৪ৰ্থ বৰ্ষত নাম ভৰ্ত্তি কৰোৱা নাই। আমাৰ আগষ্ট মাহত নামভৰ্ত্তি আৰম্ভ হ'ব। ৩ বছৰীয়া পাঠ্যক্ৰম সম্পূৰ্ণ কৰা প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্ত্তি কৰিব লাগিব বুলি ধৰা বন্ধা নিয়ম নাই। তেওঁলোকে অনাৰ্চ কৰিবও পাৰে অথবা অনাৰ্চ নকৰাকৈ ডিগ্ৰী লৈ ওলাই যাবও পাৰে। ভাৰতবৰ্ষ তথা অসমৰ যিবিলাক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে সাধাৰণ ডিগ্ৰীৰ প্ৰয়োজন, APSC আৰু UPSC ৰ নিচিনা চাকৰিত তেওঁলোকে আবেদনো কৰিব পাৰিব। APSC ত দিয়াৰ বাবে Honours অথবা Research নালাগে। বহুতে হয়তো ৩ বছৰতে তেওঁলোকৰ ডিগ্ৰী সমাপ্ত কৰিব আৰু ৪ৰ্থ বৰ্ষত নাম ভৰ্ত্তি নকৰিবও পাৰে। এতিয়া ৪ৰ্থ বৰ্ষত যিসকলে নাম ভৰ্ত্তি কৰিব সেই ক্ষেত্ৰত আমি আনুমানিক ৩৩ শতাংশ ছাত্ৰ-ছাত্ৰী বাঢ়িব বুলি আগতীয়াকৈ ক'ব নোৱাৰো। যেতিয়া নাম ভৰ্ত্তিৰ প্ৰক্ৰিয়াটো আৰম্ভ হ'ব, কিমান ছাত্ৰ-ছাত্ৰী ৪ৰ্থ বৰ্ষত পঢ়িবলৈ আহিব এই বছৰত প্ৰথমবাৰৰ বাবে আমি গম পাম। ইয়াৰ লগত আৰু এটা কথা আছে যে ৪ৰ্থ বৰ্ষত ছাত্ৰ-ছাত্ৰীসকলে মাইগ্ৰেটও কৰিব পাৰে। তেওঁলোকে বেলেগ মহাবিদ্যালয় অথবা বেলেগ বিশ্ববিদ্যালয়লৈ ও যাব পাৰে। ঠিক তেনেকৈ বেলেগ মহাবিদ্যালয়ৰ পৰা আন এখন মহাবিদ্যালয়লৈ কেৱল ৪ৰ্থ বৰ্ষটো পঢ়িবলৈ যাব পাৰিব। ইয়াৰ সম্পূৰ্ণ প্ৰতিচ্ছবিখন এই বছৰ সম্পূৰ্ণ পৰিষ্কাৰ হ'ব আৰু সেই অনুযায়ী পদক্ষেপ গ্ৰহণ

কৰিম । মাননীয় উপাধ্যক্ষ মহোদয়, মহাবিদ্যালয়সমূহত শিক্ষকসকলৰ যি নিযুক্তি প্ৰক্ৰিয়া আছে, সেই প্ৰক্ৰিয়াত অসম চৰকাৰে যোৱা ৫ বছৰত অভূতপূৰ্ব্ব ভাৱে শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিছে। ২০২১ৰ পৰা ২০২৫ লৈকে আমি অসমৰ মহাবিদ্যালয়ত ৩,৪১৬ গৰাকী সহকাৰী অধ্যাপক নিযুক্তি দিছো। অসমৰ ইতিহাসত কেতিয়াওঁ ইমান বৃহৎ সংখ্যক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপকৰ নিযুক্তি হোৱা নাছিল। একমাত্ৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া নেতৃত্বাধীন চৰকাৰৰ দিনতে ইমান বৃহৎ সংখ্যক শিক্ষকৰ নিযুক্তি হৈছে আৰু আমি এতিয়াও আমি প্ৰস্তুত আছো অতিৰিক্ত কিমান শিক্ষক আছে..... interruption.....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া 7th Semester and 8th Semester ৰ কাৰণে শিক্ষক আছে নে নাই ? ডিগ্ৰী ক্লাছত এতিয়া 7th Semester and 8th Semester নতুনকৈ আহিল।

**মাননীয় উপাধ্যক্ষ :** Hon"ble Member, Don't speak in between. It is not allowed. Please be seated.

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়।)

**মাননীয় উপাধ্যক্ষ :** Hon"ble Member, It is not allowed. Please be seated.

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় উপাধ্যক্ষ মহোদয়, এইটো কি নিয়ম, তেখেত ঘপকৈ আহিব আৰু বেলেগৰ ওপৰত জঁপিয়াই পৰিব। এইটো কেনেকৈ হ'ব ?

**ডা: ৰণোজ পেগু, মাননীয় মন্ত্ৰী, শিক্ষা ইত্যাদি :** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য বিশ্বজিৎ ফুকন ডাঙৰীয়াই যিখিনি কথা উল্লেখ কৰিছে, সেইখিনি অতি গুৰুত্বপূৰ্ণ । আমি ইতিমধ্যে মহাবিদ্যালয় সমূহৰ শিক্ষকৰ প্ৰয়োজনীয়তা সম্পৰ্কে এক অডিট কৰিছো । পূৰ্ব্বতে আমাৰ কোনো Centralized data base নাছিল যে অসমত কোন মহাবিদ্যালয়ত কিমান ছাত্ৰ-

ছাত্ৰী আছে, কিমান শিক্ষক আছে, ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক পৰ্য্যাপ্ত হয়নে নহয় বৰ্তমান 'সমৰ্থ প'ৰ্টেল'ৰ জৰিয়তে এইখিনি তথ্য লাভ কৰিবলৈ আমি সক্ষম হৈছো। গতিকে য'ত শিক্ষকৰ নাটনি হৈছে, সেই নাটনি দূৰ কৰাৰ বাবে বৰ্তমান চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। দ্বিতীয় কথাটো হ'ল যে যি ঠিকাভিত্তিক শিক্ষকৰ কথা কোৱা হৈছে, অসম চৰকাৰে ঠিকাভিত্তিক সকলো নিযুক্তি বন্ধ কৰিব বিচাৰিছে । মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ নিজস্ব পুঁজি থাকে, তেওঁলোকক আমি Fee waiver ৰ টকা দিওঁ । কোনো মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ যদি temporary arrangement ৰ প্ৰয়োজন হয় তেতিয়া এই পুঁজিৰ জৰিয়তে অতিৰিক্ত অংশকালীনভাৱে কোনো Guest Faculty বা Part Time Faculty নিয়োগ কৰিব পাৰিব। ঠিকাভিত্তিক শিক্ষক তেওঁলোকে শিক্ষক নিযুক্তি কৰিব নালাগে বুলি আমাৰ শিক্ষা বিভাগৰ ফালৰ পৰা পৰামৰ্শ দিয়া হৈছে। আন্তঃগাঁথনিৰ কাৰণে অতিৰিক্ত শ্ৰেণীকোঠা আছে নে নাই, এই বিষয়ে মই অতি সোনকালে সকলোকে জনাম। আমি বৃহৎ পৰিমাণৰ পুঁজি নিয়োগ কৰি মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনি উন্নীত কৰিছো। যিবিলাক মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িছে, সেই তথ্য ইতিমেধ্য আমি লাভ কৰিছো আৰু মহাবিদ্যালয় সমূহৰ পৰা আমি আবেদন লাভ কৰিছো। অতিৰিক্ত আন্তঃগাঁথনি প্ৰদান কৰাৰ ব্যৱস্থা আমাৰ চৰকাৰখনে কৰিব। আমি সুন্দৰভাৱে National Education Policy, 2020 আগুৱাই লৈ যাম। তৃতীয়টো বছৰ আমি সফলতাৰে অতিক্ৰম কৰিছো আৰু ৪ৰ্থটো বছৰ আমি সফলতাৰে অতিক্ৰম কৰিব পাৰিম বুলি দৃঢ় বিশ্বাস আছে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** Now we will come to the most important session that is general discussion on budget, 2026-27. Now I request Hon'ble Member Shri Pallab Lochan Das.

**শ্ৰী পল্লৱ লোচন দাস, ৰঙাপৰাঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি বাজেট বিতৰ্কত অংশগ্ৰহণ কৰিবৰ বাবে যি সুবিধা প্ৰদান কৰিলে, তাৰ বাবে আপোনাক মই ধন্যবাদ জ্ঞাপন কৰিলোঁ। মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১০ জুলাই

তাৰিখে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত মাননীয় বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই এই পবিত্ৰ সদনত যি বাজেট উপস্থাপন কৰিলে, নিশ্চিতভাৱে সেই বাজেট সকলো অসমীয়া বা অসমৰ সকলো জনসাধাৰণৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হৈছে বুলি মই অনুভৱ কৰোঁ। এই বাজেটখন নিশ্চয় সৰ্বব্যাপী আৰু সৰ্বস্পৰ্শী পৰ্যায়লৈ যাব বুলি আমি আশা কৰিছোঁ। মাননীয় উপাধ্যক্ষ মহোদয়, আমি যদি অসমৰ প্ৰেক্ষাপট চাওঁ, তেতিয়া নিশ্চয় আমি সকলোৱে অনুভৱ কৰোঁ আজি যি আমি বাজেট চাইজ পাইছোঁ আৰু যি ধৰণৰ বাজেটৰ চিন্তাৰে বাজেটখন উপস্থাপন কৰা হৈছে, নিশ্চিতভাৱে আমি ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিব লাগিব। তেখেতৰ দূৰদৰ্শী নেতৃত্ব, তেখেতৰ চিন্তা আৰু উত্তৰ-পূৰ্বাঞ্চল আৰু অসমৰ প্ৰতি তেখেতৰ যি আন্তৰিকতা আৰু সহৃদয়তা, তাৰ ফলতে আজি এক শান্তিৰ পৰিৱেশ, এক উন্নয়নৰ পৰিৱেশ আৰু যাৰ বাবেই আজি আমি  এনেকুৱা এখন বাজেট পাবলৈ সক্ষম হৈছোঁ যিটো বাজেটৰ চাইজ যদি আমি আমি চাওঁ, যদি আমি ১৪-১৫ৰ বাজেট সেই সময় ১৫-১৬ৰ বাজেট ৭২,০০০ কোটি টকাৰ পৰা গৈ এতিয়া ২,৮৫,০৮৪.৪৫ কোটি টকাৰ বাজেট আজি ইয়াত দাখিল কৰাটোৱে অসমৰ যি পৰিৱৰ্তিত পৰিৱেশ আৰু অসম এখন সমৃদ্ধ ৰাজ্যৰ ফালে যে গতি কৰিছে, তাক আজি আমি স্পষ্টভাৱে ক'ব পাৰোঁ। এই বাজেটখনে নিশ্চিতভাৱে যেতিয়া বাজেট দাখিল কৰিছে, তাত যিটো ঘাটিৰ পৰিমাণ দিছে, নূন্যতম ৪১৯.২৬ কোটি টকা। এই নূন্যতম, এটা বেলেঞ্চ বাজেট। ইয়াত ইমান বেলেঞ্চ ৰাখিছে যে বাজেটখনে সকলো দিশ সামৰি লোৱা হৈছে। এই বাজেটখনত ভাৰতীয় জনতা পাৰ্টিয়ে যি সংকল্প লৈছিল, সেই সংকল্পৰ যেন এক পূৰ্ণ প্ৰতিফলন। বিকশিত সুৰক্ষিত অসমৰ যি আমাৰ লক্ষ্য, সেই লক্ষ্যক এই বাজেটখনে আমাক সেই তাৰে প্ৰতিফলন কৰিছে। সেই প্ৰতিফলনতে এই বাজেটখন কেৱল মাত্ৰ কোনো এখন চৰকাৰৰ কিবা জমা-খৰচৰ হিচাপ নহয়, এই বাজেটখনে আমাৰ আদৰ্শ, বাজেটখনে দূৰদৰ্শী চিন্তা, ভৱিষ্যত পৰিকল্পনা আৰু অসমৰ সমৃদ্ধশালী ৰাজ্যলৈ ৰূপান্তৰ কৰাৰ লক্ষ্যক

নিৰ্দ্ধাৰণ কৰিছে৷ যাৰ বাবে আমি এই বাজেট যদি চাওঁ আৰু যোৱা দশকটোত যদি আমাৰ গোটেই বিত্তীয় পৰিস্থিতি চাওঁ, ই এক নতুন পৰিৱৰ্তনৰ ফালে গতি কৰিছে। বাজেটৰ যদি এক্সপেনডিচাৰ আমি চাওঁ, ৫৮%ৰ পৰা গৈ পেলাই ৮৫% বাজেট এক্সপেনডিচাৰ আমি কৰিব পাৰিছোঁ। আগত বাজেটৰ পইচা আমি খৰচে কৰিব নোৱাৰোঁ। কিন্তু বাজেট এক্সপেনডিচাৰ ৮৫%লৈ দিয়াটোৱে এখন পাৰদৰ্শী চৰকাৰৰ এটা প্ৰতিফলন ঘটাইছে। নিশ্চিতভাৱে আমাৰ জনমূৰি আয়ক যদি আমি মূল্যায়ন কৰোঁ, জনমূৰি আয় ১৫-১৬ ত ৬০,৮১৭ কোটি টকাৰ পৰা এতিয়া আমাৰ জনমূৰি আয় ২৫-২৬ ত ১,৮৫,৪২৯ কোটি টকা লৈ ইয়াত যাবলৈ সক্ষম হৈছে। আমি যদি নিজৰ ইনকাম চাওঁ, নিজস্ব কৰৰ যদি ইনকাম চাওঁ, আমি ১৫-১৬ ত যদি আমি নিজৰ ইনকাম চাইছিলোঁ, ১২,৮৪৮ কোটি  আৰু এতিয়া যদি আমাৰ ইনকাম চোৱা যায়, ৩৯,২৯৪ কোটি আমি ইনকাম কৰিবলৈ সক্ষম হৈছোঁ। অসমে নিজৰ ইনকাম এই পৰ্যায়ত বৃদ্ধি কৰিবলৈ পোৱাটো আমি কেতিয়াও কল্পনা কৰা নাই। আগত আমি ভবাই নাই যে অসমে এনেকৈ নিজক ইনকাম বৃদ্ধি কৰি নিজৰ চেয়াৰ গোটেই ভাৰতৰ economy নিজক আগবঢ়াই লৈ যাব পৰা তেনেকুৱা এখন ৰাজ্য অসম এটা দিনত হ'ব, এয়া কল্পনা কৰা নাই, এয়া বাস্তৱত ৰূপায়ণ হৈছে। নিজৰ যদি ৰাজহৰ উৎস  আমি চাওঁ, আমি ৩৬% লৈ ইনক্ৰিজ কৰিছোঁ আৰু ইয়াত আমি সংকল্প লৈছোঁ যে ২০৩১ চনত আমাৰ ইয়াৰ ইনক্ৰিজ আমি ৫০% লৈ ইনক্ৰিজ কৰিম। তাৰমানে আমি ৫০% লৈ ইনক্ৰিজ কৰিম আমাৰ নিজৰ ইনকাম, ৰাজহ। এইটো এখন ৰাজ্য চৰকাৰে অসমৰ নিচিনা ৰাজ্যই ৫০% নিজৰ ইনকাম চেয়াৰ বৃদ্ধি কৰিব, এইটো আমি কল্পনা নকৰা এটা বিষয়। কিন্তু এয়া বাস্তৱ হৈছে। এয়াই হৈছে দূৰদৰ্শিতা, এয়া হৈছে যিটো বিত্তীয় সংস্কাৰ, তাৰে প্ৰতিফলন এই বাজেটখনত আজি স্পষ্টভাৱে আমি দেখিবলৈ সক্ষম হৈছোঁ। আজি ১৬ তম্ ফাইনেন্স কমিছনে আমাৰ চেয়াৰ বৃদ্ধি কৰি দিছে। আজি যদি ১৬ তম্ ফাইনেন্স কমিছনে যদি আমি কওঁ ৩.১২৮%ৰ পৰা আমাক ৩.২৫৮%লৈ বৃদ্ধি কৰিছে চেয়াৰ আৰু যাৰ পৰিণতিত আমি এই বছৰ ৫০

হাজাৰ কোটি টকা আমি পাবলৈ সক্ষম হ'ম বুলি আমি আশা কৰিছোঁ। যাৰ পৰিৱেশত নিশ্চিতভাৱে এক নতুন পৰিৱৰ্তনৰ ফালে আমি গতি কৰিব পাৰিম। আপোনালোকে আমাৰ কেপিটেল এক্সপেনডিচাৰ যদি আমি চাওঁ, আমাৰ ইয়াত ৫৬,৫৩১ আমি কেপিটেল এক্সপেনডিচাৰ কৰিব পাৰিছোঁ। এনুৰেল যিটো ১০% আমি এক্সপেনডিচাৰৰ যিটো ৰাখোঁ, এইটো মেইনটেইন কৰা হৈছে। ইএপি যদি আমি চাওঁ, External Aided Project যদি চাওঁ, আমি External Aided Project ত ৫৩,০০০ কোটি ২১টা প্ৰজেক্ট আমি ল'ব পাৰিছোঁ। আগত যদি ১৪ তম্ ফাইনেন্স কমিচনত আমি ৯টা প্ৰজেক্ট ৭৫০০ শ কোটি টকা ল'ব পাৰিছিলো, এতিয়া ৫৩,০০০ কোটি আমি বৃদ্ধি কৰিব পাৰিছোঁ। আমি যদি Debt-GSDP ratio চাওঁ, আমি ২৪.৮১% ত ৰাখিব পাৰিছোঁ যিটো এফ.আৰ.বি.এমৰ মতে আমি ৩২% ত ৰাখিব লাগে। এই গোটেই যদি আমি Credit Deposit চাওঁ, তেতিয়া ৪১.১.১০ লৈ আমি ৰাখিবলৈ সক্ষম হৈছোঁ। মানে আমি ২০১৬ত যিটো আছিলে, এতিয়া আমি বৃদ্ধি কৰিছোঁ ৭৩.৫২%লৈ। আপুনি যদি চায়, এই বাজেটখনে কেনেকৈ উন্নয়ন আমাৰ কৰিছে। মই মাননীয় উপাধ্যক্ষ মহোদয়, ক'ব বিচাৰোঁ যে ইমান বেলেঞ্চ আৰু তাৰ বাবে অষ্টাদশী মুকুতাৰ উন্নয়নী মালা যি ডং হিমন্ত বিশ্ব শৰ্মাই গোটেই অসমৰ উন্নয়নৰ বাবে যি পৰিকল্পনা কৰিছে, ইয়াক এক বাস্তৱ ৰূপ দিছে। আমি ২ লাখ নিযুক্তি বৃদ্ধি কৰাৰ বাবে যি পৰিকল্পনা সেইটো নিশ্চিত ভাৱে আমাৰ যুৱক-যুৱতী সকলৰ বাবে এক আশাৰ বতৰা। আমি যদি ইয়াত ইনভেষ্টমেণ্ট চাওঁ, আমি ইনভেষ্টমেণ্ট ৫ লাখ কোটি টকা ইনভেষ্ট কৰাৰ পৰিকল্পনা কৰা হৈছে। ৩ লাখ ইনভেষ্টমেণ্টৰ কাৰণে ইতিমধ্যে পৰিকল্পনা কৰা হৈছে আৰু ১ লাখ additional investment জৰিয়তে নিযুক্তি বা তেওঁলোকৰ পৰোক্ষ বা প্ৰত্যক্ষ সংস্থাপনৰ কাৰণে ইয়াত ব্যৱস্থা কৰা হৈছে । Self help Group সকলৰ ষ্টাম্প ডিউটি নাইকীয়া কৰা হৈছে যাতে তেওঁলোকে ১০ লাখ টকালৈকে ঋণ লোৱাৰ ব্যৱস্থা হ'ব পাৰে । আমি ৯ লাখ মহিলাক সংস্থাপিত কৰিবৰ কাৰণে লাখপতি বাইদেউ বনোৱাৰ পৰিকল্পনা কৰা হৈছে। আমি যাতে বাহিৰত গৈ নিজকে সংস্থাপিত কৰিব পাৰোঁ, নাৰ্ছসকলৰ কাৰণে ইয়াত স্পকেন ইংলিছৰ

ব্যৱস্থা কৰা হৈছে, Foreigen Language  শিকিবৰ কাৰণে মুখ্যমন্ত্ৰীয়ে এটা নতুন প্ৰয়াস কৰিছে, যাতে আমি বাহিৰলৈ গৈ সংস্থাপিত কৰিব পাৰোঁ। এই ব্যৱস্থাই নিশ্চিতভাৱে যুৱকসকলৰ বাবে এক নতুন সহাৰি। CMAAA ৫০ হাজাৰ যুৱক-যুৱতীক সংস্থাপন কৰাৰো মুখ্যমন্ত্ৰীয়ে প্ৰয়াস কৰিছে। উৎকৰ্ষ আচনিৰ জৰিয়তে সংস্থাপিত কৰাৰ কাৰণে প্ৰয়াস কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, এটা কথা ক'ব বিচাৰো যে মহিলা সবলীকৰণৰ বাবে এই চৰকাৰখনৰ বাজেটত যিটো বিষয় দিছে, ,সেই বিষয়টো আমাৰ কৰাণে অতি প্ৰয়োজনীয়। ইয়াত লিঙ্গ সমতাৰ বাবে মহিলা সবলীকৰণৰ বাবে অসম সেৱা অনুশাসন আৰু আবেদন নিয়মায়লী, ১৯৬৪ ত সংশোধন কৰিছে আৰু ইয়াত কোৱা হৈছে, যদি কোনোবা কৰ্মচাৰীয়ে বহু বিবাহ কৰে তেন্তে তেওঁক চাকৰীৰ পৰা বৰ্খাস্ত কৰাৰো ব্যৱস্থা কৰিছে। এইটোৱে হৈছে এটা পৰিকল্পনা যে, নাৰীক কেনেকৈ সুৰক্ষিত কৰিব পাৰি। এইয়া মাননীয় মুখ্যমন্ত্ৰীয়ে ইয়াত ব্যৱস্থা কৰিছে। যিহেতু মাননীয় বিত্তমন্ত্ৰী ইয়াত আছে, মই তেখেতক অনুৰোধ জনাব বিচাৰিছো যে, আমাৰ যিহেতু বহু বিবাহৰ ওপৰত আইনো আনিছে, আমাৰ যিসমূহ আঁচনি  আছে, এই আঁচনিসমূহত অনুসূচিত জনজাতি লোকসকলৰ বাহিৰে বাকীসকলৰ কাৰণেও প্ৰযোজ্য কৰিবৰ কাৰণে প্ৰয়াস কৰিব লাগে, যাতে বহু বিবাহ কৰা মানুহ চৰকাৰী আঁচনিৰ পৰা যাতে সুবিধা নাপায় আৰু আইনভাৱে যদি কোনো ব্যক্তিয়ে অপৰাধমূলকভাৱে জড়িত হয়, তেন্তে তেওঁলোককো চৰকাৰী আঁচনিৰ নিদিয়াৰ কাৰণে পৰিকল্পনা কৰা হৈছে। নিশ্চিতভাৱে এই পদক্ষেপসমূহ আমাৰ সমাজখনৰ বাবে অতি ভাল কাম হিচাপে পৰিগণিত হৈছে। Green Tax ৰ ব্যৱস্থা কৰিছে।

**মাননীয় উপাধ্যক্ষঃ** Please concluded.

**শ্ৰী পল্লৱ লোচন দাস, ( বিশ্বনাথ )ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ বেছি বিষয় নাই। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক যি নতুন সংস্থাপন কৰাৰ নতুন প্ৰয়াস কৰিছে, যেনেকৈ বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰয়াস কৰিছে, এই বিদ্যুৎ উৎপাদনে আমাক ভাৰতক বা অসমক

এক আত্মনিৰ্ভৰ অসম হিচাপে নিৰ্মাণ কৰিব। আমাক সংস্থাপন কৰিব, নতুন ব্যৱস্থা সংস্থাপিত কৰিবৰ কাৰণে সুযোগ দিছে । মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক, বিত্তমন্ত্ৰীক ধন্যবাদ জনাইছোঁ। বৰডিকৰাই জলক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্প কৰাৰ বাবে তেখেতক মই ধন্যবাদ জ্ঞাপন কৰিছো যাতে ইয়াৰ জৰিয়তে নিশ্চয় আমাৰ কাৰণে যথেষ্ট লাভ হ'ব। বিশ্বনাথ চাৰিআলিত আমূলৰ প্ৰজেক্ট স্থাপন কৰিবৰ বাবে মাননীয় মুখ্যমন্ত্ৰীয়ে যি প্ৰয়াস লৈছে, সেই প্ৰয়াসৰ বাবে তেখেতক মই ধন্যবাদ, কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু আমি আশা কৰিছো যে মাননীয় মুখ্যমন্ত্ৰীয়ে যিমানখিনি পৰিকল্পনা কৰিছে, এই পৰিকল্পনাখিনি যাতে বাস্তৱ হওঁক। আমাৰ ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভেলপমেণ্টৰ কাৰণে যি ১৩,০০০ কোটি টকা বালীপাৰা-বাইহাটা ৰোড বনাবৰ কাৰণে প্ৰয়াস কৰিছে, নিশ্চয় তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছোঁ। আণ্ডাৰগ্ৰাউণ্ড কেবুলিং কৰি পেলাই ইলেকট্ৰিচিটিৰ ব্যৱস্থা গুৱাহাটীত সমগ্ৰ কৰাৰ কাৰণে যিটো প্ৰয়াস কৰিছে, তাৰ বাবে তেখেতক ধন্যবাদ জনাইছো আৰু চাহ উদ্যোগ আগবঢ়াৰ কাৰণে অৰ্থডক্সৰ কাৰণে তেওঁ যি পৰিকল্পনা কৰিছে, অসম চাহ উদ্যোগ বিশেষ উদগনি আঁচনি, এই আঁচনিৰ বাবে তেখেতক ধন্যবাদ জনাইছো আৰু মাটচা টি উৎপাদন কৰিবৰ বাবে যি নতুন প্ৰয়াস কৰিছে, এই প্ৰয়াসৰ বাবেও তেখেতক মই ধন্যবাদ জ্ঞাপন কৰিছোঁ। মই আশা কৰিম যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি প্ৰ'টন থেৰাপীৰ জৰিয়তে গোটেই ভাৰতবৰ্ষত পোন প্ৰথমবাৰৰ বাবে অসমত যিটো প্ৰ'টন থেৰাপী কৰাৰ প্ৰয়াস কৰিছে, এই পদক্ষেপৰ বাবে নিশ্চয় মাননীয় মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে শেষত মই দুটা কথা কৈয়ে মোৰ কথাখিনি সামৰিম যে আমাৰ নিজৰ সংস্কাৰ-সংস্কৃতিক উপস্থাপন কৰিবৰ বাবে যি বিহুক দিল্লীত গৈ তেওঁ সুন্দৰভাৱে উদযাপন কৰাৰ যিটো প্ৰয়াস, লাচিত বৰফুকন, কুশল কোঁৱৰৰ নামত বাণিজ্যিক চিনেমা নিৰ্মাণ কৰি অসমক নতুনকৈ চিনাকি কৰাই দিয়াৰ যিটো প্ৰয়াস, মধুপুৰ সত্ৰ আন্তঃগাঁথনি নিৰ্মাণৰ জৰিয়তে গুৰুজনাৰ প্ৰতি কৰা সন্মান প্ৰদৰ্শন আৰু নিশ্চিতভাৱে ভূপেন হাজৰিকাক ৰাষ্ট্ৰীয় শ্ৰদ্ধাঞ্জলি দিয়াৰ যিটো প্ৰয়াস, নিশ্চিতভাৱে এই

পদক্ষেপসমূহে অসমক এক নতুন ৰূপত সমগ্ৰ ভাৰতবৰ্ষত উপস্থাপন কৰিব। তাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰি মাননীয় বিত্তমন্ত্ৰী শ্ৰী জয়ন্ত মল্লবৰুৱা ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰি মোৰ বিষয় ইয়াতে সামৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** Next Member, Wazed Ali Choudhury. Your allotment time is only for 7 minutes. Please try to conclude within that time.

**শ্ৰী ওয়াজেদ আলী চৌধুৰী, ( বিৰোধী দলৰ দলপতি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনত মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই ২০২৬-২৭ বৰ্ষৰ বাবে যি বাজেট উত্থাপন কৰিলে, তাক মই এক কথাত ৰঙীন কাপোৰেৰে মেৰিওৱা এটা উদং বাকচ বুলি অভিহিত কৰিব খুজিছোঁ। এই বাজেটত কেৱল সংখ্যাৰ ভেকোভাওনা আৰু অনাগত দিনৰ মিছা প্ৰতিশ্ৰুতিৰ বাহিৰে জনসাধাৰণৰ প্ৰকৃত সমস্যা সমাধানৰ কোনো স্পষ্ট পথ নাই। চৰকাৰখনে বিগত বছৰবোৰৰ দৰে এইবাৰো কেৱল আত্মপ্ৰশংসাত মগ্ন হৈ ৰাজ্যখনৰ মূল সমস্যাসমূহক সম্পূৰ্ণৰূপে আওকাণ কৰিছে। উপাধ্যক্ষ মহোদয়, মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো, ৰাজ্যখনৰ ভয়ংকৰ অৰ্থনৈতিক স্খলনৰ প্ৰতিছবি। বৰ্তমান আমাৰ প্ৰতিগৰাকী অসমবাসীৰ মূৰত হাজাৰ হাজাৰ টকাৰ ঋণৰ বোজা জাপি দিয়া হৈছে। চৰকাৰে উন্নয়নৰ নামত যি হাৰত নিয়ন্ত্ৰণহীনভাৱে ঋণ লৈছে, সেই সমূহ এই অসমক এক গভীৰ দেউলীয়া অৱস্থাৰ দিশলৈ ঠেলি দিছে। বৰ্তমান এই ঋণৰ পৰিমাণ প্ৰায় ২ লাখ কোটি টকা হৈছে বুলি বিভিন্ন বাতৰিত প্ৰকাশ পাইছে। ২০১৫-১৬ চনত AG ৰ ৰিপৰ্ট মতে এই ঋণৰ পৰিমাণ আছিল ৩৫,৬৯০ কোটি টকা। মই ইয়াত বিগত সময়ছোৱাৰ ভাৰতৰ মহাগণনাকাৰী CAG, AG ৰ সমালোচনামূলক টোকা সোঁৱৰাই দিব খুজিছোঁ। AG ৰ প্ৰতিবেদনত স্পষ্টকৈ উল্লেখ কৰা হৈছে যে ৰাজ্য চৰকাৰে লোৱা ঋণৰ এক বৃহৎ অংশ অনা উৎপাদনকাৰী কামত আৰু চৰকাৰী প্ৰচাৰ কাৰ্য্যত অপব্যৱহাৰ কৰা হৈছে । বাজেটখনৰ ধন সঠিকভাৱে ব্যৱহাৰ নকৰি বিত্তীয় অনুশাসন ভংগ কৰাৰ যি খতিয়ান AG য়ে দাঙি ধৰিছে, তাৰ উত্তৰ চৰকাৰে এই বাজেটত কিয় দিয়া নাই ?

ঋণ লৈ ঘিউ খোৱা এই নীতিয়ে অসমৰ ভৱিষ্যত প্ৰজন্মক অন্ধকাৰলৈ ঠেলিছে। বিগত কংগ্ৰেছ চৰকাৰৰ শেষৰটো বছৰ ২০১৫-১৬ বৰ্ষত অসমৰ জনমূৰি বৃদ্ধিৰ হাৰ আছিল ১৫ শতাংশ। এতিয়া ২০২৫-২৬ চনত জনমূৰি বৃদ্ধিৰ হাৰ ১৪.২ শতাংশ। একেদৰে ২০১৫-১৬ চনত GSDP বৃদ্ধিৰ হাৰ আছিল ১৭% আৰু বৰ্তমান এই বৃদ্ধিৰ হাৰ মাত্ৰ ১৫%। নিশ্চয় এই পৰিসংখ্যাৰ পৰা অসমৰ ৰাইজে বুজি পাব যে আৰ্থিক উন্নয়নৰ হাৰ কংগ্ৰেছৰ শাসনকালত বৰ্তমানৰ প্ৰচাৰ সৰ্বস্ব চৰকাৰৰ দিনতকৈ অধিক আছিল। আনহাতে, ঋণৰ ক্ষেত্ৰত debt to GSDP ratio ২০১৫-১৬ বৰ্ষত আছিল মাত্ৰ ২০.১০ শতাংশ আৰু বৰ্তমান বৃদ্ধি হৈ debt to GSDP ratio ২৫-২৬ বৰ্ষত হৈছে গৈ ২৪.৮১ শতাংশ। এই তথ্যই বিজেপি চৰকাৰৰ সময়ত ৰাজ্যখনৰ অৰ্থনৈতিক ঋণ নিৰ্ভৰ হৈছে সেয়া সূচাইছে। এইবেলি বাজেটখন কৃষক, শ্ৰমিক বিৰোধী, নিবনুৱা যুৱক-যুৱতী বিৰোধী। যোৱা বছৰৰ revised estimate মতে কৃষিখণ্ডত নিৰ্ধাৰিত খৰচ বাজেটৰ ৩.৯%। আনহাতে, এইবাৰ বাজেটত ৩.৭% হে আৱণ্টনৰ বাবে প্ৰস্তাৱ দিয়া হৈছে। ঠিক একেদৰে কৃষিখণ্ডৰ লগত জড়িত জলসিঞ্চন বিভাগত যোৱা বছৰ revised estimate মতে খৰচ নিৰ্ধাৰিত কৰা হৈছে ২.১% । এইবেলি বাজেটত জলসিঞ্চন বিভাগত মাত্ৰ ২% হে প্ৰস্তাৱ কৰা হৈছে। আনহাতে, ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যই গড়ে ২০২৫-২৬ বৰ্ষত কৃষিখণ্ডত ৫.৭% আৰু জলসিঞ্চন বিভাগত ৩.৪% বাজেটত ধন ধাৰ্য্য কৰিছে। এই তথ্যই প্ৰমাণ কৰে যে, অসম চৰকাৰ কৃষি বিৰোধী। আনহাতে, ৰাস্তা আৰু পকী দলং নিৰ্মাণৰ ক্ষেত্ৰত ২০২৫-২৬ ৰ revised estimate ৰ মতে খৰচ নিৰ্ধাৰিত হৈছে ৯.১%। এইবেলি বাজেটত মাত্ৰ ৭.৫% ৰ বাবেহে প্ৰস্তাৱ দিয়া হৈছে। ভিতৰুৱা গাঁও অঞ্চল, পাহাৰীয়া অঞ্চল, ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত অঞ্চল আৰু চৰ-চাপৰি অঞ্চলত এতিয়াও বহু পথ পকীকৰণ কৰিবলগীয়া আছে। বিশেষকৈ পকী দলং নিৰ্মাণ নোহোৱা আৰু বহু অঞ্চল যোগাযোগ বিচ্ছিন্ন হৈ আছে। ২০২৬-২৭ বৰ্ষৰ বাজেটখনত capital expenditure ২৯,৪৫১ কোটি আৰু revenue expenditure ১,১৮,৫৬২ কোটি। অৰ্থাৎ আন্তঃগাঁথনি উন্নয়নৰ মূলধন ব্যয় যথেষ্ট কম, যিয়ে আন্তঃগাঁথনি

উন্নয়নত বেয়া প্ৰভাৱ পেলাব। উপাধ্যক্ষ মহোদয়, এই চৰকাৰে নিৰ্বাচনৰ পূৰ্বে লাখ লাখ চাকৰি দিয়াৰ ঢাক-ঢোল বজাইছিল। কিন্তু আজি বাস্তৱটো কি ? ২০২১ চনত ২ লাখ চৰকাৰী চাকৰি, ৮ লাখ বেচৰকাৰী চাকৰিৰ প্ৰতিশ্ৰুতি দি বিজেপিয়ে ক্ষমতা দখল কৰিছে। কিন্তু প্ৰতিশ্ৰুতি মতে চাকৰি দিব পৰা নাই। চৰকাৰে নিয়মীয়া নিযুক্তিৰ পৰিৱৰ্তে ঠিকাভিত্তিক আৰু অতি কম বেতনৰ চাকৰি দি যুৱ-প্ৰজন্মৰ মেধাক অপমান কৰিছে। আমাৰ যুৱক-যুৱতীসকলক কেৱল নিৰ্বাচনী সঁজুলি হিচাপে ব্যৱহাৰ কৰা বন্ধ কৰক আৰু তেওঁলোকক স্থায়ী সংস্থাপনৰ ব্যৱস্থা কৰক। হাজাৰ হাজাৰ পঢ়া-শুনা কৰা থলুৱা যুৱক-যুৱতী আজি নিযুক্তি বিচাৰি বহিঃৰাজ্যত যাবলগীয়া হৈছে আৰু বহিঃৰাজ্যত নানা ধৰণে অত্যাচাৰ ভোগ কৰিব লগা হৈছে। ২০২৬-২৭ চনৰ এই বাজেটত নিবনুৱা সমস্যা সমাধানৰ বাবে কোনো নতুন উদ্যোগ বা স্থায়ী কৰ্মসংস্থাপনৰ আঁচনি নাই। উপাধ্যক্ষ মহোদয়, অসমৰ বাবে আটাইতকৈ ডাঙৰ অভিশাপ হৈছে বানপানী আৰু গৰাখহনীয়া। কিন্তু এই বাজেটত বানপানী কেৱল এক ঋতুভিত্তিক এক অনুষ্ঠান হিচাপে গণ্য কৰা হ'ল। প্ৰতি বছৰে হাজাৰ হাজাৰ হেক্টৰ কৃষি পথাৰ ধ্বংস হয়। লাখ লাখ মানুহ গৃহহীন হয় চৰকাৰে মথাউৰি নিমাৰ্ণ আৰু মেৰামতিৰ নামত কোটি কোটি টকা খৰচ কৰা দেখুৱাই কিন্তু বাৰিষা আৰম্ভ হোৱাৰ লগে লগে চৰকাৰৰ ফোঁপোলা স্বৰূপ ওলাই পৰে। কেন্দ্ৰ আৰু ৰাজ্যত একেটা দলৰে চৰকাৰ থকাৰ পাছতো অসমৰ বানপানী আজি পৰ্য্যন্ত কিয় ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাব নোৱাৰিলে। এই বাজেটত গৰাখহনীয়া আক্ৰান্তসকলৰ স্থায়ী সংস্থাপন আৰু জলসম্পদ বিভাগৰ আধুনিকীকৰণৰ বাবে গুৰুত্বপূৰ্ণ পুঁজি ধাৰ্য্য কৰা দেখা নাই। চৰকাৰৰ এই উদাসীনতা অসমৰ ৰাইজৰ প্ৰতি এক চৰম প্ৰতাৰণা, ধন্যবাদ।

**ডাঃহাবে টেৰণ**, **মাননীয় উপাধ্যক্ষ** ঃ Thank You, next Member is Hon`ble Bhabesh Kalita. Your time is 6 minutes.

**শ্ৰীভৱেশ কলিতা**, **ৰঙিয়া** ঃ সন্মানীয় উপাধ্যক্ষ মহোদয়, যোৱা ১০ জুলাই তাৰিখে বিত্ত বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই যি বাজেট দাঙি ধৰিলে ইয়াৰ সপক্ষে দুআষাৰ ক'বলৈ ওলাইছো।

॥ সৰ্ব্বে ভবন্তু সুখিনঃ সৰ্ব্বে সন্তু নিৰাময়া,

সৰ্ব্বে সন্তু ভদ্ৰানি, মা কচিৎ ভৱ ভবেৎ॥

দেশৰ সন্মানীয় প্ৰধানমন্ত্ৰী মহোদয়ে এই দেশখনৰ সকলোকে সমাহিত কৰি - সৱকা সাথ, সৱকা বিকাশ, সৱকা বিশ্বাস , সৱকা প্ৰয়াস- সকলোকে সমাহিত কৰি সকলোৰে সুখ স্বাচ্চন্দ্যৰ কাৰণে এইখন চৰকাৰে কাম কৰি আছে। ঠিক তেনেদৰে অসমতো মাননীয় মুখ্যমন্ত্ৰী ডঃহিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত আমি দ্বিতীয়বাৰৰ বাবে চৰকাৰ পালো – এইখন চৰকাৰৰ ৯ মহীয়া এখন বাজেট। এইখন প্ৰায় ১,৯৭,০০০ কোটি টকাৰ বাজেট সন্মানীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই দাঙি ধৰিছে , তাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো । এইবেলি ৰাইজে এন ডি এক ১০২ খন আসন দিছে। ভাৰতীয় জনতা পাৰ্টি অকলে ৮২ খন , বি পি এফে-১০ আৰু অসম গণ পৰিষদে-১০ খন পাইছে। যেতিয়া আমি ৰাইজৰ ওচৰলৈ ভোট বিচাৰি গৈছিলো কৈছিলে যে, কংগ্ৰেছ হাটাও – অপজিশ্যন হাটাও- হীৰা লাও- মই আচৰিত হৈছিলো – যে কি হীৰা। গ'ম পালো যে সঁচাকৈ আজি অসমত এয়াৰ পোৰ্ট হৈছে। হাই-ৱেৰ কাম হৈছে। ৰাস্তাৰ কাম হৈছে – অসম মালা হৈছে, ভাৰত মালা হৈছে । আজি বাইহাটাৰ পৰা মিছন চাৰিআলি লৈকে ফ'ৰ লেইন ৰাস্তা হ'ব ধৰিছে যিটো উত্তৰ অসমৰ এটা বহুদিনীয়া সপোন আছিল। তাৰ বাবে আমাৰ প্ৰধানমন্ত্ৰী মহোদয়, পথ পৰিবহন মন্ত্ৰী শ্ৰীনিতিন গাডকাৰীৰ লগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো । বাইহাটাৰ পৰা মিছন চাৰিআলিলৈ যিটো সংযোগী পথ , এই পথটো এটা ষ্ট্ৰেটেজিক ৰোড, অৰুণাচললৈ কানেক্টেভিটি, এটা সময়ত চাইনা আহিছে। আমি সকলোৱে জানো। এই পথছোৱা মোদীজীয়ে আমাক এল'টমেন্ট দিলে। দ্বিতীয়তে বাইহাটা চাৰিআলিক কেন্দ্ৰ কৰি গুৱাহাটীৰ চৌপাষে যিটো ৰিং ৰোড

নিৰ্মাণ চলি আছে  লগতে মোদীজীয়ে কৈছে ৰিং ৰোডৰ কাষে কাষে মেট্ৰ' লাইন হ'ব লাগে। এয়াৰ কানেক্টিভিটি আৰু ষ্ট্ৰং কৰিবলৈ আৰু দুটা এয়াৰ পোৰ্ট নিৰ্মাণ কৰিবলৈ গৈ আছে। আৰু সেই কাৰণে এই বেলি কৈছে ৰাইজে- অপ'জিশ্যন হাটাও হীৰা লাও। আজি বিৰোধীয়ে কৈছে যে, নিয়োগৰ কোনো সুবিধা নাই। কিন্তু আজি দুই লাখ যুৱক-যুৱতীক নিয়োগ দিয়াৰ যি প্ৰক্ৰিয়া সেইটো সোনকালে আৰম্ভ হ'ব। মোৰ মনত আছে উপাধ্যক্ষ ডাঙৰীয়া। যেতিয়া অপজিশ্যনৰ চৰকাৰ আছিলে তেতিয়া ডাইৰক্টৰ  অফিছ- চীফ ইঞ্জিনিয়াৰ অফিচত ভেকেন্সী ওলাইছিল তেতিয়া যুৱক-যুৱতীসকলে প্ৰথমে এডমিট- মাৰ্কশ্বীট- চাৰ্টিফিকেট আদি েজৰক্স কৰি অফিচাৰৰ পৰা এষ্টেটেড কৰিব লাগে। তাৰ পিচত এপ্লিকেশ্যন দীঘলীয়া শাৰী পাতি ড্ৰপ বক্সত জমা দিবলগীয়া হৈছিল। ৰাতিপুৱা ৯ টাৰ পৰা ৰাতি ৯ বাজি যায়। তাৰ পিচত পুলিছ লগাই দিয়ে , ঘোৰাৰে খেদা মাৰে, পানীৰ গাড়ীৰে পানী মাৰে। উপাধ্যক্ষ মেহাদয় কিন্তু আজি মোদীজীৰ নেতৃত্বত ডিজিটেল ইণ্ডিয়া হ'ল। আজি অসমতো এ. ডি. আৰ.ই পৰীক্ষা পাতিছে। যুৱক যুৱতীসকলে মোবাইলৰ জৰিয়তে এপ্লাই কৰিব পাৰে। এপ্লিকেশ্যন একচেপ্ট হ'ল নে ৰিজেক্ট হ'ল মোবাইলতে গম পায়। এডমিট কাৰ্ড- ৰিজাল্ট আনকি এপইন্টমেন্ট লেটাৰখনো মোবাইলত আহে – এয়াই হৈছে এন ডি এ চৰকাৰৰ ফলাফল, মোদীজী আৰু হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰ। আজি দুই লাখ যুৱক যুৱতীয়ে নিয়োগ পাবলৈ সক্ষম হ'ব। মই যেতিয়া প্ৰথমবাৰৰ বাবে ২০১৬ চনত এই বিধান সভালৈ নিৰ্বাচিত হৈ আহিছিলো তেতিয়া অসম চৰকাৰৰ বাজেট আছিল ৪০,০০০ কোটি টকা আৰু আজি হৈছে ২, ৫০০০০ কোটি টকাৰ বাজেট এই পবিত্ৰ সদনত ভাৰতীয় জনতা পাৰ্টি নেতৃত্বধীন চৰকাৰে উত্থাপন কৰিলে। মোৰ মনত আছে যেতিয়া আই মাতৃসকলৰ যি চেলফ- হেল্প গ্ৰুপ আছিল তাত মাত্ৰ ৫০০০ টকা দিছিল। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই আত্ম সহায়ক গোটক প্ৰতিগৰাকী আই মাতৃক ১০০০০ কৈ টকা দিছে। যুৱক-যুৱতীসকল হতাশ আছিল যে, তেওঁলোকে কি কৰিব, কি পাব- কোনো কাউন্সিলিং ব্যৱস্থা নাছিল। কিন্তু মাননীয় মুখ্যমন্ত্ৰী

মহোদয়ে তেওঁলোকৰ বাবে আশাৰ সঞ্চাৰ কৰিছে। কংগ্ৰেছে কৈছে যে আমাৰ অসমৰ লৰা –ছোৱালীয়ে বহিঃ ৰাজ্যত গৈ কাম কৰিছে , তেওঁলোকে তাকেই বিচাৰে । বাহিৰৰ ৰাজ্যত গৈ অসমৰ ল’ৰা ছোৱালীয়ে ৱাৰ্ড বয়, ৱাৰ্ড গাল, চিকিউৰিটি গাৰ্ড ইত্যাদিৰ কাম কৰক আৰু সেই কাৰণে চেমি কণ্ডাক্টৰৰ নিচিনা উদ্যোগ বন্ধ কৰাৰ বাবে প্ৰয়াস চলাইছে । তেওঁলোকে কয় চেমি কণ্ডাক্টৰ বাংগালোৰ- হায়দৰাবাদ ইত্যাদিত হওঁক । কিন্তু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আৰু দুটা চেমি কণ্ডাক্টৰ হ’বলৈ গৈ আছে । তাৰ বাবে সন্মানীয় বিত্তমন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই যিখন বাজেট উত্থাপন কৰিছে এইখন এখন বেলেন্সিং বাজেট। আজি কৃষকৰ কথা কৈছে। ১০ লাখ কৃষকৰ ওপৰত কোনো কৰ আৰোপ কৰা নাই। কৃষকক সৰ্ব্ব দিশত আগুৱাই লৈ যাবলৈ প্ৰয়াস চলাইছে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই পি এম কিষাণ নীতি, পি এম কিষাণ ফচল বীমা যোজনা আদিৰ জৰিয়তে কৃষকক আগবঢ়াই নিয়াৰ বাবে আঁচনি লৈছে।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী পৃথ্বীৰাজ ৰাভা। আপোনাৰ সময় পাঁচ মিনিট।

**শ্ৰী পৃথ্বীৰাজ ৰাভা, (তেজপুৰ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মই সদনত যোৱা ১০ জুলাই তাৰিখে ২০২৬-২৭ বৰ্ষৰ যি বাজেট পৱিত্ৰ সদনত অসমৰ মাননীয় বিত্ত মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই দাঙি ধৰিলে তাৰ ওপৰত দুআষাৰ কবলৈ আগবাঢ়িছো । যিদিনাখন বাজেট সদনত পাঠ কৰিব তাৰ আগতে বাতৰি পৰিবেশন কৰা সাংবাদিক সকলে সদনৰ বাহিৰত মোক এটা প্ৰশ্ন কৰিছিল যে এই বাজেটখনৰ বিষয়ে আপুনি কি কয় ? তেতিয়া মই এটা কথা কৈছিলো যে আমি শাসক গোষ্ঠীৰ থাকো বা বিৰোধী পক্ষত থাকো আমি এখন এনে বাজেট বিচাৰো যিখন বাজেটে সাধাৰণ দৰিদ্ৰ মানুহৰ পৰা আৰম্ভ কৰি ধনী মানুহলৈকে, গাঁৱৰ পৰা আৰম্ভ কৰি চহৰলৈকে, পাহাৰৰ পৰা আৰম্ভ কৰি ভৈয়ামলৈকে সকলোৰে বাবে এখন সফল বাজেট প্ৰস্তুত হওক । আৰু যেতিয়া সদনত মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই বাজেট পাঠ কৰিলে, বাজেট পাঠ

কৰোতে আমি অনুভৱ কৰিছো যে মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই সকলোকে সামৰি অসমৰ দুখীয়া শ্ৰেণীৰ পৰা আৰম্ভ কৰি ধনী শ্ৰেণীলৈকে, চহৰৰ পৰা আৰম্ভ কৰি গাওঁ লৈকে, পাহাৰৰ পৰা আৰম্ভ কৰি ভৈয়ামলৈকে সকলো শ্ৰেণীৰ মানুহকে সামৰি সকলো শ্ৰেণীৰ সমাজকে সামৰি এখন সুন্দৰ বাজেট প্ৰস্তুত কৰি আমাৰ মাজত আগবঢ়াই দিছে। এই বাজেটৰ পৰা আমি এটাই কথা পাইছো যে ভাৰতবৰ্ষৰ ভিতৰত শীৰ্ষ পাঁচখন ৰাজ্যৰ স্থান দিয়াৰ যি সপোন মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই প্ৰকাশ কৰিছিল, ইচ্ছা কৰিছিল, সপোন দেখিছিল, সেই সপোন লাহে লাহে বাস্তৱত পৰিণত হ'বলৈ আৰম্ভ কৰিছে। ২০২৫ বৰ্ষত বাজেটৰ আকাৰ প্ৰায় তিনি গুণ বৃদ্ধি হৈ ২৭৮২ কোটি টকা হৈছে। আনহাতে দক্ষ ৰূপায়ণ ক্ষমতা আৰু ৰাজহুৱা সম্পদৰ উপযুক্ত ব্যৱহাৰ প্ৰতিফলিত কৰি বাজেটৰ ধন ব্যৱহাৰৰ হাৰ ৫৮ শতাংশৰ পৰা অভিলেখ সংখ্যক ৮৬ শতাংশলৈ বৃদ্ধি কৰা হৈছে। উন্নয়ন এতিয়া জনসাধাৰণৰ জীৱনটো প্ৰতিফলিত হ'বলৈ আৰম্ভ কৰিছে। জনমুৰি আয় ২০১৫-১৬ বৰ্ষৰ ৬০ হাজাৰ আঠশ সোতৰ টকাৰ পৰা তিনিগুণতকৈ অধিক বৃদ্ধি হৈ ২০২৫-২৬ বৰ্ষত ১,৮৫,৪২৯ টকা হৈছে গৈ। এই পৰিসংখ্যাই সুচায় যে অসমৰ বিকাশ যাত্ৰা অধিক বৃষ্টিত আৰু অতি গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। ৰাজ্যখনত প্ৰতিষ্ঠানিক ঋণ প্ৰবাহো উল্লেখনীয় ভাৱে উন্নত হৈছে। ২০১৬ বৰ্ষৰ মাৰ্চ মাহৰ অসমৰ ঋণ জমাৰ ক্ৰেডিট ডিপজিট অনুপাত ৪১.১০ শতাংশৰ পৰা বৃদ্ধি হৈ ২০২৬ বৰ্ষত মাৰ্চ মাহলৈকে ৭৩.৫২ শতাংশ বৃদ্ধি হৈছে। ইয়াৰ দ্বাৰা এইটো স্পষ্ট যে উৎপাদনমুখী কাৰ্য্যকলাপৰ বাবে অসমত সংগৃহীত জমা ৰাশিৰ বৃহৎ অংশ ৰাজ্যখনৰ ভিতৰতে ব্যৱহাৰ কৰি থকা হৈছে। ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ পৰিকল্পিত ধাৰণাৰ অষ্টদশ মুকুতা উন্নয়নীমূলী আঁচনিৰ এক সুৰক্ষিত, সমৃদ্ধ, বিকশিত অসম গঢ়ি তোলাৰ যাত্ৰাত আমাক সৎ নিৰ্দেশনা প্ৰদান কৰিছে। বাজেটখন যেতিয়া খুলি চোৱা যায়, ঔম গণেশ্বায় নমঃ বুলি কৈ যেতিয়া আৰম্ভ কৰিছিল মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই তাত ৪২৭ টা পইন্ট দেখুওৱা হৈছে। এই ৪২৭ টা পইন্টত বিভিন্ন দিশৰ গাঁৱলীয়া কৃষকৰ পৰা আৰম্ভ কৰি, উদ্যোগপতিৰ

পৰা আৰম্ভ কৰি, শিক্ষাৰ পৰা আৰম্ভ কৰি, স্বাস্থ্যৰ পৰা আৰম্ভ কৰি বিভিন্ন দিশ সামৰি যি যি বিভাগক দায়িত্ব এই চৰকাৰখনে দিয়া আছে, এই প্ৰতিটো বিভাগকে এনেধৰণেৰে ধন আবন্টন দিয়া হৈছে যি ধনৰ দ্বাৰা অহাতো সময়ত এই চৰকাৰখনে এখন সুন্দৰ চৰকাৰ চলাব পাৰিব আৰু এখন সুন্দৰ অসম গঢ়িব পাৰিব বুলি আমাৰ ধাৰণা । আপোনালোকে জানে যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত অসমত মেডিকেল কলেজ হৈছে, মেডিকেল কলেজ বনাই আছে  আৰু কিছুমান মেডিকেল কলেজৰ প্ৰস্তাৱ লোৱা হৈছে। ঠিক তেনেকৈ বিভিন্ন দলং আদি নিৰ্মাণ কৰি থকা হৈছে, বাট পথ নিৰ্মাণ কৰি থকা হৈছে। এই বাট পথটো এটা অভিলেখ স্থাপন কৰিছে এই চৰকাৰখনৰ দিনত। ইয়াৰ আগতে আমি দেখা নাছিলো। আমি সৰু পৰা ডাঙৰ হলো বহুত চৰকাৰ আমাৰ পৰা আতৰি গুচি গ’ল , কিন্তু বাট পথৰ অৱস্থা আপোনালোকে ভাবিব নোৱাৰে। মাননীয় বিধায়ক শ্ৰী ভৱেশ কলিতা ডাঙৰীয়াই কৈছে যে আমাৰ কাৰণে গৌৰৱ যে উত্তৰ পাৰৰ বাইহাটা চাৰি আলিৰ পৰা তেজপুৰ মিছন চাৰি আলি লৈকে যি ফ’ৰ লেনৰ সপোন আমি দেখি আছিলো এই ফ’ৰ লেনৰ সপোন আমাৰ বাস্তৱত পৰিণত হ’বলৈ গৈ আছে। কেইবাখনো দলং, কেইবাখনো ফ্লাই অভাৰ সেই ফ’ৰ লেনত নিৰ্মাণ হ’ব  আৰু মোৰ এটা কথা ক’ব খুজিছো তাৰ মাজতে যে এই ফ’ৰলেনটো বাইহাটা চাৰি আলিৰ পৰা চৰকাৰে যাতে তেজপুৰৰ মিছন চাৰি আলি হৈ দুলাবাৰীত সংযোগ কৰে এইখিনি মই কামনা কৰিছো। বহুতেই ক’ব খোজে যে এই ফৰলেনটো তেজপুৰৰ মেডিকেল কলেজৰ পৰা ফালৰি কাটি বেলেগ ফালে গুচি যাব বুলি কৈছে। মই কিন্তু মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব খুজিছো যাতে এই ফৰলেনটো তেজপুৰৰ মিছন চাৰি আলি হৈ দুলাবাৰীৰ যি ফ’ৰলেন আহিছে চতিয়া, জামগুৰি পৰা তাত সংযোগ কৰিবৰ কাৰণে মই অনুৰোধ কৰিছো। এই ফ’ৰলেনতকৈ আৰু বহুত কাম চৰকাৰে কৰি গৈছে যিবিলাক কামৰ দ্বাৰা আমি আগন্তুক দিনত এইখন চৰকাৰে অসমখনক অষ্টাদশ মুকুতাৰ মালা অৰ্থাৎ পাঁচখন উন্নতশীল ৰাজ্যৰ ভিতৰত এখন শ্ৰেষ্ঠ ৰাজ্য  হিচাপে গঢ় দিবৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্ত মন্ত্ৰী

ডাঙৰীয়াই এই ব্যৱস্থা গ্ৰহণ কৰিব আৰু ইয়াৰ দায়িত্ব দিয়া হৈছে প্ৰতিজন বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক আৰু বিভাগীয় মন্ত্ৰী ডাঙৰীয়াসকলেও এই দায়িত্ব গ্ৰহণ কৰি অসমখনক উন্নতিৰ পথত আগবঢ়াই নিব বুলি আশা কৰি মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো। ধন্যবাদ।

**माननीय উপাধ্যক্ষঃ** Thank You. The next Hon'ble Member is Shri Rabiram Narzary and your time is 10 minutes.

**শ্ৰী ৰবিৰাম নাৰ্জাৰী, দোতমাঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১০ তাৰিখে আমাৰ অসমৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ জৰিয়তে এইখন পৱিত্ৰ সদনত দাখিল কৰা যি বাজেট এই বাজেটক মই জনকল্যাণমুখী, উন্নয়নমুখী আৰু দুৰদৰ্শী এখন বাজেট বুলি মই আখ্যা দিব বিচাৰো। এই বাজেটখন যেতিয়া প্ৰস্তুত কৰিছিলে নিশ্চয় আমাৰ যি সকলে বাজেটখন বিস্তৃতভাৱে অধ্যয়ন কৰিছে, গভীৰভাৱে বিশ্লেষণ কৰিছে। সঁচাকৈ আমি কবলৈ বাধ্য যে এই বাজেটখনত আমি পুঁজিৰ অভাৱ দেখা নাই। উন্নয়নৰ কাৰণে Infrastructure Development ৰ কাৰণে যিখিনি প্ৰতিশ্ৰুতি আমি বাজেটখনত দেখিবলৈ পাইছো, উন্নয়নৰ কাৰণে যিখিনি আমাৰ চৰকাৰীভাৱে পদক্ষেপ লোৱাৰ প্ৰয়োজন আছিল গোটেইখিনি আজি এই বাজেটখনত আমি দেখিবলৈ পাইছো। মোৰ এটা অনুভৱ হয়, এই বাজেটখন যেতিয়া প্ৰস্তুত কৰিছিল, বিত্ত মন্ত্ৰী ডাঙৰীয়াই নিশ্চয় নিজৰ ওচৰতে হয়তো আমাৰ মা লক্ষ্মী দেৱী, বিশ্ব কৰ্মা দেৱতা, ধন কুবেৰ দেৱতা এই সকলোকে একেলগে ৰাখি ইয়াতে বাজেটখন প্ৰস্তুত কৰা হৈছিল বুলি মোৰ এটা ধাৰণা হয়। মোৰ অলপ আগতে যি জন সন্মানীয় বিধায়ক ডাঙৰীয়াই বক্তব্য ৰাখিলে যে অসমৰ প্ৰতিটো শ্ৰেণীৰ প্ৰতিটো বৰ্ষৰ, প্ৰতিটো অঞ্চলত-উত্তৰ, দক্ষিণ, পূৱ, পশ্চিম সকলো অঞ্চলৰ ৰাজ্যৰ জাতি জনগোষ্ঠীৰ আমাৰ প্ৰতিজনৰে আশা আকাংক্ষা, ৰাজ্যৰ অভাৱ অভিযোগ পূৰণ কৰিবৰ কাৰণে প্ৰতিশ্ৰুতি প্ৰদান কৰি এই বাজেটখন আজি প্ৰস্তুত কৰা হৈছে আৰু ইয়াক সামৰি লোৱা হৈছে বুলি মই ক'ব খোজো। ইয়াৰ কাৰণে এই বাজেটখন সঁচাকৈ আমাৰ অসমবাসীৰ কাৰণে খুব সুন্দৰ এখন বাজেট আৰু খুব এখন দুৰদৰ্শী

বাজেট বুলি মই ক'ব খুজো। ইয়াৰ কাৰণে অসমৰ আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াক মই অন্তৰৰ পৰা ধন্যবাদ জ্ঞাপন  কৰিছো। আমি সকলোৱে জানো যে যোৱা এপ্ৰিল মাহত সমাপ্ত হৈ  যোৱা নিৰ্বাচনত অসমৰ চুকে কোণে চাৰিওফালে জাতি জনগোষ্ঠীৰ সম্প্ৰদায়ৰ মানুহবিলাকে আমাৰ বিভিন্ন ধৰ্মাৱলম্বী ৰাইজে তেখেতসকলে NDA দলৰ প্ৰতি ধন মন ধন গোটেইখিনি আমাক গতাই দিছিলে। ৰাইজৰ যিটো মৰম আৰু আশীৰ্বাদ আমি এই যোৱা নিৰ্বাচনত পাবলৈ সক্ষম হৈছিলো, যে সঁচাকে এইটো এটা অভিলেখ সৃষ্টি কৰাৰ নিচিনা হ'ল। এটা ঐতিহাসিক নিৰ্বাচন হিচাপে আজি আমি কবলৈ বাধ্য হ'ম।

**শ্ৰী মৃণাল শইকীয়া, ( খুমটাই)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১০ জুলাই তাৰিখে যিখন বাজেট ইয়াত দাখিল কৰিলে তাৰবাবে মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু যুৱ বিত্তমন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াক অন্তৰৰ পৰা ধন্যবাদ জনাইছো আৰু খুমটাইবাসীৰ হৈ মই এই বাজেটখনক স্বাগতম্ জনাইছো। মাননীয় উপাধ্যক্ষ মহোদয়, ২৮৫ হাজাৰ টকাৰ বাজেট কেৱল এক সংখ্যাৰ হিচাপ নহয়। এই বাজেটখন হ'ল আমাৰ চাৰে তিনি কোটি অসমীয়া মানুহৰ সপোনৰ দলিল। আমাৰ বিৰোধী দলৰ দলপতি মাননীয় শ্ৰী ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই কৈছে যে এই বাজেটখন হৈছে ৰঙীন কাপোৰেৰে ঢাকি থোৱা এখন অৰ্থহীন দলিল নে কি তেনেকুৱা শব্দ কৈছো খালী বাকচ তেওঁ যে ঋণৰ কথা কৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই সদনক জনাব খোজো যে এই বাজেটখনে যিটো FRBM (Fiscal Responsibility and Budget Management) Act তাক সম্পূৰ্ণকৈ পালন কৰিছে। সেই Act খনৰ মতে আমি GSDP ৰ ৩২ শতাংশ লোন ল'ব পাৰো। কিন্তু এই বাজেটখনে মাত্ৰ লৈছে ২৪ পইণ্ট কিবা এটা লৈছে। তাৰমানে আমি এতিয়াও ৮ শতাংশ ইয়াত লোন ল'ব পৰা হৈ আছো। সেই কাৰণে তেখেতে সেইটো উপলব্ধি কৰক আৰু বাজেটখনক স্বীকৃতি দিয়ক আৰু  মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। এই বাজেটখনে ৰাজকোষীয় শৃংখলাৰ লগতে মানুহৰ কল্যাণো উপস্থাপন কৰিছে। মই সকলো বিষয়তে ক'বলৈ নাযাওঁ, সময়ত কম।

এই বাজেটখনক মই কৃষিমুখী বাজেট বুলি ক'ব বিচাৰিছো। কৃষক সুখী হ'লে অসম সুখী হ'ব। আমাৰ জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল যে ভাৰতৰ আত্মা গাওঁত বাস কৰিছে। গাওঁত কোনে বাস কৰে ? কৃষকে। কাৰণ কৃষক সকলে হৈছে ভাৰতৰ আত্মা। এইবাৰ জলসিঞ্চনত বিশেষ প্ৰাধান্য দিছে , সেই কাৰণে মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো অহা ৫ বছৰত ৪ হাজাৰ কোটি টকাৰ জলসিঞ্চন প্ৰকল্প অসমত স্থাপন হ'ব। মই ইয়াত আশা ৰাখিছো যে আমাৰ খুমটাই সমষ্টিত থকা যিটো মৃতপ্ৰায় হৈ আছে কলঙনী বোৱতী জলসিঞ্চন আঁচনি। এই আঁচনিখনো যাতে এইবাৰ আকৌ পুনৰজীৱিত হৈ উঠে তাৰ কাৰণে মই মাননীয় আমাৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম । এই আঁচনিবিলাক, এই প্ৰকল্পবিলাক যদি আৰম্ভ হয়, তেনেহ'লে আমাৰ খুমটাই সমষ্টিতে খেতিৰ প্লাৱন হ'ব। খেতিৰ প্লাৱন হৈ উঠিব যেতিয়া আমাৰ প্ৰত্যেক মাটিত যেতিয়া আমি পানী পাওঁ, আমাৰ মাটিত পানী পালে আমাৰ খেতিয়ে হাঁহিব। মাননীয় উপাধ্যক্ষ মহোদয়, এইবাৰ কেইটামান বস্তুৱে এই বাজেটখনত উত্থাপন কৰাৰ বাবে মোৰ খুব ভাল লাগিছে। সাঁচি কাঠ যিটো Agarwood economy বুলি কওঁ, মইও agarwood ৰ খেতিয়ক এজন, কিন্তু আমি সমুচিত দাম নাপাওঁ। আমাৰ কেইবাটাও layer আছে ওপৰত। আমাৰ পৰা এজনে নিব, তাৰ পৰা এজনক দিব, তাৰ পৰা এজনক দিব তাৰ পাছত গৈ হোজাই পাব, হোজাইৰ পৰা গৈ আৰৱ পাবগৈ। যিটো আমাৰ task force বনাব খুজিছে যে মূল্য নিৰ্ধাৰণ কৰা বা বিপনন তাত ৰপ্তানি কৰা সেইটো এটা অতি ইতিবাচক দিশ আৰু এটা ইয়ে আমাৰ গ্ৰাম্য অৰ্থনীতিত এটা সুদুৰ প্ৰসাৰী প্ৰভাৱ পেলাব। কাৰণ অসম ভাৰতৰ ভিতৰতে বেছি সাঁচি কাঠৰ উৎপাদনকাৰী ৰাজ্য আৰু এটা বস্তুৱে মোক আপ্লুত কৰিছে যে প্ৰত্যেকখন ৰাজত আমাৰ যি traditional food আছে আমাৰ থলুৱা খাদ্যৰ বিপনীসমূহ। আমি যেতিয়া বাহিৰলৈ যাওঁ, বিদেশৰতো কথা বাদেই দিছো, অসমীয়া মানুহে যেতিয়া দিল্লীলৈ যায়, দুদিনৰ পিছত ঘৰৰ খাদ্যলৈ মনত পৰে যে ভাত আৰু দাইল নেমু চেপি এসাজ কেতিয়া খাবলৈ পাম, এইটো সকলোৰে মনত পৰে, মোৰো মনত পৰে। আমি সেই থলুৱা খাদ্যৰ বিপনী

বিচাৰি নাপাওঁ। সকলো খাদ্য, আমাৰ South Indian Food য়ে ইমান বেপাৰ কৰিছে গোটেই পৃথিৱীতে আছে। কিন্তু আমাৰ অসমীয়া খাদ্য খাবলৈ বহুত জুতিলগা আৰু স্বাস্থ্যৰ কাৰণেও বহুত উপকাৰী, তেল মছলা নাথাকে। কিন্তু এইবাৰ বাজেটত দিছে যে প্ৰত্যেক খন ৰাজ্যত আৰু বিদেশৰ কথাও উল্লেখ কৰা হৈছে যে আমাৰ এই থলুৱা বিপনী থাকিব লাগে। সেইখিনিয়েই আমাৰ খাদ্যক ওপৰলৈ লৈ যাব, আমাৰ অৰ্থনীতিত প্ৰভাৱ পেলাব, বহু আমাৰ থলুৱা যুৱক-যুৱতীয়ে সংস্থাপিত হ'ব আৰু আমি বাহিৰত গৈ বেছিদিন থাকিবলগীয়া হ'লে আমি ভালদৰে আমাৰ অসমীয়া জুতিৰ খাদ্য খাবলৈ পাম। এইটো এটা বহুত উল্লেখ কৰিবলগীয়া দিশ। আমি Home stay ৰ কথা কৈছে যে আমাৰ গাৱে গাৱে home stay থাকিব লাগে। মোৰ নিজৰ সমষ্টিতে তিনিটা home stay গঠন কৰিছো। ৩০ শতাংশ আমাক চৰকাৰে subsidy দিব। এইখিনি বিষয়ে বাজেটখনক বহু ওপৰলৈ লৈ গৈছে আৰু এই বাজেটে আমাৰ অসমীয়া সমাজত যি সপোন দেখিছে, বাজেটখন দাখিল কৰাৰ লগে লগে ১০ জুলাই তাৰিখে এই সপোনবোৰক সাৰ্থক ৰূপ দিব। বিশেষকৈ আমাৰ কৃষিৰ ক্ষেত্ৰত মই এটা কথা কৈ থওঁ, আমাৰ তলত এচাম warriors আছে। যিসকলে আমাক প্ৰত্যেকঘৰ মানুহৰ লগত, প্ৰত্যেকজন খেতিয়কৰ লগত, প্ৰত্যেকজন পশু-পালকৰ লগত তেওঁলোকৰ connection আছে। তেওঁলোক হ'ল পশু সখী, জীৱিকা সখী, কৃষি সখী এনেকুৱা কিছুমান warrior আছে, যিসকলে ৰাতিপুৱা ৬ বজাতে ঘৰৰ পৰা ওলাই গধুলি ৬ বজাত সোমায়। কিন্তু তেওঁলোকৰ পাৰিতোষিক টো বহুত কম। কিছুমানে ৮ হাজাৰ পায়, কিছুমানে ১০ হাজাৰ টকা পায়। সেই পাৰিতোষিকটোৰ কাৰণে তেখেত সকলে ইমান কষ্ট কৰিছে যে তেওঁলোকে যিটো পইচা পায়, সেইটো নিয়মীয়াকৈ নাপায়। ৩-৪ মাহৰ পাছতে পালে। মই অনুৰোধ কৰিম যে তেওঁলোকৰ পাৰিতোষিক বৃদ্ধি কৰিব লাগে ১৫-২০ হাজাৰ টকা কৰিব লাগে আৰু এবছৰত তেওঁলোকক দুটা mobile phone দিব লাগে। মোবাইল ফোনৰ কথা এইটো কাৰণে কৈছো যে তেওঁলোকে ইমান ফটো upload দিয়ে, তেওঁলোকে মোক কয় যে চাৰ, আমাৰ পইচাৰে মোবাইল

কিনিবলৈ হয়হে। আমাৰ যি উদ্যমিতা আঁচনিৰ যি পইচা লাভ কৰিছে গাওঁৰ মহলা সকলে তাৰ পিছত কিন্তু চালিকাশক্তি হিচাপে এই সখী সকল আছে, তেওঁলোকে ৰাতিপুৱাৰ পৰা গধুলিলৈকে তেওঁলোকক বুজাই বঢ়াই সেই কাম কৰিবলৈ অনুপ্ৰেৰণা যোগায় motivate কৰাই আৰু তেওঁলোকৰ কাৰণে গাওঁৰ যি উদ্যমিতা যি লাখপতি বাইদেউৰ কথা শ্ৰী পল্লৱলোচন দাস ডাঙৰীয়াই উল্লেখ কৰিছে, এইসকলে উদগনি পায় , আগবাঢ়ি যাবলৈ চেষ্টা কৰে। এইটো মই অনুৰোধ কৰিম যাতে তেওঁলোকৰ পাৰিতোষিক ১৫ ৰ পৰা ২০ হাজাৰ টকা কৰিব লাগে আৰু এবছৰত দুটাকৈ মোবাইল তেওঁলোকক চৰকাৰে প্ৰদান কৰিব লাগে। আকৌ এবাৰ মই বিত্তমন্ত্ৰী মহোদয়ক, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰি বাজেটখনৰ কাৰণে মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** Thank you. Next Member is Shri Akhil Gogoi and your timing is only 7 minute.

**শ্ৰী অখিল গগৈ, ( শিৱসাগৰ)** ঃ শ্ৰদ্ধেয় উপাধ্যক্ষ ডাঙৰীয়া, অসম বাজেট ২০২৬-২৭ ৰ ওপৰত মোৰ বক্তব্য দাঙি ধৰিব খুজিছো। মই ভাবো যে অসমীয়া মানুহৰ আটাইতকৈ ডাঙৰ সমস্যাটো হ'ল Non-Professionalism অ-পেচাদাৰীত্ব। আমি কোনো কাম পেচাদাৰীভাৱে নকৰো। আমি কেৱল যদি খেতিও কৰো, অকনমান নিজৰ ঘৰত খাবৰ কাৰণে কৰো, বজাৰলৈ নকৰো, একো কামেই আমাৰ পেচাদাৰী নহয়। সেই কাৰণে এই পেচাদাৰীত্বটো বঢ়োৱাতোৱে হ'ল বাজেটখনৰ প্ৰদান উদ্দেশ্য হ'ব লাগে। কিন্তু দেখা যায় যে পেচাদাৰীত্ব কমোৱাৰ কাৰণে যি আঁচনি আছে, যেনেকৈ অৰুণোদয় আঁচনি ঘৰে ঘৰে মাহে মাহে পইচা দিয়া। এইবাৰ নিযুত মইনা আৰু নিযুত বাবুৰ জৰিয়তে ছাত্ৰ আৰু ছাত্ৰী সকলকো অৰুণোদয় দিয়াৰ অৰ্থাৎ প্ৰত্যেক মাহে মাহে পইচা দিয়াৰ ব্যৱস্থা কৰি আকৌ Non-Professional কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মই ভাবো যে এইটোৱে হ'ল বাজেটখনৰ আটাইতকৈ ডাঙৰ draw back যে ই আমাৰ অসমীয়া মানুহক Non-Professional কৰিব খুজিছে। বহুতে কৈ আছে

যে এইবাৰ বাজেটত ইমান পইচা হৈছে যে বাজেট বাঢ়ি গৈছে। মই দেখিলো যে যোৱাবাৰ যিখন বাজট আছিল, যোৱাবাৰ বাজেটতকৈ এইবাৰ ২২ শতাংশ সৰু বাজেট। এইবাৰ total budget expenditure হ'ল ১ লাখ ৫৬ হাজাৰ ৭১৫ কোটি টকা। তাৰে আকৌ ধাৰ মাৰিব ৮ হাজাৰ ৬৮৫ কোটি টকা। গতিকে আচলতে অসমৰ বাজেট হ'ল ১ লাখ ৪৮ হাজাৰ ২৯ কোটি টকাৰ। এতিয়া ১ লাখ ৪৮ হাজাৰ কোটি টকা গোটেই বছৰত খৰছ কৰিব কিন্তু এই কিতাপখনত আপোনালোকে দেখিবলৈ পাব summery of financial position. ইয়াত স্পষ্টকৈ লিখা আছে যে এইবাৰ অসমৰ ধাৰ ৩১ মাৰ্চ যোৱা ৩১ মাৰ্চ, এই ৬ মাহৰ বাদ দি, যোৱা ৩১ মাৰ্চলৈকে অসমৰ ধাৰ ১ লাখ ৯৪ হাজাৰ ৬২.০২ কোটি টকা। অৰ্থাৎ যদি আমি চাওঁ, তেতিয়াহ'লে ধাৰতকৈ বাজেটৰ পৰিমাণ ৪৮ হাজাৰ ৩৩ কোটি টকা কমহে ধাৰতকৈ। গতিকে এইখন অত্যন্ত আৰু এই সময়খিনিত ২০ হাজাৰ কোটি টকা লৈছে, সেইটোও যদি ধৰো আচলতে বাজেটখন ধাৰতকৈ ৬৮ হাজাৰ কোটি টকা সৰু। গতিকে এই কথাটো বুজি উঠিব লাগিব। এতিয়া আমি যদি চাওঁ, যে এই বাজেটখনত বহুত কৈ আছে যে আমাৰ বিৰাট অৰ্থনীতি ভাল হৈছে, ভাল হৈছে, ক'ত বাঢ়িছে ? মই বাৰম্বাৰ চালো, ২০১১ চনৰ পৰা চালো যে আমাৰ যিটো মুঠ টকা যাক একত্ৰিত নিধিৰ মুঠ পৰিমাণ বুলি কয়, যিটোত ৰাজহ আহে, ইয়াৰে ৰেভিনিউত ৩০.১২ শতাংশহে আমাৰ ৰাজ্য চৰকাৰৰ নিজৰ। কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰেভিনিউ আহিছে ৫০.১৩ আধা সংখ্যক কেন্দ্ৰীয় চৰকাৰৰ পৰা আহে আৰু ধাৰ লৈছো আমি ১৯.৭৬ অৰ্থাৎ ধাৰ লোৱা আৰু কেন্দ্ৰীয় চৰকাৰৰ আহে ৭০ শতাংশ আৰু আমি অকল নিজৰ পৰা খৰছ কৰিব পাৰো ৩০ শতাংশ। গতিকে এইখন বাজেট কেতিয়াও এখন ভাল বাজেট নহয় এখন ধাৰৰ ওপৰত চলা আৰু কেন্দ্ৰীয় চৰকাৰৰ ওপৰত চলা এখন বাজেট। সেই কথাটো আমি প্ৰত্যেকে বুজি পোৱা দৰকাৰ। এতিয়া মই কৈছিলো যে এই বাজেট খনৰ আচল পৰিমাণটো হ'ল ১ লাখ ৪৮ হাজাৰ ২৯ কোটি টকা। তাৰে আকৌ committed expenditure অৰ্থাৎ দৰমহা দিবলগীয়া টকা হ'ল ৭৫ হাজাৰ ১৯ কোটি টকা। গতিকে থাকিলে কিমান ? ৭৩ হাজাৰ ১০ কোটি টকা। তাৰে

আকৌ কেন্দ্ৰীয় চৰকাৰৰ আঁচনি আছে ৫৫ হাজাৰ কোটি টকা। অৰ্থাৎ বাজেটৰ ওপৰত পইচা খৰছ কৰিব কেৱল ১৮ হাজাৰ ১০ কোটি টকা । আমাৰ development ৰ কাৰণে খৰছ কৰিব পাৰিব ১৮ হাজাৰ ১০ কোটি টকা এইখন কি বাজেট হ'ল আপোনালোকে নিজে ভাবক।

আটাইতকৈ ডাঙৰ কথাটো হ'ল যে যোৱাবাৰতকৈ এইবাৰ সমাজ কল্যাণ বিভাগত ৩৮ শতাংশ,পৰিবহন বিভাগত ২১ শতাংশ, কৃষি বিভাগত ১৯ শতাংশ আৰু SC, ST, OBC ৰ কাৰণে ২০ শতাংশ বাজেট কমি গ'ল। আজি যদিও BTAD ৰ প্ৰতিনিধি মাননীয় সদস্য শ্ৰী ৰবিৰাম নাৰ্জাৰী ডাঙৰীয়াই বাজেটখনৰ বিৰাট প্ৰশংসা কৰিলে, মই দেখিলো যে যোৱাবাৰৰ বাজেটত তেওঁলোকক ৮৪৩ কোটি টকা দিছিল। কিন্তু এইবাৰ কেৱল ৪০১ কোটি টকা দিলে ,অৰ্থাৎ ৪৪২ কোটি টকা BTAD ৰ পৰা কাটি দিলে । Karbi Anglong Autonomous Council ক যোৱাবাৰ দিছিল ৭০০ কোটি টকা, এইবাৰ ৪২০ কোটি টকা দিছে। এইবাৰ ২৮০ কোটি টকা কাটিলে । এই যে ২৮০ কোটি টকা ট্ৰাইবেল মানুহ বিলাকৰ পৰা কাটি ল'লে তাৰপিছতো যদি কোনাবাই এইখন ভাল বাজেট বুলি কয় তেতিয়াহ'লে মই ক'ম যে তেওঁলোকে এনেই তেল মাৰি কৈছে। এইখন আচলতে কোনোপধ্যে ভাল বাজেট নহয়। ভাল বাজেট এখন হ'বৰ বাবে তাত পাঁচটা গুণ থাকিব লাগিব । অসমীয়া মানুহৰ বাবে ভাল বাজেট হ'বৰ কাৰণে প্ৰথমতে অসমৰ ১০০ শতাংশ পথাৰত বছৰৰ সকলো সময়তে খেতি কৰিব পৰাকৈ জলসিঞ্চনৰ সুবিধা দিব পাৰিব লাগিব, machanization হ'ব লাগিব , খুব ধুনীয়াকৈ খেতি কৰিব পৰা হ'ব লাগিব আৰু পথাৰখনত ১০০ শতাংশই বছৰত তিনিবাৰ খেতি আৰু নিজৰ ঘৰৰ যিখন বাৰী থাকিব, তাৰ পৰা এনেকুৱা ইনকাম হ'ব লাগিব যে সেই পইচাৰে পৰিয়ালৰ গোটেই তেল-টেঙাৰ খৰচখিনি হৈ চলি থাকিব পাৰে। গতিকে তেনেকুৱা এখন বাজেট কৰিবৰ বাবে কৃষি ক্ষেত্ৰত পইচা দিব লাগিব। কিন্তু এইবাৰ কৃষিৰ ক্ষেত্ৰত বাজেট কমাই দিলে। মথাউৰিত ভীম কল ৰুই আমি গোটেই অসমক baby food ৰ যোগান ধৰিব পাৰো । আমি পাহাৰত কঠাল ৰুই গোটই পৃথিৱীক baby food খুৱাই দিব পাৰো। পাহাৰত যদি

কঠাল ৰুই দিওঁ তেতিয়া হাতী আৰু মানুহৰ সংঘাত কম হৈ যাব। তাৰোপৰি পাহাৰৰ কঠালেৰে আমি গোটেই পৃথিৱীক নিৰামিষ মাংস খুৱাব পাৰো। আজিকালি নিৰামিষ মানুহৰ সংখ্যা বেছি। কঠালৰ পৰা নিৰামিষ মাংস আমি বনাব পাৰো। কৃষি ক্ষেত্ৰখনক ভাল কৰিবৰ কাৰণে আমি অসমৰ প্ৰত্যেকটো পঞ্চায়তত Cold Storage নিৰ্মাণৰ ব্যৱস্থা কৰিব লাগিব, ডাঙৰ ডাঙৰ মাণ্ডি বনাব লাগিব। এইটো হ'ল প্ৰথম কথা। ভাল বাজেট হ'বলৈ হ'লে অসমৰ পথাৰখনত বছৰৰ সকলো সময়তে ১০০ শতাংশ খেতি কৰাৰ ব্যৱস্থা ল'ব লাগিব। দ্বিতীয়তে, ভাল বাজেট এখন হ'বলৈ হ'লে এখন গাঁৱত এটা উদ্যোগ লাগিব। এই যে আপোনালোকে জাগীৰোডৰ ছেমি কণ্ডাক্টৰৰ বাবে ২৭ হাজাৰ কোটি টকা দিলে, কেন্দ্ৰীয় চৰকাৰে ১৫ হাজাৰ কোটি টকা Capital Subsidy দিলে, অসম চৰকাৰে পাঁচ হাজাৰ কোটি টকা, ২০ হাজাৰ কোটি টকা আমি দি দিলো আৰু সাত হাজাৰ কোটি টকা বেংকৰ পৰা গেৰান্টী লৈ দিম বুলি কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে কৈছে, ২৭ হাজাৰ কোটি টকা। অসমত ২৬ হাজাৰখন গাওঁ আছে। মোক যদি আপোনালোকে ১ কোটি ১ কোটি কৈ দিয়ে এখন এখন গাঁৱত মই এটা এটা উদ্যোগ বহুৱাই দিম আৰু অসমত এখন এখন গাঁৱত মই ১০০ জনকৈ মানুহক এই উদ্যোগ বিলাকত কাম দিব পাৰিম। সেইকাৰণে গাঁৱে গাঁৱে উদ্যোগ এইটো বাজেটৰ দ্বিতীয় মূল কথা হ'ব লাগিব। তৃতীয়তে, নগৰত উদ্যোগ। নগৰত উদ্যোগৰ কাৰণে যোগান শৃঙ্খলৰ মূল কেন্দ্ৰ কৰিব লাগিব। Field entire আৰু Digital Economy কৰিব লাগিব, নগৰকেন্দ্ৰিক উদ্যোগীকৰণ কৰিব লাগিব , Assam IT Hub কৰিব লাগিব। এইকেইটা বস্তু নকৰিলে কেতিয়াও নগৰ এখনৰ প্ৰত্যেক মানুহেই কাম নাপায়। আজিৰ দিনটোত আপোনালোক সকলোৱে খবৰ লওঁক যে গাঁৱৰ ল'ৰাই কি কাম কৰে। যিকোনো এখন গাঁৱত গৈ সোধক যে আপোনালোকৰ গাঁৱৰ ল'ৰাই আটাইতকৈ বেছি কি কাম কৰে। প্ৰথম ক'ব যে গাঁৱৰ ল'ৰা বিলাকে মিস্ত্ৰীৰ লগত যোগালিৰ কাম কৰে। দ্বিতীয়তে ক'ব বাংগালোৰ আৰু চেন্নাইলৈ যাওঁ। যদি বাঙ্গালোৰ আৰু চেন্নাইলৈ যোৱাতো কমাব লাগে তেতিয়াহ'লে আমাৰ ইয়াত One village one industry কৰাৰ ব্যৱস্থা কৰিব

লাগিব। চতুৰ্থতে, অসমক পেছাদাৰী অসম কৰিব লাগিব। মিস্ত্ৰীজন যোগালি কৰিবলৈ যোৱাৰ আগতে প্ৰথমতে আমাৰ চৰকাৰৰ পৰা মিস্ত্ৰীৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগিব। চেন্নাইলৈ চিকিউৰিটি গাৰ্ডৰ কাম কৰিবলৈ যোৱাৰ আগতে আমি তেওঁলোকক যদি বেটেলিয়ানৰ ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰিব পাৰো, তেতিয়া যদি তাত গৈ ১৮ হাজাৰ টকা পাইছে বেটেলিয়ানৰ ট্ৰেইনিং দি পঠিয়ালে ৫০ হাজাৰ টকাৰ দৰমহা পাব। তাক কয় Skill Development, অৰ্থাৎ পেছাদাৰী অসম এখন বনাবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। তাৰ কাৰণে প্ৰয়োজন হ'লে ল'ৰা-ছোৱালীয়ে স্কুল এৰাৰ আগে আগে এখন বেলেগ স্কুলত পঢ়ুৱাই তেওঁক Skilled কৰি উলিয়াই পঠিয়াব লাগিব। এতিয়া ৫ নম্বৰ শেষ কথাটো ক'ব খুজিছো যে যদি প্ৰকৃত অৰ্থত অসমক ধনী কৰিব লাগে, আমি অসমে বজাৰ দখল কৰিব পাৰিব লাগিব। অসমৰ স্থানীয় বজাৰ, নৰ্থ-ইষ্টৰ মাছ, মাংস আৰু শাক-পাচলিৰ বজাৰখন দখল কৰিব পাৰিব লাগিব। ভাৰতীয় বজাৰখন দখল কৰিব পাৰিব লাগিব। পূবৰ দুৱাৰখন খুলি আমি ওচৰত থকা ম্যানমাৰ, থাইলেণ্ড, নেপাল,ভূটান এই ৰাজ্যবিলাকৰ বজাৰখন আমি দখল কৰিব পাৰিব লাগিব। আটাইতকৈ ডাঙৰ কথা পশ্চিমীয়া দেশ কেইখনৰ বজাৰ দখল কৰিবৰ কাৰণে এৰী, মুগা, পাট, জঁহা চাউল, organic tea, ভোট জলকীয়া, কাজি নেমু, আদা আদি আমাৰ যিসমূহ অভিজাত বস্তু সেইবিলাক প্ৰাকৃতিক ভাৱে উৎপাদন কৰি ব্ৰেণ্ডিং কৰি আমি বিদেশৰ বজাৰ দখল কৰিব লাগিব। এই পাঁচটা কামৰ জৰিয়তে এখন ভাল বাজেট হ'ব পাৰে। কিন্তু দুৰ্ভাগ্যবশতঃ তেনেকুৱা ভাল বাজেট বনোৱাৰ কাৰণে কোনো আগ্ৰহ এই চৰকাৰখনৰ নাই, এই চৰকাৰখনে কেৱল হিতাধিকাৰীক পইচা দি চলাব খোজে। সেইকাৰণে মই এই বাজেটক তীব্ৰ গৰিহণা দিছো। আটাইতকৈ ডাঙৰ কথা আজি শিক্ষা মন্ত্ৰীয়ে কৈ আছিল, আজি শিক্ষা বিভাগত কিয় আকৌ পইচা দিব লগীয়া হৈছে। ডিগ্ৰীৰ ষ্টুডেন্ট এজনক অৰুণোদয়ৰ আঁচনিৰ সমান ১২৫০ টকা পইচা দিম বুলি কৈছে। কিয় দিবলগীয়া হৈছে, কাৰণ ডিগ্ৰী কলেজবোৰ বৰবাদ কৰি দিলে। এতিয়া ল'ৰা-ছোৱালীবোৰ স্কুললৈ যাব নোখোজে। গতিকে dropout ৰ rate কমাবৰ কাৰণে এতিয়া

বাজেটত ১২৫০ টকাকৈ পইচা দিবলগীয়া হৈছে। যেনেকৈ অৰুণোদয়ত দিয়ে তেনেকৈ ডিগ্ৰী কলেজৰ ল'ৰা-ছোৱালীবোৰক এনেকৈ মাহে মাহে পইচা দিবলগীয়া হৈছে। ধন্যবাদ, জয় আই অসম।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য ড° তুলিৰাম ৰংহাং।

**ড° তুলিৰাম ৰংহাং, ৰংখাং :** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ, এইবছৰৰ বাজেট মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই যিখন বাজেট দাখিল কৰিলে তাক মই আদৰণি জনাইছো। কাৰণ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সকেলা শ্ৰেণীৰ লগতে BPL আৰু APL ৰ পৰিয়ালৰ লোক সকলক এই বাজেটত অন্তৰ্ভুক্ত কৰিছে। কাৰণ ঘৰ ঘৰ জল জীৱন মিছনৰ জৰিয়তে প্ৰত্যেক শ্ৰেণীৰ পৰিয়ালে যাতে ঘৰত খোৱা পানীৰ সুবিধা পায় তাৰ বাবে এই বাজেটখনত অন্তৰ্ভুক্ত কৰিছে। লগতে এইটো ভাৰতৰ এটা ইতিহাস যে কোনো ৰাজ্যতেই আজিলৈকে এনেকুৱা বিষয়বোৰ অন্তৰ্ভুক্ত কৰা নাই। চাব চেন্টাৰ হস্পিতালবোৰৰ কাৰণে ডাক্তৰ দিয়াৰ পৰিকল্পনাৰ কথা এই বাজেটত অন্তৰ্ভুক্ত কৰিছে। তাৰকাৰণে মই মাননীয় বিত্তমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। এই বাজেটৰ ওপৰত মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াই কৈছে যে হিতাধিকাৰী সকলৰ বাবে বহু আঁচনি আছে। দুখীয়া পৰিয়াল সমূহৰ কাৰণে এই হিতাধিকাৰীৰ আঁচনি সমূহ গ্ৰহণ কৰা হৈছে। অৰুণোদয় আঁচনিৰ পৰা আৰম্ভ কৰি নিযুত মইনা, বাবু আঁচনি আদি আটাইবোৰ এই বাজেটত অন্তৰ্ভুক্ত কৰা হৈছে যাতে দুখীয়া দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালৰ লোকসকল এই আঁচনিবোৰৰ পৰা উপকৃত হ'ব পাৰে।

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** আপোনালোকৰ কাৰ্বি আংলং অট'ন'মাচ কাউঞ্চিলত কাৰ্বি লোকসকলৰ বাবে ২৮০ কোটি টকা কমাই দিলে।

(......................সদনত হুলস্থূল.............................)

**ড° তুলিৰাম ৰংহাং, ৰংখাং :** অখিল গগৈ ডাঙৰীয়া, আপুনি মনে মনে থাকক।

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বড়ো লোকসকলৰ বাবে ৪৪২ কোটি টকা কমাই দিলে।

(......................সদনত হুলস্থূল.............................)

**ড° তুলিৰাম ৰংহাং, ৰংখাং :** এইবছৰ আমাৰ কাৰ্বি আংলং Autonomous Council ত All round development ৰ কাৰণে plan and Non plan মিলি ১৬৭৮ কোটি, ৫৫ লাখ ১১ হাজাৰ টকাৰ পুঁজি দিছে। মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া এই বিষয়ত জ্ঞাত নহয়। এই বাজেটখন যাতে তেখেতে পঢ়ে। তেখেতে কৈছে যে চৰকাৰে কাৰ্বি আংলঙত ৪২০ কোটি টকা হে দিছে। এই বাজেটত উল্লেখ আছে ১৬৭৮ কোটি ৫৫ লাখ ১১ হাজাৰ টকা আমাৰ কাৰ্বি আংলং কাউঞ্চিলৰ বাবে দিছে। আমাৰ কাৰ্বি আংলঙৰ উন্নয়নৰ কাৰণে এই পুঁজি ধাৰ্য্য কৰাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আপুনি শুনি ভাল পাব যে যোৱা পাঁচ বছৰে কাৰ্বি আংলঙৰ উন্নয়নৰ স্বাৰ্থত এই চৰকাৰে যথেষ্টখিনি কাম কৰিছে।

(......................সদনত হুলস্থূল........................)

**ড° তুলিৰাম ৰংহাং, ৰংখাং :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াক expel কৰিব লাগে। কাৰণ কাৰ্বি আংলঙৰ সমস্যাৰ কথা তেখেতে নাজানে।

**মাননীয় অধ্যক্ষঃ** আপুনি মোৰ ফালে চাই ক'ব। আৰু গগৈ ডাঙৰীয়া কথা কোৱাটো যেনেকৈ সাহসৰ পৰিচয় কথা শুনি থকাটোও সাহসৰ পৰিচয়।

**শ্ৰী তুলিৰাম ৰংহাং, ৰংখাং ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি শুনি ভাল পাব যে যোৱা ৫ বছৰত ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই মুখ্যমন্ত্ৰী হোৱাৰ পিছত কাৰ্বি আংলঙৰ সৰ্বাংগীন উন্নয়নৰ কাৰণে অসম মালাৰ পৰা আৰম্ভ কৰি মেডিকেল কলেজ উদ্বোধনৰ পৰা, কৰ্কট চিকিৎসালয়, চৰকাৰী মহাবিদ্যালয়, কাৰ্বি আংলঙৰ উৰনীয়া সেতুৰ পৰা চুকে কোণে উন্নয়নৰ কাৰণে পুজি দিছে ২০

হেজাৰ কোটি টকা। কাৰ্বি আংলঙৰ ৰাইজে আদৰণি জনাইছে কাৰ্বি আংলঙৰ ৫ টা PSP Project আহিব। সেই প্ৰকল্পবোৰ ২২ হেজাৰ কোটি টকাৰ কম নহয়। সেই প্ৰকল্পবোৰ আহিলে কাৰ্বি আংলঙৰ ল'ৰাবোৰে সংস্থাপন পাব। প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ আশীৰ্বাদ আৰু মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ চেষ্টাৰ ফলত বিত্ত মন্ত্ৰী ডাঙৰীয়াই বাজেটত যি ৪ টা PSP Project ধৰিছে তাৰ ফলত আমি ২২ হেজাৰ কোটি টকা পাম। আৰু সেই টকা খিনি বিনিয়োগ কৰাৰ লগে লগে কাৰ্বি আংলং স্বায়ত্ব শাষিত পৰিষদে বহুত পৰিমানৰ ৰাজহ পাব । কাৰ্বি আংলং স্বায়ত্ব পৰিষদত ১২ শ কোটি টকা যদি PSP ৰ পৰা যদি ৰাজহ পায় তেতিয়া হ'লে আমি কাৰ্বি আংলঙত উন্নয়ন মূলক কাম বহু পৰিমানে কৰিব পাৰিম। কাৰ্বি আংলঙত সেই ৪ টা PSP Project হোৱাৰ লগে লগে তাত সংস্থাপন পাব ১৫ হেজাৰ যুৱক-যুৱতীয়ে। অধ্যক্ষ মহোদয় আপুনি শুনি ভাল পাব কাৰ্বি আংলঙৰ বাজেট মই দেখিছো, পঢ়িছো সেই বাজেটত অকল PSP নহয় জলবিদ্যুৎ প্ৰকল্পৰ পৰা আৰু কাৰ্বি আংলঙৰ বেলেগ বেলেগ উন্নয়ন কৰাৰ স্বাৰ্থত এই বাজেটত পুঁজি ধাৰ্য্য কৰা হৈছে। কাৰ্বি আংলংৰ এৰিয়াটো বহুত ডাঙৰ। মই বিত্ত মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিম যে অহা বাজেটত আমাৰ বাবে যাতে বেছি পুঁজি দিয়ে। আমি চিকিম, গোৱা, ত্ৰিপুৰাতকৈ ডাঙৰ। Karbi Anglong is the largest district among the 6th Schedule Area of the country. So we need 5 thousand crores in every year for the all round development of Karbi Anglong as well as we need 2 thousand crores for the all round development of Dima Hasao. গতিকে কাৰ্বি আংলং আৰু ডিমাহাচাওৰ বাবে অহা বাজেটত এই ধন ৰাশি বৃদ্ধি কৰিব লাগে অঞ্চল দুটাৰ উন্নয়নৰ স্বাৰ্থত। অধ্যক্ষ মহোদয় তেতিয়া এজন বিধায়কে আপত্তি কৰিছিল মোৰ ভাষণত তেখেতে হয়টো কাৰ্বি আংলং আৰু ডিমাহাচাওৰ উন্নয়ন নিবিচাৰে। কিন্তু তেখেত ইয়াৰ স্থানীয় নহয়।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, ( মন্দিয়া )ঃ** মাননীয় অধ্যক্ষ মহোদয় বাজেটৰ ওপৰত মই ভাষণ দিয়াৰ আৰম্ভণিতে মাননীয় মুখ্য মন্ত্ৰী আৰু বিত্ত মন্ত্ৰী

ডাঙৰীয়াক মন্দিয়া সমষ্টিৰ হৈ ধন্যবাদ   জনাইছো। এইবাৰ বাজেটত মন্দিয়া সমষ্টিৰ ৰাজধানী স্বৰূপ কলগাছিয়াত এটা Bio Gas প্ৰকল্প স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছে তাৰ বাবে বহুত ধন্যবাদ। বাজেটৰ ওপৰত আলোচনা কৰিবলৈ প্ৰথম গুৰুত্বপূৰ্ণ দিশ হৈছে to discuss about the fiscal parameters, fiscal health and other important ingredients. যিহেতু মোক সময় কম দিব গতিকে সেইবোৰলৈ নাযায় মাত্ৰ দুটা কথা মই ক'ব বিচাৰিছো যে যেতিয়ালৈকে আমাৰ ৰাজ্যখনত ৰাজহ ঘাটি থাকিব তেতিয়ালৈকে It is a bad symptom for our fiscal health. As per FRBM Act ২০০৯-১০ চনতে revenue deficit শেষ হ'ব লাগিছিল। কিন্তু আজি লৈকে ৰাজহ ঘাটি চলি আছে। I don't have much objection about the fiscal deficit . কিন্তু ইয়াতে এটা কথা আছে যে fiscal deficit যি ঋণ লৈ কৰা হয় এই ঋণটো বহন ক্ষম হ'ব লাগে। এতিয়া AG ৰ প্ৰতিটো পাতে পাতে আমাৰ এই ঋণ লোৱা পদ্ধতিটো বহন ক্ষম হৈ থকা নাই। যদিও বা চৰকাৰে কৈছে এইটো GDP ৰ ৩২ শতাংশ। কিন্তু AG য়ে দেখুৱাই দিছে যে অহা সময়ছোয়াত আমি সেই ঋণ বোৰ পৰিশোধ কৰিবলৈ কেনেকুৱা বোজা পৰিব। এনেকুৱা এটা সময় আহিব ধৰি লওক ১০ বছৰৰ পিছত এনেকুৱা এটা সময় আহিব যে ৰাজ্যৰ ৰাজহ গোটেইখিনি ঋণ মাৰোতে গৈ আমি আকৌ ঋণ লৈ ঋণ মাৰিব লাগিব। That will be a very difficult situation. সেই কাৰণে আমাৰ ঋণ বা Loan Profile এইটো যাতে বহন ক্ষম বা sustainable হয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, মই দুই  এটা স্থানীয় কথা কব বিচাৰিছো । প্ৰথম দিনা আপুনি অধ্যক্ষ নিৰ্বাচিত হোৱা সময়ত মই আপোনাক ধন্যবাদ জনোয়াওতে মই আপোনাক কেইটামান দাবী জনাইছিলো বৰপেটা জিলাৰ স্বাৰ্থত । বৰেপটা জিলা ৰেলেৰে সংযোগ হ'ব লাগে । অভয়াপূৰীৰ পৰা বৰপেটালৈ ৰাষ্ট্ৰীয় ঘাইপথ হব লাগে । বামুননগৰৰ পৰা নগৰবেৰালৈ এখন দলং হব  লাগে। বৰপেটা ৰাস্তা ঘাটবোৰ বহল কৰিব লাগে নাইবা দুখন মান উৰনীয়া সেতুৰ ব্যৱস্থা কৰিব লাগে। বৰপেটাত এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় বনাব লাগে আৰু লগতে এখন শেষতীয়া প্ৰযুক্তি সমৃদ্ধ এখন

আভিযান্ত্ৰীক ক'লেজ হব লাগে। অতি দুখ লগা কথা যে বাজেটত আমাৰ বৰপেটাৰ বিষয়ে একো ঘোষণা নাই। বৰপেটা ১৮৮৬ চনত স্থাপিত এখন চহৰ যি সময়ত গোটেই অসমত মাত্ৰ তিনিখন চহৰ আছিল, শিলচৰ, গুৱাহাটী আৰু বৰপেটা। আজি শিলচৰ ক'ত গুৱাহাটী ক'ত আৰু বৰপেটা ক'ত। তাৰ পিছত হোৱা চহৰবোৰ বহুত আগবাঢ়ি গল। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিশ্চয় শুনি আছে গতিকে মই তেখেতক অনুৰোধ কৰিব বিচাৰো যে বৰপেটাৰ প্ৰতি ন্যায় কৰক। মই দুটা মান কথা কৈ শেষ কৰিম। মোৰ মন্দিয়া সমষ্টিৰ কলগাছিয়া অঞ্চল, তাত মই নতুন বিধায়ক। কলগাছিয়াৰ যিটো পৰিবেশ মই দেখি অবাক হৈ গৈছো অধ্যক্ষ মহোদয় আপুনিয়ো তাৰে ওচৰৰে। ইয়াৰ আগতে মই সদনৰ পৰা কৈছিলো যে কলগাছিয়া থানাৰ অ'চিয়ে ড্ৰাগছ ব্যৱসায় বা সুদৰ কাৰবাৰেই হওক বা বিভিন্ন জুৱা খেলৰ মানুহওক তেওঁলোকক ধৰি আনি ৰাতিটো ৰাখি ৩০ লাখলৈ ঘোচ লয়। কিন্তু দূৰ্ভাগ্যৰ কথা আজিলৈকে কোনো ব্যৱস্থা লোৱা নহল। Why the DGP or the SP keeping silence ? Why they have not arrested those culprits or why they are not conducting any inquiry? I appeal this August House for conducting an impartial inquiry. আজি এই কথাটো বাতৰি কাকতত ওলাইছে। আমাৰ কলগাছিয়া থানাৰ ওচৰত গোটেই অসমত নোহোৱা নোপোজা এটা ঘটনা আছে সেইটো হ'ল ভেন্সাৰ থানা। সেই ভেন্সাৰ থানাত গোটেই দালাল বোৰ বহি থাকে। যদি কোনোবা মানুহ থানাত যায় তেতিয়া এটা পক্ষ আচামীৰ লগত আৰু এটা পক্ষ ফৰিয়াদিৰ লগত গৈ কয় আমি তোমালোকৰ কেচটো সমাধান কৰি দিম বুলি কৈ OC ৰ লগত বহি ৫/১০ লাখ টকা লয় তাৰ কিছু অংশ দালাল বোৰে পায় আৰু বাকী খিনি OC পায়। মোৰ এতিয়া সন্দেহ হৈছে যে মই August House ত কোৱাৰ পিছতো একো action যে নহ'ল, সেই সপ্তাটোৰ কিবা ওপৰলৈও আহে নেকি ? সেইটো মোৰ সন্দেহ হৈছে মাননীয় অধ্যক্ষ মহোদয়। আজি পেপাৰত ওলাইছে, দৈনিক জনমভূমি বাতৰিকাকত এই কথাবোৰ ওলাইছে। আজি মই বক্তব্য ৰখাৰ পছিত social media ত ভিডিও প্ৰচাৰ হৈছে, পোনপতীয়াকৈ কৈ আছে কোনোবা

নজৰুল নে কি সাংবাদিক ডেৰ লাখ টকা লৈছে এজন মানুহৰ পৰা, তহঁতৰ কেছটো নিষ্পত্তি কৰিম। তাৰ পিছত কৈছে যে OC য়ে আৰু ৫০ হাজাৰ টকা বিচাৰি আছে। মই কালি SP ৰ লগত কথা পাতিছো, যে at any moment, make a sudden visit, ৰাতি দহ, এঘাৰ বজাত যাওঁক, থানাত কিমান মানুহ আপুনি দেখা পাব। কিছু political activist, কিছু নামধাৰী সাংবাদিক, এইবোৰ সাংবাদিক নহয়, they are blackmailer, আছে চাৰি- পাঁচজন, কিছু সুদৰ কাৰবাৰী। মাননীয় অধ্যক্ষ মহোদয়, কলগাছীয়াৰ অৱস্থা এনেকুৱা যে আপুনি চকু মুদি যদি শিলগুটি মাৰি দিয়ে, কোনোবা দালাল নাইবা কোনোবা সুদৰ কাৰবাৰীৰ মুৰৰ ওপৰত পৰিব। আজি মই ৰাইজে নিৰ্বাচন কৰা প্ৰতিনিধি হিচাপে এই কথাবোৰ ইয়াত উত্থাপন কৰাৰ পিছতো আজি action হোৱা নাই, মই অত্যন্ত দুখ পাইছো মাননীয় অধ্যক্ষ মহোদয়, মই শেষ কৰাৰ আগতে মই আকৌ ...

**মাননীয় অধ্যক্ষঃ** আপোনাৰ ৩.৫ মিনিট সময় পাৰ হৈ এতিয়া ৬ মিনিট হ'ল গৈ।

The House is Adjourned till 9.30 am on 14.07.2026.